## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRA ~~DUAR~~ BAROUH | |
| Title: অসম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asaāma Saāhaitaya Sabhaā Patakaikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Assam Sahitya Sabha - Jorhat. |
| Year: ~~1931~~ 1930-31 (1951-52 Sak) | Edition: |
| Size: 22 cms - 258 pages | Genre: Magazine |
| Volumes: 4 - 6 issues | Condition of the original: Not good |
| Remarks: 1st published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্ৰিকা।

ফাগুন—চ'ত, ১৮৫১—৫২

চতুৰ্থ বছৰ ]　　মুঠ সংখ্যা—১৭　　[ তৃতীয় সংখ্যা


## বিহু।

"কে-লৈ ফুলিলি ৰূপহী মদাৰ ঐ কে-লৈ পেলালি কলি।
গুৰুতো নেলাগে গোসাঁইতো নেলাগে থাক তলে ভৰি সৰি॥"

পুবাৰ শীতল সমীৰণত উড়ি আহি এই বন গীতটি মোৰ কাণত পৰিলে। মই তেতিয়া মুকলি পথাৰ এখনত থিয় হৈ লগত এজন মণ্ডল আৰু এজন গাওঁবুঢ়া লৈ কাম পৰীক্ষা কৰিছিলোঁ। ৰাতিপুৱাৰ কুমলীয়া বেলিয়ে ৰাঙলী বৰন তেতিয়াও এৰিব পৰা হোৱা নাই। মূৰ দাঙি চাই দেখিলোঁ গাঁৱৰ নাহৰতলৰ পৰা এটা এটা কৈ সাতোটামান অসমীয়া মতা ম'হ নাকত নাকী আৰু পিঠিত একোটা ডেকা গুৱালে দৈতে দলনিৰ ফাললৈ মু-কৰি ওলাই আহিছে। আৰু গুৱালহঁতৰ উপচিপৰা ডেকা-ধনি উক্ত গীতত পৰিণত হৈ গোটেই পথাৰখনক খলক লগাইছে। ই'ত গাঁও অন্ত আৰু পথাৰ আৰম্ভ হৈছে তাতে জোপা-চেৰেক মদাৰগছ ফুলি জকমকাব লাগিছে। গুৱালৰ এই বিদ্ৰূপব্যঞ্জক গীতত মদাৰ কিজোপাই দাতৰ বন্দা আনু উলিয়াই হাঁহি হাঁহি যেন কৈছে—"ৰাতিপুৱাই তিনটোলৈ তইঁতে আমাক জোকাবলৈ আহিছ, শুনানে? হেৰ, আমি ফুলিলে যে তইঁতৰ গাত ডেকা-ধনি ফুটে। নবা শ হৈ পৰি থাক। এইযে বসন্ত আহিছে, গোটেই জগতত সঞ্জীৱনীৰ বাণ-পানী উঠিছে আৰু, প্ৰেমৰ পচোৱা ঠিছে যাৰ পৰশ পাবিলে মৰা শয়ো মাটিৰ তলত এবাগৰ মাৰে, তাৰ জাননী কোনে দিয়ে কছোন, কটা থাই পাত ফলা হ'ত" মদাৰে এই কথা কৈ শেষ কৰোঁ নকৰোঁ-তেই নিচেই পাচৰ গুৱালটোৱে (যি এতিয়াও মুকলি পথা-ৰলৈ ওলোৱা নাই) বনগীতৰ সুৰত গালে—

"হাবিৰে মাজতে নাহৰে মেলিছে
কুঁহি কুমলীয়া পাত।
এই হেন বতৰত কোনে পতিয়াব
বিহু যে লাগিছে গাত।"

এইবোৰ দেখি শুনি নিজ কৰ্ত্তব্যলৈ ভালকৈ মন দিব পৰা নহল। তথাপি বাহ্যিকৰূপে কাম কৰা যেন দেখুৱাবলৈ এটা কেডেষ্ট্ৰেল ঢিপ বিচাৰি গলোঁ। অলপ দূৰ পথাৰে পথাৰে গৈ সেই ঢিপৰ চিনচাব একো নেদেখিলোঁ। মাত্ৰ এজোপা ডাঙৰ শিমলু গছ নিৰ্দ্দিষ্ট ঠাইত থিয় দি আছে। তাৰে ডাল এটাত বহি এটা কুলী চৰাইয়ে কু কু কৰি কুহুঁলিয়াব লাগিছে। অনতি দূৰতে এটা সৰু ডোবাৰ পাৰত জনীচেৰেক জাকৈয়া ছোৱালী থিয় হৈ পানীত নামি মাছ মাৰিবলৈ সাজু হৈছে। তাৰে এজনীয়ে সুৰত গালে—

"গছৰ ডালত বহি কিয় লেনিয়াব
অ'তই কুলী চৰাই?
প্ৰতিধ্বনি হল—সোৱাঁবাই দিবলৈ আহিছোঁ চেনেহী
তোৰে ভৰা বতৰ যায়॥"

মনটো কিবা ৰাইজাই লাগিল। কাম কৰিবৰ মন নগল। মেপথন আধা সামৰা কৰি বতাহৰ বিপৰীতে বেগাই খোজ ললোঁ। গাত যেন খুব স্ফূৰ্ত্তি। কিছুদূৰ গৈ পথাৰ এৰি গাঁৱলৈ সোমালোঁ। প্ৰথমতে চোমনি, তাৰ পাচত বাহতল। তাৰ পাচতহে ঘৰ দেখা পালোঁ। ঠেক বাটটোৰ দুই কাষে ঘৰ বোৰ একেদৰে সজা, ইঘৰ সিঘৰৰ মাজত দুই তিনি নল জোৰাকৈ একোখন শাকনি বাৰী। বাৰীত মধ্যে শাক নাই; কিছুমান এড়া পুলিয়ে বহল বহল পাত মেলি যেন বাটৰুৱালৈ হাত পাতি আছে। প্ৰত্যেক ঘৰৰে চোতাল পদূলি নিকাকৈ সৰা পদুলিয়েদি সোমায়ে সোঁহাতে ভড়াল ঘৰ, বাঁও হাতে গোহালি, এফালে এটা মুকলি ঘৰ আৰু আন ফালে বৰ ঘৰ; মাজতে চোতাল। চোতালতে এখন তাঁতৰ শাল। ৰাতিপুৱা সকলোৰে নিজ নিজ কামত লাগি গৈছে। ইফালে সিফালে গাঁও চাই আমি ক্ৰমে আগ বাঢ়িবলৈ ধৰিলোঁ। এনেতে যেন কোনোবাই গালে।

"বসন্তৰ মলয়াই কাচুলী উড়ুৱায়

গা-টো লাগিছে শাঁত

বাটে বাটে যাবা ঘনাইকৈ নেচাবা

মেলিছোঁ বিচৰে তাঁত॥"

গীতটো শুনি তল মুৰকৈ যাবলৈ বাধ্য হলোঁ। যেনি যাওঁ খালি একেটা কথা "বিহু আহিছে"। ইমানতে সিদিনাৰ কাম শেষ কৰি ঘৰলৈ যাবলৈ বুলি ঘোড়াটো বিচাৰিলোঁ। ঘোড়াটো এটা লৰাই লেকাম ধৰি বননিত চৰাই আছিল। মই যেতিয়া দেখি পাওঁগৈ, ঘোড়াটোৱে ভিনে সৈতে মাটিত বাগৰি গাৰ খজুৱতি মাৰিছে। ইমান ফুৰ্ত্তিৰ ওপৰত আহি এনে অপমান জনক দৃশ্য দেখি মোৰ বৰ খং উঠিল। বেট ডালেৰে একোব লগাই দিলত ঘোৰাটো উঠি ওপৰলৈ মুখ খন দাঙ্গি পিচুৱাবলৈ ধৰিলে। লৰাটোৰ হাতৰপৰা ঘোড়াটো লৈ সগৰ্ব্বে উঠি ঘৰলৈ মু কৰি চুটি মেলিলোঁ। আলিয়েদি কিছুদূৰ গৈ এডোখৰ আলিছিগা পালোঁ। যʼত আলিটো ছিগিছে তাতে এটা ডোবা হৈছে। ডোবাত যথেষ্ট পানী আছে। কিছুমান মাছুৱে জকাই পলা লৈ তাত মাছ ধৰিছে। ঘোৰাটোৰ কাণেদি ঘুৰি গৈ আকৌ আলিত উঠিব লাগে। আলি পৰা নামি গৈ ডোবাত ঘোড়াটোক পানী খুৱাই ... মাছ মৰা বং চাই আছোঁ। এনেতে এজাক ... ঘোড়া মোৰ ওচৰেদিয়ে দপলিয়াই গল। মোৰ ঘোড়া টোৰেও পানী এৰি একে চাতে দিহঁতৰ পিচ ধৰি ... মেলিলে। মই অন্যমনস্ক হৈ আছিলোঁ; তথাচ ... চতুৰ বাহুতালিৰে (Horsemanship) নপৰাকৈ ঘোৰা ... পিঠিত থাকিলোঁ, কিন্তু সজোৰে লেকাম টানিও ঘোৰা ... ৰখাব নোৱাৰিলোঁ। বাহটুৰা ঘোড়া-জাক পথাৰ ... আলিলৈ উঠিলে! পাচে পাচে মজো উঠিলোঁ। ... মাইল মান গৈ ঘোড়া-জাক আলিৰ পৰা নামি এজোপা ... কোটাহী বাঁহৰ তলত সোমালে গৈ। মই দেখিলোঁ ... বাঁহ তলত সোমালে মোৰ চকু কাণ নেথাকিব। ... ভাবি বেকাৰিৰ পৰা ভৰি উলিয়াই ঘোড়াৰ পিঠিৰ পৰা ... ঠাইতে বাগৰ মাৰি আলিত পৰিলোঁ। তেতিয়া ঘোৰাটো ... ফিক্কানি ঘণ্টাত ২০ মাইল মান হিচাপে দৌৰিব ... আলিত বৰ ধূলি থকাৰ কাৰণে বৰ দুখ নেপালোঁ ... মুৰটো জিন্‌ জিনাবলৈ ধৰিলে। এক মাত্ৰ আশ্চৰ্য্য বিষয় এই যে মোৰ খৰৰ ফালটোকে ঘোড়াটো ... অহিছিল; আৰু যʼত আহি পৰিলোঁহি তাৰ পৰা ... একন মোৰ বন্ধুৰ ঘৰ। লাহেকৈ উঠি বন্ধুৰ ... খোজ ললোঁ। কোটাহী বাঁহ জোপাত পৰি এটা হেটুলু... চৰাইয়ে 'হেট্‌লুক' 'হেটুলুক' কৈ মাতিছে। এই ... টোক মই কোনো কালে দেখা নাই; কেৱল ... মাত হে শুনিছোঁ। তেতিয়া প্ৰায় দহ মান ... বদৰ কোৰ টান হৈ আহিছে। মই যেতিয়া গাঁৱৰ ... চাপিলোঁ, তেতিয়া হেটুলুকা চৰাইটো উড়ি গল ... তাৰ মাত কাণেৰে শুশুনা হলোঁ। কিন্তু তাৰ ... প্ৰতিধ্বনি মোৰ মগজুত তেতিয়াও বাজি আছিল ... যেতিয়া গাঁৱত সোমালোঁ তেতিয়া সেই হেটুলুক ... ঠাইত "সেটুলুক" "সেটুলুক" শব্দ শুনিবলৈ পালোঁ। ... চিড়া-গুণ্ডা ঢেকীয়ে সেই হেটুলুকা চৰাইটোক মিক্কাৰি ... বন্ধুক লগ পাই পোন প্ৰথমে এগটি পানী খুজি ... মুৰত ঢালিলোঁ। সকলো কথা কʼলত বন্ধুৱে ...



... বলৈ দিহা কৰি নিজে গৈ বাহতলৰ পৰা ঘোড়াটো ... ৰ আনিলে। তেওঁ মোৰ পুৰণি বন্ধু। মই সোমালো ... ৰোৰী কামত. তেওঁ সোমাল অসহযোগীৰ দলত। এবছৰ ... টিকো খালে। চাহ পানী খাই অতোৱাৰ পাচত ... য়োৱা গান্ধীৰ আইন ভঙ্গ কৰা নতুন আন্দোলনত তেওঁ ... দিবনে বুলি শোধাত তেওঁ উত্তৰ দিলে:—

"দেশৰ কৰে কাম কৰি হলোঁ লটি ঘটি

ঐতিয়া পৰিছোঁ আহি টাইট কৰ্ণৰত।

কিছুমানে বং চায় দুহাত সাৰটি

ফকোনট ভাঙ্গি খায় অমাৰ মূৰত॥

ফৰ্ৱাৰ্ড নহওঁ আৰু শিকিলোঁ এবাৰ

বেকাৰ্ডো নহওঁ যদি লোকে লয় লীড্‌।

এইযে আসাম দেশ একুচেপ্ট্‌ ভাষাৰ

ইণ্টৰেষ্ট্‌ নাই কাৰো আছে মাত্ৰ জিড্‌॥"

কথাটো সঁচা যেন লাগিল। এই দেশত গা লাগি কোনেও কাম নকৰে; যেন কাৰো স্বাৰ্থ নাই। হৰনো কেনেকৈ, কত ৰকমৰ বেলেগ ২ জাতি ইয়াত সোমাই অসমীয়া নাম পাই আহিছে! কোনো কাৰো আপোন নহয়। এক মাত্ৰ বান্ধনি হৈছে ভাষাটো। ভাষাটোৱেইহে জীয়াই থাকিবলৈ বিচাৰি অসমীয়া মানুহৰ উন্নতি কামনা কৰে। মানুহ বিলাকৰ কিহৰ গৰজ!

—— ——

# ভৰতীয় মুদ্ৰানীতি Indian Currency System.

(লিখোঁতা—শ্ৰীযুত উমাকান্ত গোস্বামী এম, এ

... দেশত মুদ্ৰা চলোৱা প্ৰণালী (Currency System) ... এটা অতি জটিল বিষয়। সাধাৰণ মানুহৰ কথাকে নকওঁ ... অৰ্থনীতি শাস্ত্ৰত সুনিজ্ঞ লোক সকলেও এই মুদ্ৰানীতি ... সম্বন্ধে বিচাৰ কৰিবলৈ আৰু মতামত দিবলৈ টান পায়। ... মুদ্ৰানীতিৰ সমস্যাবোৰ অকল যুক্তি তৰ্কতে পৰিসমাপ্ত ... নহয় বৰং কাৰ্য্য ক্ষেত্ৰত তাৰ বাবে সদায় তোলপাৰ ... লাগিয়ে থাকে। যি সকল মানুহে বেহা বেপাৰ কৰি টকাৰ ... লেনদেন কৰে বৈদেশিক বিনিময় (Foreign exchange) আৰু চালান, হুণ্ডি (Cheques and Bills of exchange) নাইবা চৰকাৰী আয়ব্যয় (finance) সম্পৰ্কীয় কামত সদায় লিপ্ত থাকে, তেওঁ ... লোকবহে এই বিষয়ে কাৰ্য্যকৰী জ্ঞান ওপজে। মুদ্ৰা ... নীতি. বৈদেশিক বিনিময়, বেঙ্কৰ কাৰবাৰ (Banking) ... চৰকাৰী আয়ব্যয়ৰ নিৰূপণ ইত্যাদি আটাইবোৰ বিষয়ৰে ... দেশৰ লগত খনিষ্ঠ সম্বন্ধ। অৰ্থনীতি সম্বন্ধীয় ওপৰত ... কথা বিষয়বোৰ আয়ত্ত নহলে আজি কালিৰ ঘোৰ আন্তৰ্জাতিক প্ৰতিযোগিতাৰ দিনত কোনো দেশ বা জাতিয়ে আৰ্থিক উন্নতি কৰিব নোৱাৰে।

আমাৰ দেশত এইবোৰ বিষয়ত মানুহৰ অভিজ্ঞতা আন আন বহুত বিষয়তকৈ কম। আৰু সম্প্ৰতি এটকা ১ শিলিং ৪ পেঞ্চৰ সমান হব নে ১ শিলিং ৬ পেঞ্চৰ সমান হব এই কথাৰ আলোচনাৰ পৰা দেশত কিছু আন্দোলন হৈ গʼল। আমাৰ দেশৰ ইংৰাজী বঙ্গলা বহুত খবৰৰ কাকতে আৰু নেতৃ স্থানীয় বহুত মানুহে নিজ নিজ যুক্তি অনুসৰি এই বিষয়ে আলোচনা কৰাৰ পৰা সৰ্ব্বসাধাৰণৰ এইবোৰ কথাৰে সৈতে কিছু পৰিচয় হৈছে। যোৱা হিল্টন ইয়ং কমিশ্যনত (Hilton young Royal commission) মুঠ দহ জন সভ্যৰ ভিতৰত ৬ জন ইংৰাজ আৰু ৩ জন ভাৰতীয় সভাই ১ শিলিং ৬ পেঞ্চ সমৰ্থন কৰে। কিন্তু কমিশনৰৰ অন্যতম সভা চাৰ পুৰুষোত্তম দাস ঠাকুৰ দাসে ১ শিলিং ৪ পেঞ্চ সমৰ্থন কৰি ৰিপোৰ্টত ভিন মত (minute of dissent)

বেহা-বেপাৰত লৈ ফুৰা নগাটো একেবাৰে পুৰণিকলীয়া প্ৰথা। আমি দেখিবলৈ পাওঁ যে আগৰ মানুহে টকা পইচা সদায় মোনাত বা টোপোলা কৰি বা কঁকালত বান্ধি লৈ ফুৰিছিল। মৌজাদাৰ সকলে চকাৰী খাজনা সোধাব লাগিলে গাড়ীত বোজা দি আগে পিছে ৰখীয়া থৈ ট্ৰেজুৰীলৈ যাব লাগে। কিন্তু এতিয়া যিমানেই টকা থাওক নোট কৰি বা চেক ( cheque ) হুণ্ডি আদি কাগজেৰে হাতৰ মুঠিতে নিব পাৰি। আচল সোণ বা ৰূপ খিনি এঠাইত জমা থৈ কাগজেৰে কাম চলেৰোটো দন বিজ্ঞানৰ বাহাদুৰি। সেই দৰে অনেক অৰ্থনীতিবিদৰ মতে গোল্ড কাৰেন্সিনোহোৱাকৈ গোল্ড ষ্টাণ্ডাৰ্ড চলোৱাটোহে আটাইতকৈ উত্তম নীতি। ভাৰতবৰ্ষত সোণৰ মুদ্ৰা চলোৱাৰ কথা ওলালে বহুতে এই নীতিৰ দোহাই দিয়ে; কিন্তু ভাৰতবৰ্ষত অৱস্থানুযায়ী কেই পোৰ বিশেষ কথা আছে।

ক্ৰমশঃ।

---

# বিশ্ব আকুলতা।

অ' মোৰ তুমি অন্তৰৰ হিয়া
বহুদিনা মৃতত আছিলোঁ আজি দুৱাৰ মেলি দিয়া।
অ' মোৰ জোন, অ' মোৰ বেলি
ইমান পৰ মই খুজিয়াই আছোঁ
তেওঁযে দুৱাৰ নিদিয়া মেলি!
ঘনে ঘনে মোক ওভোতাই পঠোৱা
লোকৰ আগত কৈ আকৌ মাতি যে অনোৱা।
আনিছোঁ মই খিচমিছ বেদনা
বুজিও নুবুজা কিয় পৰৰ বেদনা?
পানীপতাতে মই থাকিলোঁ তিতি
ওফোন্দ পাতি মই থাকিলোঁ উভতি
তেতিয়া হলে নাহোঁ আকৌ বৃথাই অনালে মাতি।
বৈ বৈ মোৰ উঠিছে হাঁহি
তুমি যে মোৰ অন্তৰযামী
ৰক্ষা কৰা মই তগা জেওৰাক
তুমি চিৰ নবীন বাঁহৰ কামী।
তুমিয়ে মযে একে আত্মা
তথাপি তোমাৰ নেজানো মহত্মা
সেইহে মোৰ প্ৰতি অঙ্গে তোমাৰ প্ৰতি অঙ্গলৈ
মোৰ হাতে তোমাৰ বাউসিলৈ
মোৰ ভৰিয়ে তোমাৰ ভৰিলৈ
মোৰ সেমুনে তোমাৰ নাকলৈ
মোৰ কণামাকড়িয়ে তোমাৰ কাণলৈ
মোৰ চকুৱে তোমাৰ কেচকুৰিলৈ কৰিছে বাউঁসি
তুমি মোৰ একমাত্ৰ কণাৰ নাখুটি।
অ' মোৰ অন্তৰৰ পুৰণি চিনাকি
কিয় খেলা মোৰ লগত মিছাই লুকা-লুকি?
দিগন্ত কঁপাই তৱ মন্দিৰত বাজিছে বিশ্ববীণ
কোন সুদূৰৰ অজান দেশত উঠিছে ধ্বনি দিন-ৰাতি
তোমাৰ ঐক্যতানত যোগ দিবলৈ মোৰ কণ্ঠস্বৰ যে ক্ষীণ।
( সেই দেখি ) পাতি থৈছোঁ মোৰ হৃদয় আসন
কৰি থৈছোঁ মই বেশন ভূষণ
সজাই থৈছো অৰ্ঘ্যপুষ্প চাহ জলপান, অন্তেক এবাৰ বহাঁহি
মোৰ সমস্ত শৰীৰ পুলকিত কৰি
মুখ ফুলাই এবাৰ হাঁহাহি।

অসমীয়া কবীন্দ্ৰ ৰবীন্দ্ৰনাথ।

---

# হংকঙৰ চীনা পত্ৰিকাত অসম দেশৰ বিৱৰণ।

( আগৰ সংখ্যাৰ পাচৰ পৰা )

খৃষ্টধৰ্ম্ম প্ৰচাৰৰ অৰ্থে ই অতি উত্তম ক্ষেত্ৰ হোৱাৰ বহু কাৰণ আছে। ভাটী ফালৰ বৃক্ষবাতৰি আৰু ধৰ্ম্মৰ চোঁ খুন্দা খাই বৈ থকাতি এয়ে পুৰণুৱীয়া সীমা। এই দেশে যে এপিনে লামাধৰ্ম্মৰ গুৰি তিব্বত, ব্ৰহ্মা আৰু শ্যাম চীন দেশক জোঁটাই থৈছে, এই বাবেই ইয়াক আদি চেপাহ-চকুৱে চাই থাকিব লগীয়া হৈছে, বিশেষত কৰুণাময় লীলাৰ জ্যোতি কণা এই ঠাইতে কেন্দ্ৰীভূত হৈ ইয়াৰপৰাই অন্ধকাৰে ঢাকি থোৱা ওচৰৰ ঠাইবোৰলৈ বৈ পৰিব। ইয়াত হিন্দুধৰ্ম্ম সোমোৱা দেড় শ বছৰহে হৈছে, ৰজা আৰু ব্ৰাহ্মণ সকলৰ প্ৰাভাৱত পৰি ইয়াৰ বিস্তাৰ হৈছে যদিও, আসামৰ মানুহৰ মনত ই বৰকৈ সোমোৱা নাই। দক্ষিণে গাৰো খাচীয়া, উত্তৰে ডফলা মিৰি আবৰ মিছিমি আৰু অন্যান্য জাতি হিন্দুৰ বেশত সোমোৱাই নাই। খামতী চিংফৌ বৌদ্ধই, মটকবিলাকো নামতহে হিন্দু। বৃটীছ সাম্ৰাজ্য বৃদ্ধি আৰু বিস্তাৰৰ লগে লগে এই অৱস্থাৰ পৰিবৰ্ত্তন হবই হব।

খৃষ্টিয়ান পাদ্ৰী আৰু দেশহিতৈষীসকলৰ চকুৰ আগত যেনে সুন্দৰ আশাপ্ৰদ কাৰ্য্যস্থলী পৰি আছে, তাক শীঘ্ৰেই এই প্ৰবন্ধৰ সামৰণি মাৰিম। আজি অলপ দিনৰ পৰা পৃথিবীৰ আগুৱাই যোৱা উন্নতিৰ লগত পৰিচয় দিবলৈ ভাৰততো এটি আন্দোলন চলিছে যেন লাগিছে। এই যে আকাঙ্ক্ষা, ই সীমাজোৱা হলেও ইয়াক সৰ্ব্ব-প্ৰকাৰে উৎসাহ দিয়া উচিত, বিশেষতঃ ৰজা আৰু প্ৰধান প্ৰধান বিষয় বিলাকৰ মাজত এই আকাঙ্ক্ষাই দকৈ শিপালে স্বাভাৱতে উৎসাহ ওপজে। এনেবিলাক নিশ্চয় শুভ লক্ষণ। কেইবছৰমানৰ পূৰ্ব্বে স্বৰ্গীয় ডাক্তৰ কেৰীয়ে গোটেই বাইবেল গন অসমীয়া ভাষালৈ তৰ্জ্জমা কৰিছিল (১) আৰু গুৱাহাটীত শ্ৰীৰামপুৰ মিশ্যনৰ এখন শাখা পতা হৈছিল। এই শাখা মিশ্যনত মিঃ ৰে নামেৰে ( Mr. Rae ) এজন পাদুৰী ডেকাক শিক্ষা দি, বাইবেলৰ বাণী প্ৰচাৰ কৰি, প্ৰচাৰক আৰু সিক্ষসকলৰ বাণী বিলাই দি তেওঁৰ সৰ্ব্বস্ব তাতে নিয়োগ কৰিছিল। শিক্ষা-সমিতিয়ে আজি এবছৰ হল, এজন উদ্যোগী শিক্ষক নিযুক্ত কৰি দিছে, তেওঁ স্কুল পাতি বহুত লৰা গোটাইছে। সেই লৰাৰ ভিতৰত কেইবাজনো ৰজাৰ লৰা আছে। যে ছাহাবে বাইবেলৰ বাণী উক্তনি আমামলৈ পঠিয়াবলৈয়ো মন মেলিছে। পাৰিলে তাতকৈও উজাই হে যাব খুজিছে। চেৰাপুঞ্জিত লিষ্টাৰ চাহাবে খাচীয়াবিলাকৰ মাজত ভালকৈ শিপাই লৈছে, এনেভাৱে লৈছে যে তেওঁ এজন সহকাৰীৰ নিমিত্তে অনুৰোধ কৰিছেহে। সেই সহকাৰী লৈ তেওঁ জয়ন্তীয়াৰ ফালে কাৰ্য্যক্ষেত্ৰ বহলাবলৈ মন মেলে। এইবিলাক কৰিব লগীয়া ঠাই বোৰ আমাৰপৰা ইমান দূৰৈ পশ্চিমত আছে যে সম্প্ৰতি শদিয়াকে আমাৰ কাৰ্য্যৰ কেন্দ্ৰস্থল স্থিৰকৰা হৈছে।

কেপ্টেইন জেনকিন্সে কলিকতা খৃষ্টীয়ান অবজাভাৰ কাকতত লেখিছে যে খৃষ্টধৰ্ম্ম প্ৰচাৰৰ নিমিত্তে শদিয়াই অতি উত্তম ঠাই। ঠাই ডোখৰ ভাল বোলাৰ লগে লগে তেওঁ আৰু বহুত জানিব লগীয়া কথাও তাত লেখিছে। তেওঁ জনাইছে বোলে উত্তৰপূৱ সীমান্ত দেশত খান জাতিৰ খামটী আৰু চিংফৌ ঠাল দুটাৰে প্ৰধান নিবাস এই দুয়োটা ঠালৰ ভাষা চাম আৰু মান ভাষাৰ লগত প্ৰভেদ ইমান কম যে মানদেশত থকা মিছনেৰীবিলাকে; অতি সহজেই এই দুয়োটা জাতিৰ মাজত সম্বন্ধ লগাব পাৰিব। চানবোৰ মানতকৈ অধিক চতুৰ আৰু সংখ্যাতো দহগুণ মান অধিক হব।

আহা, হুকুম ( হুকং ) আৰু মনক্কম দেশ চান জাতি

---

(১) এই পুথিখন নাগেৰো আপোনাৰে ছপা হৈছিল। সাহিত্য সভাই ইচ্ছা কৰিলে এখন বিচৰাই অনাই সভাগৰত থব পাৰে।

আৰু সিহঁতৰে নিচিনা আন আন জাতিৰ অধিকাৰত আছে। ঐৰাৱতীৰ পূব পাৰটো সিহঁতৰ মানুহেৰেই ভৰা। চাৱেনৰ পৰা টেনাচেৰিমলৈ সমস্ত ঠাই জুৰি আছে। লাৱ' চাম আৰু কোচিন চীনেই সিহঁতৰ ঘাই দেশ। অকল সেয়ে নহয়, ইউনানৰ আধেক প্ৰজা জিছুৱেনৰ সৰহ ভাগত থকা মানুহখিনি চান জাতিৰেই; সেই কেইখন দেশৰ পৰা আৰম্ভ কৰি তিব্বত, টাটাৰ আৰু জিছুৱেনৰ মাজত থকা যিডোখৰ ঠাইৰ নিমিত্তে চীনাবিলাকেও হাৰ মানিছে, সেই ডোখৰ ঠাইলৈকে চান জাতিয়েই বিস্তাৰ কৰিছে। আসামলৈ অহা ঠালটো সিহঁতৰপৰাই উপচি পৰা খামটীবিলাক শ্ৰীমন্ত আৰু সাহিয়াল; চিংফৌবিলাক সভাৱতঃ গুণত পাচ পৰা যদিও স্বভাৱত ধীৰ।

সেইজন ডাঙ্গৰীয়াৰ (জেনকিন্স) পৰা অলপতে পোৱা চিঠি এখনত দুটামান আচৰিত আৰু আৱশ্যকীয় সম্বাদ এটা এই বুলি প্ৰকাশ পাইছে যে আমাৰ অধীনত থাকিবৰ নিমিত্তে ২৫০টা কুলুং আহি শদিয়াত ওলাইছেহি। সিহঁতে আমাৰ অধীনত থাকিম বুলিয়েই আহিছে আৰু কৈছে বোলে ইয়াত যদি আশানুৰূপ আদৰ পায় তেন্তে সিহঁতৰ লগৰ ৫০০০ হেজাৰ ঘৰ মানুহ আহিব। ভগাজন সদিয়া গোৱা গোহাঞে কয় যে, কুলুংবোৰ ঐৰাৱতীৰ পূবে থকা বৰ খামটীৰ প্ৰজা। ঐৰাৱতীৰ পাৰত চীনা মানুহ বহিবলৈ অহাত সিহঁতক ঠাই এৰি দি এই কুলুংবোৰ পছিমৰ ফালে ঠাই বিচাৰি আহিছে বোলে। মানৰ অধীনত বৰখামটী দেশখন থকা গুণে, চীনাবিলাকে ঐৰাৱতী নৈৰ পাৰ হৈ আহিব নোৱাৰে। দেখা-চাৱত বৰখামটীইত যদিও মানৰ সেও ভিতৰি কিন্তু বলে নোৱৰা শিলক পৰি নমস্কাৰ কৰা বিধৰহে ভাব গতি। এনে পাম লোৱাৰ পৰা সেই সীমান্ত প্ৰদেশৰ মূল্য বাঢ়িছে। আসামৰ নিমিত্তে সেই জাতি মিত্ৰব্ৰতী নহলেও, এনে আশা কৰিব পৰা যায় যে আসামৰ সীমান্ত দেশৰ প্ৰজাবিলাকৰ লগতে ইহঁতৰো উন্নতি সাধন কৰিব পাৰি। শদিয়াখন এৰি দিলে তাৰৈ যেতিয়া অনেক মানুহ আহিব, তেতিয়া দমোৱা বৰ টান। তেওঁলোকে সকলোৱে শান্তি স্থাপন কৰিব পাৰিলে, সিহঁতৰ অৱস্থাৰ দুৰ্দশাৰ আঁতৰি আহিব। মিছনেৰীবিলাক যেন সোনকালে তালৈ আহে। এই জাতিবোৰৰ ভাষা জনা আৰু আৰু ধীক বৰাবলৈ সদাই উৎকণ্ঠিত হৈ থকা মানুহ আহিলে তেওঁ যে আমাৰেই অকল উপকাৰী হব এনে নহয়, সিহঁতৰো হব। দিনে দিনে চান জাতিৰ মানুহত আমাৰ স্বত্ব প্ৰচাৰ কৰিবলৈ সন্তোষজনক অৱস্থাই দেখা দিছে। আমাৰ নিজৰ বেমেজালি আৰু অৱহেলা দলিয়াই পেলাব পাৰিলে, হৰিৰ অনুগ্ৰত আমাৰ সম্পৰ্কত থকা সকলো দেশে আৰু আমাৰ দেশে আমাৰ ক্ষমতা দৰ্শন কৰাত লাগে বাধা দিব পাৰে। "এইবিলাকেই হৈছে উমাৰ ৰাজনৈতিক একনৰ মতামত। তেওঁ ৰাজনীতি সম্পৰ্কীয় কথাৰ বাহিৰেও আৰু কৈছে যে যেই মিশ্যনেৰীয়েই আহক, মোৰ পৰা সহায় সহানুভূতি পাবই, আৰু তেওঁবিলাকৰ পাতিবৰ নিমিত্তে মই যি পাৰোঁ ক্ষুদ্ৰ সমৰ্থেৰে ধনৰ সহায় কৰিম। শদিয়াত যদি কোনোবা মিশ্যনেৰী পৰিয়াল আহি থাকিবলৈ কয়হি, তেওঁক মই এহেজাৰ টকা দান স্বৰূপে দিম। আৰু যদি তেওঁবিলাকে ছমাহৰ ভিতৰত এটা চেপাখানা পাতিব পাৰে, আৰু মইও যদি এই প্ৰদেশত থাকোঁ তেন্তে সেই দানৰ দুগুণ দান দিম।"

জেনকিন্সৰ দানৰ বাহিৰেও মেজৰ হোৱাইটে দিছে ২০০৲ টকা লেঃ চাৰ্লটন আৰু মিঃ ব্ৰুচে প্ৰত্যেকে দিছে ১০০৲ টকাকৈ। শুনি সন্তোষ পাইছো যে এই টোপে গুণ ধৰিছে; মৌলমেনত থকা ৰেভেৰেণ্ড এন ব্ৰাউন চাহাবে শদিয়াত ঘৰবাৰী সাজি থাকিবলৈ লৈছেহি। তেওঁৰ লগত কটাৰ নামে এজন কিতাপ চেপা মানুহো লৈছে। ই. ইণ্ডিয়ান চাইনা জৰ্নেল, হংকং ১৮৩৬ চন।

শ্ৰীবেণুধৰ শৰ্ম্মা।

২২।১১।২২

# অসম।

'অসম' শব্দটোৰ উচ্চাৰণ লৈ বহুত দিনৰ পৰা বহুত কথা মথন চলিব লাগিছে। সন্তহতে আসাম সাহিত্য সভা পত্ৰিকাৰ ৩য় বছৰৰ ১ম সংখ্যাত শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াই এই সম্পৰ্কে আকৌ উলিয়াই আৰু এই শব্দটোৰ 'স' আখৰটোক 'চ'ৰ দৰে উচ্চাৰণ কৰাৰ নিমিত্তে খেদকে কৰিছে। অকল যে বৰুৱা ডাঙৰীয়াৰে এইটো খেদৰ বিষয় এনে নহয়, বোধ হয়, বহুতৰেই খেদৰ কথা। শুনাতো কাণত কি এৰকম এৰকম লাগে। ২য় সংখ্যা পত্ৰিকাত শ্ৰীযুত দেৱানন্দ ভাৰালি ডাঙৰীয়াই বৰুৱা ডাঙৰীয়াই কথাটো উলিওৱাত আনন্দ প্ৰকাশ কৰে আৰু এটা মীমাংসা কৰিবলৈ কয়। ৩য় সংখ্যা পত্ৰিকাত মৰমৰ শ্ৰীমান ডিম্বেশ্বৰ নেওগ দেৱে এইবিলাক কথা কাটি নাথাকি অধিক লাগতিয়াল বিষয়ত ধৰিবলৈ বহুত কথা কয়, বেয়াৰ ফালে ঢাল লোৱা বহুত বিষয় দেখুৱাই দিয়ে, আৰু বহুত কৰিব লগীয়া কথা সোঁৱৰাই দিয়ে, অলপ অচৰপ কেটেৰা কেঙেৰাও কয়। নেওগদেৱে দেশলৈ পোৱোঁতা উঠন ডেকা জেকনৰ এৱন। দেশৰ মানুহৰ গতি মতি দেখি বেজাৰত অলপ সৰহ কথা কব লগীয়াত পৰে। কিন্তু সেই বুলি যি শব্দটো নিজ দেশখনৰ নাম, যি শব্দটো নিজ জাতিটোৰ নাম, যি শব্দটো নিজ ভাষাটোৰ নাম, সেই শব্দটো বাপেকৰ নোহোৱা নামগোত্ৰ নোহোৱা নহয়, নিজৰ নামটোৰে ঠিক নোহোৱাকৈ থাকিবলৈ দিয়াটো বৰ অন্যায়। আমাৰ মনেৰে সাহিত্য সভাই এই বিষয় চিন্তা কৰোঁতা ভাৰ এৰি, গা লাগি ধৰক, পত্ৰিকাত জাননী দি মত আৰু যুক্তি সংগ্ৰহ কৰক আৰু সেই মত আৰু যুক্তিৰ বিচাৰ কৰি এটা ঠিৰাং কৰি দিয়ক। ভাষাৰ নিজ গতিত বাধা দিয়াটো ন কথা নহয়, ব্যাকৰণে আৰু অভিধানে সদাই দিয়েই থাকে। গতিৰ বেগ সৰহ হই ব্যাকৰণৰ আৰু অভিধানৰ ভেটা ভাঙি পেলালে, সিহঁত আগ বাঢ়ি গই আকৌ আগত ভেটা দিয়ে হৈ গৈছে এই শব্দটোৰ এইটো স্বাভাৱিক গতি নহয়, হেমকোষৰ শিকনি মতেহে, শিক্ষিত ডেকা সকলে, 'স'ৰ অসমীয়া উচ্চাৰণেৰে 'অসম' বুলি মাতে, নহলে গাঁৱে ভূঞে লৰাই বুঢ়াই দেশী বিদেশী **সকলোৱে অচম বা আচাম** বুলিহে উচ্চাৰণ কৰে।

এই শব্দটোৰ বানান শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দিনত "অসম" আৰু কেৱল অহমকহে বুজাইছিল। দেশখনৰ চোৱা ২ কৈ সৌমাৰ, কামৰূপ, বেহাৰ, হেডম্ব আদি আছিল উচ্চৰণ কি আছিল জনা নাযায়।

শঙ্কৰ মাধৱৰ পিচৰ বংশাৱলী বিলাকত আহম ৰজাৰ ৰাজ্য খনৰ নামো "অসম" হয়; বানান কোনো পুথিত "অসম" কোনো পুথিত "অচম"। কোনো এখনত **"আচাম"** দেখাও অলপ ২ মনত পৰে।

ফাছি বুৰঞ্জী মতে দেশ খনৰ নামৰ উচ্চাৰণ **"অচম"**।

ইংৰাজ লেখক সকলৰো দেশখনৰ নামৰ উচ্চাৰণ "অচম" (assam) কিন্তু মাততো 'a' আখৰটোৱে অ আৰ আৰ মাজত উচ্চাৰণ ধৰে।

তিব্বত দেশৰ মায়-নন-নচ-দশা নামক (১২শ বছৰৰ বাহীৰ ৪ৰ্থ সংখ্যাৰ ১২৭ পিঠি) পুথিত এই দেশৰ নামৰ উচ্চাৰণ **অচং** (Ashong)।

৺হেমচন্দ্ৰ গোস্বামী সম্পাদিত দৰঙ্গৰাজ বংশাৱলী মতে অহম সকলৰ নাম "অসম" আৰু তেওঁলোকৰ ৰাজ্যখনৰ নামো "অসম" উচ্চাৰণ জনা নাযায়। কিন্তু সম্পাদকে কিতাপ খনৰ বানান শুধৰাইছে বুলি লেখিছে।

স্বৰ্গীয় হলিৰাম ঢেকিয়াল ফুকন ডাঙৰীয়াৰ বঙলা ভাষাৰ বুৰঞ্জীত বানান "আসাম"; বঙলা ভাষাত "আসাম"ৰ উচ্চাৰণ "আচাম" এই।

স্বৰ্গীয় আনন্দৰাম ঢেকীয়াল ফুকন ডাঙৰীয়াৰ "অসমীয়া লৰাৰ মিত্ৰ" নামৰ কিতাপত বানান "অসমীয়া" হব পায়, ভাল মনত নাই; কিন্তু উচ্চাৰণ **"অচমীয়া** লৰাৰ মিত্ৰ"।

স্বৰ্গীয় ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াই ঠাই বুজি "আসাম" আৰু "অসম" দুই ৰকমেই লেখি-

ছিল ; উচ্চাৰণ "**আচাম**" আৰু "**আচম**" কৰিছিল। ( আসাম বুৰঞ্জী )

স্বৰ্গীয় পানীন্দ্ৰনাথ গগৈ ডাঙৰীয়াৰ বানান "আসাম" আৰু "অসম" উচ্চাৰণ "**আচাম**" আৰু "**আচম**"।

স্বৰ্গীয় ৰায় বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়াৰ বানান "অসম" আৰু উচ্চাৰণ "**আচম**"। ( ৰামায়ণ )।

৺হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াই হেমকোষত 'স'ৰ অসমীয়া উচ্চাৰণেৰে "অসম" আৰু "অসমীয়া" মাতিবলৈ কয়।

**কিন্তু তেখেতে নিজে যে সেই মতে উচ্চাৰণ কৰিছিল, এনে মনে নধৰে।**

গাঁৱৰ ভূঞে লৰা বুঢ়া, সকলোৱে উচ্চাৰণ "অচম" আৰু **অচমীয়া**; কেৱল শিক্ষিত ডেকা সকলে সৰ অসমীয়া উচ্চাৰণেৰে "অসম" আৰু "অসমীয়া" কয়।

অসমত বাস কৰা বিদেশী সকলৰ উচ্চাৰণ "**আচম**" বা "**আচাম**"।

নামনিৰ মানুহে উজনিৰ বামুণ, কলিতা, কেওট, কোচ, অহম, চুতীয়া আদি সকলো মানুহকেই অহম বোলে।

এতিয়া ওপৰত কোৱা "অসম" শব্দৰ বুৰঞ্জীৰ পৰা আমাৰ মনে এইটোকে ধৰে যে, এই শব্দটোৰ প্ৰকৃত বাণন "অসম" আৰু উচ্চাৰণ "অচম" ; ইয়াৰপৰা ওলোৱা বিশেষণটোৰ বাণান "অসমীয়া" উচ্চাৰণ "**অচমীয়া**" বিদেশীৰ মুখত "আসাম" ( আচাম ) "আসামী" "আচামীজ" আদি হৈছে। নামনি অসম অহম ৰজাৰ (আচামী) তললৈ অহাৰ আগেয়ে ৰজাঘৰীয়া চিঠি পত্ৰ বা আন কাগজ পত্ৰ পঢ়াৰ সময়ত আৰ্য্যানীৰ লোক সকলে অসম শব্দটো সৰ অসমীয়া উচ্চাৰণেৰে পঢ়াত উজনিৰ সকলো মানুহেই অসম বা অহম হ'ল আৰু উজনিৰ লোক সকলেও ভাটিৰ মানুহে দিয়া নামটো উজনীয়া ৰাজবংশী সকলক দিবলৈ বাধ্য হৈ দেশখনৰ আৰু বাসিন্দা সকলৰ নামৰ প্ৰকৃত বাণান "অসম" আৰু 'অসমীয়া" আৰু প্ৰকৃত উচ্চাৰণ **অচম ও "অচমীয়া কে ৰাখিলে।"** আজি কালিৰ শিক্ষিত ডেকা সকলে হেমকোষৰ শিকনি মতে সৰ অসমীয়া উচ্চাৰণেৰে "অসম" "আসাম" আৰু "অসমীয়া" কয়। এইটো কিন্তু গমি চোৱা উচিত। এটা ভাষাৰ ন অভিধান এখন লেখা কিমান টান কাম। এই হেন অভিধান এখন লেখি স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়া চেপাবলৈকে নাথাকিল। একোখন সাধাৰণ কিতাপৰে কত তাঙ্গৰণলৈকে ভুল সংশোধনী কাগজ দেখিবলৈ পোৱা যায়। ভাষা এটাৰ ন অভিধান খনত যে ভুল নাথাকিব ই একেবাৰেই অসম্ভৱ আৰু হয়তো চকুতে বহুত ভুল চকুত পৰেও। তেখেত চেপাৰ সময়ত বা ২য় তাঙ্গৰণৰ সময়ত থকাহেতেন হেমকোষৰ ... বা কিমান লৰিগলহেতেন কোনে জানে? সেই হেতুকে হেমকোষৰ শিকনিকে সাৰোগত নকৰি পুৰণি পৰম্পৰা যেনে চলি আহিছে ( লেখাত "অসম" আৰু উচ্চাৰণত "অচম" ) সেই মতেই চলা উচিত।

অহম সকলৰ পূৰ্ব্বৰ ঠাই মুংৰিমুংৰাওৰ সংস্কৃত নাম 'অশ্ম' ; সেইকালৰ পৰা বৈ অহা দিহিং নৈ খনৰ এটা সংস্কৃত নাম সেই দেখি অশ্মৱতী। অহম সকল এই অশ্মৰ পৰা আহিছিল দেখি ইয়াত নাম অশ্ম পৰা; কিন্তু অসমীয়াৰ মুখত ইমান টান উচ্চাৰণ নাহে; কুৰুলীয়া উচ্চাৰণৰ নিমিত্তে অশ্মৰ ঠাইত অসম ( অচম ) হ'ল, যেনে ভস্মধূলাৰ ঠাইত ভসম ধূলা ( ভচমধূলা ), স্নেহ সেনেহ ( চেনেহ ), ভক্ত ভকত ইত্যাদি। সিবিলাকৰ ৰাজ্যখনৰ অসমীয়া পুৰণি লেখক সকলে শ আৰু স ৰ বিভিন্নতা বৰ কম কৈ হে নামো অসম ( অচম ) হৈ বাসিন্দা বিলাকৰ নাম অসমীয়া ( অচমীয়া ) হৈছে। এই লেখকে "পুৰণি আসামত ভুমুকি" নামেৰে দীঘল প্ৰবন্ধ এটি লেখি ১৮ বছৰৰ আগেয়েই এই অসম নামৰ মূলটো ৰাজ্যৰ আগত উলিয়াই দেখুৱাইছিল। এই ১৮ বছৰো এই লেখকে পুৰণি পুথি পাঁজি অসমীয়া অচৰণ চাই আছে আৰু সেই ধাৰণা কম নহৈ বাঢ়িহে হব লাগিছে।

যদিহে "পুৰণি আসামত ভুমুকিৰ" যুক্তি মানি নোলোৱা যেন ভবা যায়, তেন্তে পূৰ্ব্বাপৰ যেনেকৈ বানান অসম আৰু উচ্চাৰণ **অচম** হৈ চলি আহিছে, সেই মতে চলি থাকিবলৈ দিয়াটো নিতান্তই দৰকাৰ। হেমকোষে দি কৃত্ৰিম উপায়েৰে শব্দটোৰ উচ্চাৰণ সলনি কৰি শ্ৰুতিকটুৰ যোগাবান প্ৰস্তুতকাৰী সকলৰ বাটত ভেটা দিয়া একেবাৰে গৰ্হিত। একেটা শব্দৰ পৰা কিমান পুৰণি তথ্য ওলাব পাৰে কোনে জানে? দীপিকাচন্দৰ একেটা "তেৰিজ" শব্দই দেখোন্ গোটেইখন কিতাপকে জালত পেলাবলৈ ধৰিছিল।

শ্ৰীৰজনীকুমাৰ পদ্মপতি—

৩০ ৭-২৯

* অসমীয়া পুৰণি লেখক সকলে শ আৰু স ৰ বিভিন্নতা বৰ কম কৈ হে ৰাখিছিল।



---

# অসমীয়া সাহিত্যৰ প্ৰকৃতি আৰু তাৰ বুৰঞ্জীত্বৰ আভাস।

( আগৰ সংখ্যাৰ পিচৰ পৰা )

আগৰ অকুতী কবিতা কেইফাকিয়ে এটা ভাবৰ আভাস দিলে মাথোন। প্ৰকাশৰ ক্ষমতা তাৰ নেথাকিলেও মম-বেদনাৰ পাত্ৰ হোৱাৰ যোগ্যতা তাৰ আছে। দুখৰ কাৰণে জাতীয়তাক সি চুব পৰা নাই, কিন্তু কবিতাত তাৰ সেই বেদনা সাৰ্থক হৈছে। এই জাতীয়তাক বহুতে বৈশিষ্ট্য বুলি ভাবে। এই দুটা কথা বস্তুতঃ একাৰ্থ বোধক নহয়। অসমত বৰষুণ সৰহ, প্ৰকৃতিৰ উজ্জ্বলতাও সৰহ, সেই বুলি বাৰিষাৰ কবি 'শেলি' আৰু 'অৰ'ৰা বৰিয়ালিচ'ৰ লগত কেৰ মাৰিব পৰা কবি আৰু সৌন্দৰ্য্য অসমত কিমান সৰহ? দেশৰ পাৰিপাৰ্শ্বিক অৱস্থা, আদৰ্শ বা সংস্কাৰ ব্যৱহাৰিক কথা। সাহিত্যিকে যেতিয়া আত্মপ্ৰকাশ কৰে এই বোৰৰ সীমা পাৰ হৈ তেওঁ নিখিলত পায়। নিখিলৰ জাতীয়তাই তেওঁৰ জাতীয়তা। সেই ব্যৱহাৰগত কথাবোৰৰ ভিতৰেদি মানুহৰ যি প্ৰকৃতি ফুটি উঠে সি সেই মানুহৰ বা জাতিৰ বৈশিষ্ট্য। এই বৈশিষ্ট্য অপৰিবৰ্ত্তনীয় বা চিৰন্তন নহয়। অসমীয়াৰ যি প্ৰকৃতি সেয়ে অসমীয়াৰ বৈশিষ্ট্য। এই প্ৰকৃতি যদি অসমীয়াৰ পৰিবৰ্ত্তিত হৈ আহিছে বৈশিষ্ট্যবো তেনে ঘটিব। বাহিৰৰ মানুহে আগেয়ে জানিছিল যে অসমীয়া হাবিয়লীয়া, অসমীয়া ভেমপুৰীয়া, অসমীয়াৰ মুখত মঠুৰা পাগ, কিন্তু তেওঁৰ এই হাবিৰ সম্পদ—নৈ, পৰ্ব্বত, কাঠনি, খেৰণিৰ মহিমা, ভোগৰ ক্ষেম, অভিজাতৰ গৰ্ব, সভ্যতাৰ যন্ত্ৰ-পাতি, বণিক ৰাজশক্তি আৰু ডিমক্ৰেচিয়ে ক্ৰমে ধ্বংশ কৰি আনিছে। জাতিৰ ঘটনা-বৈচিত্ৰ্যৰ প্ৰভাৱত জাতিৰ আৰু জাতিৰ সাহিত্যৰ কাৰণে কি বস্তু গৌন হৈ আছে তাক আমি পিচত জানিম। এই প্ৰভাৱ যেতিয়া জাতিৰ গাত জীন যাব তেতিয়া জাতিৰ প্ৰকৃতি বৰ্ত্তমানতকৈ নিশ্চয় বহুত সুকীয়া হব। অসমীয়াৰ যি কবিয়ে তৰৰি বনত চকুলো সৰা দেখে, তেওঁ আজি তাত নাগ-মাটিৰ গুড়িৰে কঠিন চৰণৰ সংঘৰ্ষণ দেখিব।

নাহৰ-কুলো ফুলিব, বতাহেও তাৰ গোন্ধ বোকোচাত উৰাই নিব, কিন্তু ইঞ্জনৰ ধোৱাৰ গোন্ধে তাৰ মাজতে নিজৰ প্ৰবল আধিপত্য স্থাপন কৰিব। অনুভূতিৰ লগত বাস্তৱৰ এই যে সানমিহলি, ইয়াৰ কাৰণ সেই 'ৰমাণ্টিক' যুগৰ সাধকৰ বিফলতা। মুঠতে এই যুগৰ সাহিত্যই বহিৰ্জগতৰ সকলো সীমা অতিক্ৰম কৰি যাব। এই সাহিত্যৰ লীলা চলিব অন্তৰ-জগত ব্যাপি। জাতিৰ জীৱনৰ একোটা ঘটনাই সাহিত্যৰ ৰূপ শলাই দিয়ে কাৰণেই যুৰোপৰ মহাযুদ্ধত ইংৰাজী সাহিত্যৰ যি পৰিণতি ভাৰত-বৰ্ষৰ অসহযোগ আন্দোলনতো ভাৰতবৰ্ষীয়ৰ সাহিত্যৰ সেই একে ধৰণৰ পৰিণতি। মহাযুদ্ধত যেনেকৈ হৰ্ম্ম্য ধূলিসাৎ হল, ৰাজমুকুট খহিল, মাকে পুতেকক, ঘৈণীয়েকে গিৰীয়েকক হেৰুৱালে আৰু যেনেকৈ বলছেভিজিমৰ শাসনত ৰুচিয়াৰ ৰাজ-পৰিয়াল বাটৰ ভিকহু হ'ল, সেইদৰে ভাৰত-বৰ্ষৰো জীৱন এইদৰে আজি আন্দোলিত। এই ধুমুহা চলিছে, আৰু তাৰ চোৱে মুহূৰ্ত্তে মুহূৰ্ত্তে আমাৰ জীৱনত খুণ্ডিয়াইছেহি।

জ্ঞান সাহিত্য অৰণ্যে মানুহৰ প্ৰয়োজনীয় সকলো বিষয়ৰ অনুশীলন কৰিবৰ কাৰণে ব্যৱহৃত। কিন্তু নীতি, ধৰ্ম্ম আৰু ঈশ্বৰ বাস্তৱ সাহিত্যই নিজৰ পৰীক্ষাগাৰলৈ সুমাই আনিলে। সম্ভৱতঃ তাত কি সত্য আছে তাকো পৰীক্ষা কৰিবলৈ। এই সত্যানুসন্ধিৎসা অৰণ্যে সকলো সাহিত্যৰ মিলন কেন্দ্ৰ।

মানুহৰ মত, সমস্যা আৰু বুদ্ধিবৃত্তি যিমান জটিল আৰু কঠোৰ হৈ আহিল, ভাষাৰ প্ৰকৃতিয়ো ক্ৰমে তেনে হৈ আহিল, কাৰণ মানুহৰ প্ৰকৃতিৰ লগত ভাষাৰ প্ৰকৃতি অমিল হোৱা অসম্ভৱ।

বাস্তৱ-সাহিত্যৰ মূল বুদ্ধি আৰু যুক্তি, জ্ঞান-সাহিত্যৰো সেই। আদৰ্শ সাহিত্যৰ মূল কল্পনা আৰু অনুভূতি। সাহিত্যৰ বাস্তৱ ভাগক লৈ বুদ্ধিমান সকল ব্যস্ত থাকক কিন্তু যি সকল ভিন্ন বুদ্ধিৰ সেই সকলে এটি বিশেষ সাহিত্যৰ সান্নিধ্য নকৰি নোৱাৰে কাৰণ লোহাৰ ওচৰত চুম্বক থাকিলে লোহাৰ বুদ্ধি ভিন্ন হৈ যায়।

জাতীয়তাতকৈ মহত্তৰ সত্য ব্যক্তিত্ব। এই সাহিত্যৰ প্ৰকৃতি ব্যক্তিত্বৰে যিমান বুজিব পাৰি আন অৱস্থা লাভ কৰিব নোৱাৰি। দল বান্ধি সাহিত্যক বুজিবলৈ যোৱাত বা জনমতেৰে সাহিত্যিকক অভিনন্দিত কৰিবলৈ যোৱাত এই কাৰণেই কৈতৱ আৰু অসাৰ। যি বুজিব বা যি কৰিব সি দলসৃষ্টি বা মত সৃষ্টিৰ বহু পূৰ্ব্বেই সেইবোৰ কৰিব। এই ব্যক্তিত্বৰ প্ৰকাশ সকলোৰে নঘটিলেও এই ব্যক্তিত্ব সকলোৰে আছে। এই ব্যক্তিত্ব যদিও আত্মাৰ, যদিও শাশ্বত বিশ্বাত্মাৰ সৈতে সি স্বৰূপতে একে তথাপি সি অকলশৰীয়া, তথাপি তাৰ ধ্যানতেই মানুহে ভূমাক দেখে।

এই কাৰণে অকলশৰে বহি অসমীয়া সাহিত্যৰ দি প্ৰকৃতি মই ভাল বুলি ক'ম, বহুতে হয়তো সেইবোৰ ভাল নুবুলিব বা তাৰ বিৰুদ্ধবাদী হ'ব। ইয়াৰ বাবে কোঢ়াল কৰি লাভ নাই। এজনৰ ভাল লাগিলেই আন এজনৰো যে ভাল লাগিব তাৰ একো অৰ্থ নাই।

সাহিত্য সভাৰ ৰভাৰ তলত বহি সাহিত্য উপভোগ কৰাতকৈ কোনোবাই যদি লুইতৰ চাপৰিত বহি বাঁহৰ লগত, চৰাইৰ লগত, মুকলি আকাশ আৰু বতাহৰ লগত সৰহ সাহিত্য উপভোগ কৰে সেইটো তাৰ দোষ নহয়। সাহিত্য সভা চাবৰ বা সজাবৰ উপযোগী কৰি ঈশ্বৰে তাক বঞ্চিত কৰা নাই। সাহিত্যৰ অধিষ্ঠাত্ৰী দেৱীৰ আহ্বান চৰাইৰ মাততনে হাৰ্ম্মনিয়মৰ মাতত সি নেশুনিব পাৰে, কিন্তু ছবি, বনানি, বতাহ, পথাৰ, বদ আৰু চৰাইৰ মাতে তাক আকৰ্ষণ কৰে অধিক। সভা সজাবৰ কাৰণে ঈশ্বৰে যি গুণীলোকক ভাৰ দিছে তেওঁ নিজৰ আঙুলিৰ নিজৰ দিঙ্গিত সাহিত্যৰ সকলো মহিমা অনুভৱ কৰিব, লুইতৰ বহল চাপৰি তেওঁৰ অনাৱশ্যক। চিকাৰ কৰিবৰ কাৰণে আৱশ্যক হলেও তাত তেওঁ কোনো সাহিত্যিক ধুৰন্ধৰৰ অভিভাষণ নুশুনে।

আদৰ্শ হওক, বাস্তৱ হওক অসমীয়া সাহিত্য তত্ত্ব সম্পদেৰে ভৰপূৰ। যি সকলে তত্ত্বৰ আনুকূল্য কৰে বা বিশেষ সাহিত্যৰ সান্নিধ্য কৰে, সেই সকলে এই সম্পদৰ মহিমা অনুভৱ কৰিব। (ক্ৰমশঃ)।

---

# ওকালতিৰ কথা।

লৰ্ড ৰেডিং ( Lord Reading ) শুৰ ৰজাৰ কেচ্মেণ্টৰ ( Sir Roger Casement ) গোচৰ শোধোতে জুৰি ( Jury ) মহোদয় সকলক আইন-ব্যৱসায়ীৰ কৰ্ত্তব্য বুজাইছিল। তেওঁ কৈছিল যে অতি দোষোৰ দোষী মানুহেও ব্যৱসায় জীবীৰ সাহায্য আৰু উপদেশ পাব পাৰে। শুৰ ৰজাৰৰ দৰে ৰাজদ্ৰোহী মানুহেও ব্যৱসায়-জীবীৰ সাহায্য পাবৰ উপযুক্ত। লৰ্ড আৰ্সকিন (Erskine) এজন ডাঙৰ বিচাৰপতি, ডাঙৰ ব্যাৰিষ্টাৰ ডাঙৰ বক্তা আছিল। তেওঁৰ জীৱনী বিচিত্ৰ। সেই বিষয়ে পাচত কম। তেওঁ ১৭৯২ খৃষ্টাব্দত টমাচ পেইন্ ( Thomas Paine ) বুলি সেইখিনি সময়ত নাম-জ্বলা অথচ সেইখিনি সময়ত "মানুহৰ অধিকাৰ" ( That Rights of man ) বুলি এখন কিতাপ লেখাৰ বাবে জগৰীয়া মানুহৰ ফালে ব্যাৰিষ্টৰ হোৱাৰ নিমিত্তে তেওঁ সেইখিনি সময়ত মানুহৰ অপ্ৰিয় হৈছিল। কিন্তু আৰ্সকিনে তেওঁৰ হাতত লোৱা কাম পুৰুষসিংহ হৈ নিৰ্ভয়ে কৰি গৈ আছিল। Howell's state trials ত এই বিষয় পোৱা যায় আৰু তেওঁ ব্যাৰিষ্টাৰৰ কৰ্ত্তব্য বিষয়ে বক্তৃতাত কি কৈছিল তাক তলত তুলি দিলোঁ। ইয়াৰ অসমীয়া ভাঙনি নিদিওঁ, কিয়নো ইংৰাজী ভাষাত এই কথা বোৰৰ যি তেজ আছে, যি গম্ভীৰতা আছে, মোৰ অসমীয়াত সিমানখিনি তেজ বা গম্ভীৰতা নেথাকিব, সেই দেখি সেই কাম কেৰিত নৈ হাত নিদিওঁ। আৰ্সকিনক বহুত ইংৰাজে সেই দিনি সময়ত বাটে ঘাটে, ঘৰত বাহিৰত যতে ততে গালিপাৰি ইতিকিং কৰিছিল। তেওঁৰ কি উত্তৰ শুনক "Little, indeed, did they know me, who thought that such calumnies would influence my conduct. I will for ever, at all hazards, assert the dignity, independence, and integrity of the English Bar ( মই কওঁ এনে কথা আমাৰ উকীল সকলেও যেন সাহেৰে কয়, "English" ৰ ঠাইত "Indian" বহুৱাই ) ; Without which, impartial justice, the most valuable part of the English Constitution can have no existence. From the moment that any advocate can be permitted to say that he will or will not stand between the Crown the subject arraigned in the daily practice from that moment the liberties of England are at an end. If the advocate refuses to defend, from what he may think of the charge or of the defence, he assumes the character of the judge ; nay, he assumes it before the hour of judgment ; in proportion to his rank and reputation, puts the heavy influence of perhaps a mistaken opinion in to the scale against the accused in whose favour the benevolent principle of English law makes all presumptions and which commands the very judge to be his counsel."

এতিয়া চাওক। উকীল কি ব্যাৰিষ্টাৰৰ কৰ্ত্তব্য হৈছে যে বিচাৰাধীন মানুহক তেওঁলোকে সাহায্য কৰে। অৱশ্যে টকা লৈ। কিন্তু ব্যাৰিষ্টৰে আগেয়ে, অতি পুৰণি দিনত টকা নলৈইছিল। সেইগুণে এতিয়ালৈকে এই নিয়ম চলি আহিছে যে ব্যাৰিষ্টৰে "ফীৰ" নিমিত্তে মোকৰ্দ্দমা কৰিব নোৱাৰে। কিন্তু ভয় নাই, উকীলে পাৰে।

এটি বৰ দুখৰ কথা মানুহে ভাবে যে উকীল হ'লেই মিছা কথা ক'ব লাগে। এই কথা ফেৰি একেবাৰে মিছা। যি মিছা কথা কয় সি মিছা কথা কবয়েই। সেই মানুহটি উকীলেই হওক নহলে আন কোনো ব্যৱসায়ৰ কিম্বা কামৰেই হওক। উকীলৰ কাম বৰ ডাঙৰ, মহৎ। উকীল মক্কেলৰ দাস হব পাৰে। কিন্তু তেওঁ আদালতৰো মিত্ৰ। এব্ৰাহাম লিংকন্‌ৰ ( Abraham Lincoln ) নাম নুশুনা শিক্ষিত মানুহ নাই। তেওঁ ব্যৱসায়জীৱী আছিল। সৰু বয়সৰ কথা কোৱা নাই, সৰু বয়সত তেওঁ দুখীয়া আছিল। কিন্তু নিজৰ অধ্যবসায়ৰ বলত তেওঁ তেওঁৰ দেশৰ গণ্যমান্য এজন মানুহ হ'ল। ডাঙৰ ব্যৱহাৰজীৱী হল। মুখিয়াল হ'ল। তাৰ পাচত তেওঁৰ গোটেই ৰাজ্যৰ প্ৰজা-প্ৰতিনিধি ( President ) হ'ল। এই প্ৰজা-প্ৰতিনিধি হোৱা মানে আমাৰ ভাষাত ৰজা তাক নকলেও হব। তেওঁ এবাৰ এখন আদালতত প্ৰথমে পদকীয়াৰ পক্ষ হৈ হাজিৰ হোৱাত তেওঁ এনেকৈ কৈছিল। এই খিনি অসমীয়াত

লেখোঁ। অৱশ্যে এই বোৰ কথা লেখি মই মৌলিক লেখকৰ শাৰীত বহিব খোজা নাই, মই গোটাইছোহে মাথোন। গোটাই যিখিনি ভাল লাগিছে তাকে আপোনা-সকলক দিছোঁ। মোৰ নিজৰ কোনখিনি, পৰৰ কোন-খিনি চতুৰ পাঠকে নিশ্চয়ে গম পাব। কিন্তু নিজৰ নহলেও পৰৰে নিজৰ কৰি আৰু সেই বিষয়ে স্বীকাৰ কৰি আপোনাসকলক আইনৰ বাতাৰ অলপ দিওঁ। কোনো কোনোৱে ক'ব পাৰে যে এই বোৰ কিতাপতে আছে দেখোন্। আমিও দেখোন্ পঢ়িব পাৰোঁ। গোটেঁ সকলোৱে কিতাপ পঢ়িবলৈ আৰু নেপায়, এব্রাহাম লিংকনে এই বুলি আদালতক ক'লে (কেবাবছৰ আগেয়ে শুনিছিলোঁ যে এজন অসমীয়া উকীলে এখন আসামৰ নগৰত ওকালতি আৰম্ভ কৰাত সেই দেশৰ মানুহে, বিশেষকৈ অসমীয়াই, কৈছিল "ওঁ, এওঁ উকীল হব আহে, মাতেই নাই।" এই বুলি নিজৰ দেশৰ উকীলক সম্ভাষণ কৰিছিল। কিন্তু এই বোৰ গাঁৱলীয়া মানুহে ভাবে যে উকীল হ'লেই মেঞ্চ চপৰিয়াব লাগে। হাকিমৰ কাষে চাই হাঁহি কথা কব লাগে আৰু অলপ চিঞৰ-বাখৰ কৰিব লাগে। তেনেহলে অৱশ্যে নিৰুপায়। কিন্তু শুব বাস বিহাৰী ঘোষেও চিঞৰ-বাখৰ নকৰিছিল; তেওঁ দেখোন্ ৰাস বিহাৰী "ঘোষ" হ'ল। আৰু এই নিমাতী মানুহ জনেও শুনা গৈছে যে আসামত ডাঙৰ কিবা বোলে নাম থৈ গৈছে।) তেওঁ কলে, "এই আদালতত মোৰ এয়ে প্ৰথম মোকৰ্দ্দমা। সেই দেখি মই এই মোকৰ্দ্দমাৰ বিষয়ে বহুত পঢ়িছোঁ। ইয়াৰ কাকতাদি পঢ়ি আৰু বহুত কিতাপ পঢ়ি মই দেখিছোঁ যে মোৰ পক্ষৰ কোনো কথাই নাই। মোৰ বিপক্ষে কিন্তু বহুত কথা পাইছোঁ। সেই বোৰ মই তাকে কৈ মোৰ যি ধনৰ আছে তাকে কৰোঁ।" এতিয়া এজন অসমীয়া উকীলে যদি এনে কথা কোনো আদালতত কলেহেতেন, কি হ'ল জানো কব নোৱাৰোঁ। কবলৈ অলপ ভয় থাওঁ। কিন্তু যুক্ত ৰাজ্যত সেই দিনাৰে পৰা Abrahan Lincoln নাম, যশ, বাঢ়িল তেওঁ Abrahan Lincoln হ'ল। উকীল হলেই মিছলীয়া হ'ব নেলাগে।

ৰোমীয় আইনমতে ৰোমীয় আইনৰো অতি পুৰণি দিনত আইন ব্যৱসায়ীয়ে একো "ফী" লব নোৱাৰিছিল। "ফী" লোৱা ঋগৰৰ আছিল। পাচত লাহে লাহে সেই নিষেধ নোবোৱা হ'ল। আমাৰ দেশত ব্ৰাহ্মণ সকলে শাস্ত্ৰ ব্যাখ্যা কৰা আৰু শাস্ত্ৰৰ নিয়ম মতে ব্যৱস্থা দিয়াৰ বিষয়ে তো সকলোৱে জানে।

বঙ্গ দেশত যেতিয়া নতুন সুপ্ৰীম কোৰ্টৰ (Supreme court হাইকোৰ্টৰ অগ্ৰজ) সৃষ্টি হ'ল তেতিয়া শাস্ত্ৰ পণ্ডিত সকলক ইংৰাজ জজৰ লগত বহি শাস্ত্ৰ ব্যাখ্যা কৰাৰ কথা এতিয়াৰ মানুহে নেজানিলে জনা ভাল। তেওঁলোকক জজ, পণ্ডিত কোৱা হৈছিল। তেওঁলোকে হিন্দুব্যৱহাৰ শাস্ত্ৰ জানিছিল—ইংৰাজ জজ বিলাকে তেতিয়া নেজানিছিল।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা

আৰ্ল ল কলেজ।

# "পুৰনি অসম সুমৰি আত্ম-শোক!" *

আতঙ্কত অধীৰ মনৰ গতি অতি
কিমান যেলায় ভাব কি দিম তুলনা!

যেন প্ৰলয়ৰ ঘোৰ মহা তৰঙ্গিত
তীব্ৰ অন্ধকাৰ প্ৰায় তৰধ নয়ন;

* "দ্বাদশ সম্মিলনত পঠিত স্বৰূপে গৃহীত হৈছিল"।



স্তব্ধ গতি স্পন্দ হীন প্ৰত্যঙ্গ সকল
শিৰাৰি হাহিছে! আসামৰ নৰ-নাৰী,
অকৰ্ম্মণ্য কাণ্ড-জ্ঞান হীন অভাজন!
'কি কাম কৰিছে' বুলি ভীম গৰ্জ্জনেৰে
সুমৰি আপোন কৰ্ম্ম কাণত বাজিছে;
তাক শুনি অজ্ঞান বিবুদ্ধি কত জন
কত জনে হায়! শোক অশ্ৰু হাহাকাৰ
শতধা বিদীৰ্ণ কৰি পৰাণ হৃদয়,
কান্দিছে! আসাম বাসী নাই সীমা তাৰ।

আসাম প্ৰদেশ জুৰি অহৰহ ঘোৰ।
উঠিছে—সৌ চিতাধুম দিগন্ত বিয়াপি
অন্ধকাৰ কৰি হিয়াকাশ জ্ঞান-চক্ষু;
ধৰে চাঁদি, নোৱাৰি সহিব আৰু তাক
অনুতাপে কৰে দাহ মনৰ অগনি,
অসুৰ, কছাৰি আৰু কোচ, আহোমৰ
দেববংশী মহাতেজা ৰজাধিৰজাৰ,
ৰাম, সৰস্বতী আদি কবি চূড়ামণি
শঙ্কৰ মাধৱ, আৰু দেৱদামোদৰ
হায় ৰে! আনন্দৰাম হেমচন্দ্ৰ বুলি
লম্বোদৰ, মাণিক আদি সুযোগ্য সন্তান,
জন্মভূমি আসামৰ কেনি গলা হায়?

বিলাপি কান্দিছে কত জনে শোকাতুৰ
গুটি গুটি কৰি খহিল নক্ষত্ৰ পুঞ্জ
ভাগ্য আকাশৰ, বাকী আছে ছায়াপথ
নগন্য মেঘৰ খণ্ড-ক্ষুদ্ৰ বাষ্প-কণা!
আসাম গৌৰৱ ৰবি লুকাল আগতে
উত্তপ্ত পৰাণ আজি শাঁত কৰে কোনে
কোন আছে জননীৰ যথাৰ্থ সন্তান?
বহে মাত্ৰ নেত্ৰ-নীৰ ব্ৰহ্মপুত্ৰ নদী
পেটুক পশুৰ দৰে ভীৰু সন্তানৰ!

তাতে আৰু বন্ধুহীন বিপদ সহায়,
কোনো নাই দুখিনীৰ মুখ জুৰাবৰ;
যিবা দুটি আছে থাকী লৰা বা ছোৱালী
অকৰ্ম্মণ্য জ্ঞান হীন কেছুৱাৰ দৰে;

অলস বিলাস প্ৰিয় উশৃঙ্খল আৰু
উদ্ধত সুকৰ্ম্ম শূন্য ধন-কড়ি হীন
ধৰ্ম্মবীৰ কৰ্ম্মবীৰ মৃত সকলৰ
যথাযোগ্য অনুসাৰে উপহাৰে স'তে
প্ৰেত-শ্ৰাদ্ধ কৰিবলৈ নেপায় সম্বল!

কোলাহল কৰে পিণ্ডগ্ৰাসী সুৰ দেশী
পাশ্চাত্য সকলে! ভোজ! শ্ৰাদ্ধ কৰে কোনে?
উত্তপ্ত শোনিত নাই, কৰোঁতো তৰ্পন।

কিহেৰেনো হব তৃপ্ত প্ৰেতাত্মা সকল,
কোনে আজি তুষ্ট কৰি কৰিব বিদায়
পিণ্ডগ্ৰাসী শ্ৰাদ্ধ-ভোজী বন্ধু সকলক,

শ্ৰীদেবেন্দ্ৰনাথ চক্ৰবৰ্ত্তী,

যোৰহাট, তৰাজান,

# সাহিত্যত বিহু।

বিলাতী সাহিত্যত চালচ্ ডিকেন্সৰ লেখাত সম্ভৱতঃ বিলাতী-বীহু ক্ৰিষ্ট্মাচ্ অমৰ হৈছে। এই উছৱৰ চিত্ৰটো ডিকেন্সৰ সাহিত্যত যিমান পূৰ্ণ আৰু প্ৰকৃত আনৰ লেখাত সিমান নহয়। অসমীয়া সাহিত্যতো বিহুৰ বিষয়ে লেখা পদ্য, প্ৰবন্ধ, গীত বা নাটৰ অন্ত নাই। এইবোৰ লেখাৰ ভিতৰেদি সাহিত্যত বিহু কিমান প্ৰকৃত হৈ পৰিছে তাক চোৱাৰ দিন আজি আহিল। বহুতে কয় আৰু বহুতে ভাবে যে

জীৱনৰ লগত সাহিত্যৰ সম্বন্ধ কম, কাৰণ জীৱনত যিটো কথা সত্য, বাস্তৱ, সাহিত্যত সেই কথাটো হয় অনিত্য নহয় এটা সোণোৱালী কল্পনা তাৰ পৰিপূৰক। সাহিত্যৰ এই যুগ আঁতৰিছে। কঠোৰ সত্য আৰু বাস্তৱতাক সাহিত্যই ৰূপ দিব লগিয়া আৰু সাহিত্যৰ স্বৰূপটো বাস্তৱ আৰু সত্যক লৈয়েই পৰিপূৰ্ণ হৈ উঠিব লাগিব, নহলে আজিৰ সাহিত্যৰ যুগ-ধৰ্ম্মই তাক নেমানিব। এই কাৰণেই বিহুৰ বুৰঞ্জীটো আজি আমাৰ আলোচ্য আৰু কাৰ লেখাত এই বিহুতো প্ৰকৃত তাৰো বুজ-লব-লগীয়া হৈছে।

ডিকেন্সৰ লগত বেজবৰুৱাৰ বহুত বিষয়ত মিল আছে। ডিকেন্সৰ ক্ৰিষ্টমাচৰ বিষয়ে লেখা নভেলবোৰ মানুহৰ কাৰণে উৎসৱময়। বেজবৰুৱাৰো বিহুৰ বিষয়ৰ লেখা বোৰ সেইদৰে। 'দেউতাৰ পদূলিত গোন্ধাইছে মধুৰি, কেতেকী মলেমলাই ঐ গোবিন্দাই ৰাম'ক ঘোষা পাতি 'নতুন বছৰটিক নতুন কল্পটিক আদৰে যেনেকৈ শাহ ঐ' ইত্যাদি ৰচনা পদ কৰি ন-বছৰক আদৰা আৰু বিহুক বৰ্ণোৱা গীতটোৰে আপোন ক্ষমতাৰে বাবু বিজয় ভূষণ ঘোষ চৌধুৰীৰ 'ৰঙলা আসাম' প্ৰসঙ্গত বিহুৰ প্ৰকৃত প্ৰতীক 'চিম্বল্ বা সম্বল ৰূপে ঠাই লভিছে। অসমীয়াৰ চিম্বল্' বা সম্বল যে সম্বল পুৰতহে তাক আজি কোনো গুপ্ত সাহিত্যিকে মুচ কৰিব নোৱাৰে। বেজবৰুৱাৰ সাহিত্যৰ যিটো ৰূপ সেইটো অসমীয়াৰ, বেজবৰুৱাৰ বিহুৰ যিটো ৰূপ সেইটো অসমীয়াৰ। এই ৰূপটো কালৰ বুকুত কিমান সময় জুবি থাকিব তাক সময় আৰু কালৰ গৰাকীয়েহে জানে।

তথাপি যেতিয়া জীৱণ লৈ মানুহৰ আলোড়না হল, বাস্তৱ বৰ্ত্তমানকো যেতিয়া মানুহে অস্বীকাৰ কৰিব খুখুজিলে এই ৰূপৰ সীমা এটা নিৰ্দ্দিষ্ট ৰেখাত সীমাবদ্ধ হৈ গল। অহঙ্কাৰ বা বিশেষত্ব জাহিৰ কৰিবৰ কাৰণে এইষাৰ কথা কোৱা নাই ; প্ৰকৃততে প্ৰকৃতিস্থ হৈ অনুভৱ কৰিহে এই কথা কোৱা হৈছে। বিহুৰ বিষয়ে সাহিত্যিকে যি লেখে তেওঁ তেওঁৰ জীৱনত সেইবোৰ পালন কৰেনে ? খুব সম্ভৱ নকৰে, আৰু বাস্তৱিকতে নকৰেও। বাৰু, মই বহমথুৰিৰে ওঁঠ বোলোৱা কথা লেখিলো, এজন বিহুৰ আনন্দত মতলীয়া কৰি। যেন এইটো অসমীয়া জাতীয়তা। কিন্তু কামত মই সেই জাতীয়তা পৰিহাৰ কৰি চলিলোঁ। ঠেঙা, কোট, টুপী পিন্ধি ফটিক... মই বিহুৱা ডাঙৰীয়াৰ মূৰত গামোচা কাণত ... আঁৰি চুহাতে চপৰিয়াই বজোৱা আৰু এটা ঢোল... 'লটিপং' নাচোন নচা এটা চিত্ৰ আঁকিলো বা ... লগতে আৰু কেইটামান ডেকা নটুৱাও আঁকিলোঁ... যাৰ কঁকালত মাথোন এখন ঠোৰমৰা চুৰিয়া, ... একোটা টকা আৰু যাৰ মনবোৰ বিহুৰ ... পাই উছাহত উড়োঁ উড়োঁ। মোৰ এই চিত্ৰটো ... বুলি শলাগ লওঁতাই অসমীয়াৰ দ গাওঁলৈকে ... সোমাই যাওক তেওঁ তাৰ জীৱন্ত জাগ্ৰত প্ৰতিচ্ছবি যদি কোনোবা জগতত দেখে তেওঁ যেন তাৰ ... 'স্নেপ শ্চট্' লয় ; কিন্তু তেওঁ বিফল হব। মোৰ চিত্ৰটো কল্পনাত মনোময় বা আদৰ্শত মনোজ্ঞ হলেও বাস্তৱ সি ভুলময়। মানুহৰ সাজ-পোছাকৰ বিষয়ত গাঁৱৰো ... বিলাতী সভ্যতাৰ যুঁজ লাগিছে। এই যুঁজত ... জিকিল, কিন্তু মানুহৰ মন যি মাথোন ... বা সমস্যাৰ গোলাম তাক স্বাধীন কৰা পানীত ... মানুহক নিতিতো কৰিব খোজাৰ নিচিনা আমি খোৱাৰ ... সলাইছো, আমি তিতিছো, আমাৰ মনৰ গতি বেলেগ ... হৈছে। এইবোৰৰ ফলত বিহুৰ ৰূপ আমাৰ মনত ... হব লগীয়া হৈছে। এই ৰূপে যেতিয়া এটা নিজা ... বা প্ৰকৃত গঢ় লবগৈ আৰু আমাৰ পানীত ... তিতি-বুৰি শিকাৰো এটা মীমাংসা হৈ যাব, তেতিয়া হয় আমি আগৰ ৰূপটো পাহৰিম নহয় এটা ন-ৰূপ আমাৰ মনত ঠাই লব। যদি আমি সাহিত্যতো চিৰকাল ভণ্ডামি কৰি থাকোঁ আগৰ ৰূপটোৰেই সদাই আমাৰ মনোজ্ঞ হৈ থাকিব পাৰে যদিও ছুছবি বিহুনাচ, ৰঙঁ... আৰু পচিথেলে নিজৰ বাস্তৱিক সত্য হেৰুৱাই অতীত ... নিদি হৈ পৰিব।

এইবোৰ লেখাৰ মানে এইটো নহয় যে আমি ... গাত বিহু লাগিছে বা আমি বিহু-পদিয়া হৈ ...



... খাই ভাল পোৱা বিহু-পিঠা সাহিত্যত নাই পোৱা ... এনে হব লগীয়া হৈছে। বৰবৰুৱাই চ'তৰ ... পৰি এদিন এনে পিঠাখাবলৈ অৱশ্যে ভাষাত ... নেপাই পৰশুৰাম কুণ্ডটো খুৰলি, ব্ৰহ্মপুত্ৰখন ... হাতীমূৰা আৰু কামাখ্যাপৰ্ব্বতটো কটৰা আৰু ... ষ্টেট, বেলৰেখন গৱৰ্ণমেণ্টক খুজি মাগি লৈ ... কৰি অসমীয়াখনক অসমখনেৰে সৈতে এখ-... খুলি নান্দহগুৰি কৰি, দেৱ গঞ্জা কেৰি-গুৰ ... কিনি আনি খাই থব খুজিছিল। ... বিস্ত আছিল ৰক্ষা। আজি গান্ধীৰ ... বিহুত ডেকালি কৰিব খোজা ডেকানবাই ... দেখিব লাগিছে ! কিমধি কমিতি।

বৰ্ত্তমানৰ বিহুৰ বৰ্ণনা গতানুগতিক। যেনে, জাৰ গল ... আহিল, মলয়া বলে, গছে কুঁহিপাত মেলিলে, ফুল ..., বং ধেমালি আৰু পিঠা-পনা চলিল, ন-বছৰৰ ... খুওৱা বুওৱা বন্ধু-বান্ধৱৰ ভিতৰত সংঘটিত হল, ... ইত্যাদি। বৰ্ণাওঁতাৰ ঘৰত লাগিলে গোড়োৰ ... পুৰি আৰু ভজাৰ পিঠিত উঠিয়েই তেওঁৰ ... পাৰহৈ গল। বিহুৰ বুৰঞ্জীটোও বহুতৰ মুখে ... যথা :— সূৰ্য্যৰ বিষুব-ৰেখা অতিক্ৰম কৰাৰ লগত ... ৰাখি এই বিহুৰউৎপত্তি। ভাৰতবৰ্ষ'ৰ বা তথা প্ৰাগজ্যোতিষপুৰৰ পুৰণি সভ্যতাৰ লগত অসমীয়াৰ ... এই বিহু শব্দটোৱে আজিও জীয়াই ৰাখিছে। সাহিত্যত বিহুৰ চিন যি সকলে ৰাখিছে সেই সকলে ... এটা জাতীয়তাৰ গঢ় দিছে। এই জাতীয়তা ... সকলৰ কাৰণে নিৰ্দ্দিষ্ট ৰূপত জাগে। তেনে আদৰ্শৰ পিচ লোৱা তেখেত সকলৰ গীত, সাধুকথা ... কবিতাত অসমীয়াৰ পুৰণি জীৱনৰ চিত্ৰটো জিলিকি ... আছে। বিহু পুৰাণৰ পৌৰাণিক যুগ এতিয়াও চলিছে। ... বৰদলৈৰ 'ৰঙ্গলী'ত সম্ভৱতঃ ভোগালি বিহুৰ চিত্ৰটো নিখুঁত হৈ আছে, কিন্তু স্নেহলতা ভট্টাচাৰ্য্যৰ 'আমাৰ ... তাৰ বিকৃতি ঘটিল। সাধু কথা লেখোঁতা সকলৰ ... নকুলচন্দ্ৰ ভূঞা আৰু লক্ষ্মীনাথ ফুকনে বিহুক ..., অৱলম্বণ কৰি নহয়, ভাবেমান সাধু লেখিছে। নকুলচন্দ্ৰ ভূঞাই হয়তো মিৰি নাৰৰীয়াৰ কতুৱাই গোৱাইছে 'ৰঙালি ঐ টঙালি ঐ বহাগৰ বিহুৰে ধেমালি ঐ' পেপা সুৰত বিহুৰ চেও বা নাচনীৰ মুখত বিহু নাম দিছে। লক্ষ্মীনাথ ফুকনৰ বিহুৱে অসমীয়া মধ্যবিত্ত মানুহৰ অৰ্থাৎ বাগিছাৰ কেৰেণী মহৰীৰ জীৱনত বিহুৰ ছা কেনেকৈ পৰে তাক আঁকিছে। তেওঁবিলাকে তেওঁবিলাকৰ সৃষ্টিৰ ভিতৰেদি যিমানেই বিহুৰ চিনাকি দিয়ক তেওঁ-বিলাকৰ উদ্দেশ্য নতা-তিৰুতাৰ সফল বা অসফল প্ৰেম বা ডেকা-ডেকেৰীৰ বৈধ বা অবৈধ প্ৰণয়ক 'ৰঙিন্' কৰি ৰূপায়িত কৰাহে, যাতে দৰ্শকে চমক্ খায়, 'বাহবা' দিয়ে। 'প্ৰেমৰ' বিষয়ে যি গল্প লেখে তেওঁ—বৰ ডাঙৰ ডাঙৰকৈ চিত্ৰবিয়েই লেখে—হাঁহিৰ বিষয়ে লেখোঁতায়ো নিজক এজন ডাঙৰ 'হাঁহিৰাম' বুলি জগতত প্ৰচাৰ কৰি লেখে কিন্তু যথাৰ্থ প্ৰেম বা হাঁহি বোলা বস্তু তেওঁবিলাকৰ ধনিষ্ঠামানো নেথাকে। সৰহ ভাগ গল্প লেখাকৰ গল্পৰ মানুহবোৰৰ জগৎ স্বকীয়া। তেওঁৰ বিহুবোৰো সেই ; গতিকে, তেওঁবিলাকক লগত লৈ আমি কি বিহু খাম। ওন্দোলাই খোৱা বতৰত বিহু নাম এটা যেনে :—

'বতাহ বৰষুণে ওন্দোলাই আনিছে
দেউতা ঐ, আমাক নথবা ৰাখি।

এই বিহুনাম, বিহু-গীত, হুঁছৰিৰ উঠা নাম আৰু বেজবৰুৱাক লগত লৈয়েই আমি সাহিত্যত বিহুক উপ-ভোগ কৰি থাকিম, কেইবা শতিকালৈকে। এইবোৰেই আৰু যাইকৈ বেজবৰুৱাৰ বিহু সাহিত্য আমাৰ কাৰণে বড়গছ। সংসাৰৰ তপত, দীঘল আৰু বেঁকাবেঁকি আলি-বাটত বাটকুৰি বাই গৈ ভাগৰ লাগিলে এই বৰগছৰে চেচা ছাত আমি খন্তেক আসন পাতি বহি জুৰ লব পাৰিম। একমাত্ৰ বিহুক বিহুৰ বাবে, বা বিহুক অৱ-লম্বণ কৰি গল্প লেখিছে যদি লেখিছে অসমীয়াৰ ডিকেন্স্ বেজবৰুৱাইহে আৰু তাকে সৰ্ব্বাঙ্গিণ ৰূপে ওথ আৰু ৰসাত্মক ৰূপে। বেজবৰুৱাৰ বিহু সাহিত্যই এহাতুদীয়া ভাৱে মানুহৰ হৃদয়ৰ সকলো সীমা স্পৰ্শ কৰি যায় তথাপি তাৰ সৰ্ব্ব প্ৰধান গঁৱিলা কল্পনা। সম্বল পুৰত পেঁপা নেবাজে, বাজিলেও 'কোহোকলি'ৰ সুৰত নেবাজে।

আনন্দ-ৰসেই যদি সাহিত্যৰ একমাত্ৰ ৰস নহয় তেনে কাৰুণ্যৰো ঠাই তাত আছে। তেনে দুখীয়া মানুহ আৰু পতিতৰ ভিতৰত ঘটিত হোৱা বিহুৰ মৰ্ম্মভেদী ৰূপ আমি সাহিত্যত আজিলৈকে নেপালোঁ।

পদ্মনাথ বৰুৱাই কবিতাত বিহুৰ কথা এইদৰে লেখিছে :—

'সভ্যতা ভেমত পাহৰি গৈছিলোঁ বাঙলী বিহুৰ ছবি।'
'বেন্ বাদ্য শুনি কুশুনা হৈছিলোঁ নহাগী টকাৰ মাত।'

সূৰ্য্যকুমাৰ ভূঞাই লেখিছে :—

'আজি আনন্দৰ ৰাসলীলা
জীৱনৰ যমুনা পাৰত।'
'আজি বিয়াকুল অসমীয়া
দেৱবাণী শিৰোধাৰ্য্য কৰি।

পদ্মধৰ চলিহাই গীতত বিহুক গাইছে :—

লই নৱ সাজ নৱ বৰষৰ,
হৰি অনঙ্গৰ চোকা ফুলশৰ,
ঢোল পেপা খোল টকা তাল লই
আহাঁ বিহুৱান ৰঙ্গালি।'

বেজবৰুৱাৰো আগৈয়ে উল্লেখ কৰা গীতত এই দৰে আছে :—

টকা পেপা ঢোল গীতৰ উঠে ৰোল
নাচে বিহু ঐ বিহুৱা কাই।'

অসমীয়াৰ বিহুৰ বাদ্য ধ্বনি তেওঁৰ এই শাৰীত নিৰ্খুঁত:—

টক্ টক্ টকাই পোঁ পোঁ পেপাই
ধুম্ ধুম্ ঢোলৰে মাত।
খুম্ খুম্ তালেৰে চট্ চট্ হাতেৰে'
ইত্যাদি, ইত্যাদি।

ইয়াৰ লগতে বেথায়ে কালি যুজোঁৱা, গঞাই মহযুঁজ পতা, বোৱাৰী জীয়ৰীয়ে চিৰা-পিঠা খুওা, আলহীলৈ বুলি পীৰা পৰা, আৰু আমৰ মলেৰে মিলি জুলি অহা কুলিৰো বা-বতৰা আছে।

এই সকলোবোৰ চিত্ৰ অসমীয়াৰ জাতীয়তাত নিহি... বেজবৰুৱাৰ 'বুঢ়া বিহু ডাঙৰীয়া'ৰ কল্পনাটো যদি 'ফাদা... ক্ৰিষ্টমাচ'ৰ আহিত, তথাপি সেই সৃষ্টিত অসমীয়াৰ নিজা... ছাব মোহৰ আছে। বিলাতী লৰাছোৱালীৰ মানত... 'ফাদাৰ ক্ৰিচমাচ' যেনে অসমীয়া লৰা-ছোৱালীৰ মন... বিহুৱা-ডাঙৰীয়া তেনে নহয়। ইয়াৰ কাৰণ তেওঁ সিহঁত... পিঠা-পনা বা বিস্কুট-লটাৰ বোজা বান্ধি ৰূপৰ ... সিহঁতক দেখা দিবলৈ আহিম বুলি শুভুককিয়ায়। ... মোনা এটাত যদি কিছুমান কেতেকী ফুল, ধেঁতোৰ... পকা ঠেৰেজু কাতি লৰা ছোৱালীৰ ঘৰ শিতানত ... থৈ ৰাতিপুৱা সিহঁতক আচৰিত খুৱাবৰ কাৰবাৰ ... কোনোবাই কৰে 'বিহুৱা ডাঙৰীয়া'ৰ আগমনৰ বতৰা... অসমত ঘোষণা কৰিবলৈ সৰহ শ্ৰম নেলাগে। লৰাছোৱালী... বোৰে 'লিগ্' এটা 'ফৰ্ম' কৰি এই বিষয়ে ... কুৰং কাবাং কৰিলেই 'বিহুৱা ডাঙৰীয়া'ৰ সঁচাসঁচিকৈ... আবিৰ্ভাৱ ঘটিব। এইবোৰ বিজাতীয় অনুকৰণ হলে... আমাৰ জাতীয়তাত খাপ খাই পৰিব, তাক জাতি... পাৰি। কাৰণ বিহুৱা-ডাঙৰীয়াক সৃজন কৰোঁতা... সাহিত্যৰ চতুৰানন; বিশ্বামিত্ৰ নহয়। কোনোবা এজন... সম্ভৱতঃ 'বিহুৱা চৰাইৰো' সৃষ্টি কৰিছিল। যো... লেখিছিল :—

"বিহু বিহু কৰি বিহুৱা চৰায়ে
মাতিছে ডালৰ পৰা"।

এই বিহুৱা চৰাইকো আমি চকুৰে নেদেখোঁ, ... তাকো দেখা কৰা উচিত।

সাহিত্যত বিহুৰ আদৰ্শৰ সম্বন্ধটো যিমানেই ... নহওক জীৱনৰ লগত বিহুৰ সেই সম্বন্ধটো ... গৈছে। আৰু সেই দেখি জীৱনৰ লগতো সাহিত্য... সমন্ধ কম হৈছে। ১৯৩০ চনত প্ৰকৃততে বিহুক ... যিদৰে সমাদৰ কৰোঁ তাৰ চিত্ৰ আমাক লাগে ... তৎক্ষণাৎ আমাক মুগ্ধ কৰে বা বাস্তৱৰ লগত আমা... ঠেকাঠেকি খুৱাই আমাৰ হৃদয় আৰু মনক আলো... কৰি দিয়ে। সাহিত্য স্ৰষ্টাই আমাৰ নিমিত্তে যেতি...



এইবোৰ চিত্ৰ গঢ়িব তেতিয়াহে আমি নিজৰ পূৰ্ণতাৰ স্বৰূপ বুজিব পাৰিম। তেনেহলে ন-পথা বাটিবলৈ যদি আজি কলিকতাৰ পৰা কল এটা মগাই আনে তেওঁৰ হল বাঢ়িলেও পথাৰ ৰূপ সলনি হব আৰু কোনোবাই মটৰ গাড়ী এখন তেৰনীয়াকৈ লৈ দুৰণিৰ মিতিৰৰ ঘৰত বিহু খাবলৈ গৈ বাটৰ গজমুৰা বোকাত মটৰ সৰবিতে লাগি ধৰিলে বিহু খোৱাৰ আনন্দ নিৰানন্দত পৰিণত হব, যদিও তেওঁ মটৰ গাড়ীতে তুলি অনা চাহৰ সৰঞ্জাম, 'ষ্টভ' আৰু বিস্কুটৰ টিং তেতিয়া তেওঁৰ সদ্ব্যৱহাৰত লাগিব পাৰে। এতিয়া 'বিহু' বুলিলে আমি বুঢ়ী স্বৰ্গনাৰায়ণৰ মুলুকক বুজিব নালাগিব, বুজিব লাগিব 'জৰ্জ দি ফিফ্থ'ৰ মুলুক বুলিহে আৰু এতিয়াৰ এই বিহুত আমাৰ জীৱন কিমান আশান্বিত, আনন্দত বা ভয়গ্ৰস্ত তাক আমি চাব খোজোঁ। আমাৰ এই জীৱনৰ দুৰন্তীটো থৈ যাবৰ কাৰণে নহয়, আমাৰ কাৰণেই, আমাৰ প্ৰত্যক্ষ, জাগ্ৰত পৰি-দৃশ্যমান সত্যালোকৰ কাৰণেই, যি আমাৰ নিজৰ ঘটনা-বৈচিত্ৰ বা অভিজ্ঞতাৰেই ভৰা। এই কামৰ কাৰণে যি নামিব তেওঁ অসমীয়াৰ বৰ্ত্তমান অৱস্থা, আদৰ্শ, মনৰ গতি নিখুঁত ভাৱে জানিহে নামিব, জনদিয়েক সাধুকথা লেখোঁতাৰ দৰে কল্পনা লোকৰ, আমি বিচৰণ নকৰা জগতৰ অপ্ৰকৃত নায়ক-নায়িকাৰ ৰূপ বা প্ৰেমাবেগ জানি নহয়; আজিৰ মানুহৰ আনন্দ, আশা বা ভয়ক জানিহে। জাতিৰ জীৱনৰ দাপোন যদি আজি মলিন তেওঁ তাক নিকা কৰিব, মলি নছটিয়ায়। সেই দাপোন নিৰ্ম্মল আৰু স্বচ্ছ হৈ পৰিলে আমি তেতিয়া তাত নিজক পূৰ্ণৰূপে প্ৰতিফলিত দেখিম। ইমান প্ৰচণ্ড ক্ষমতাৰে যি সৃষ্টিকৰ্ত্তা অসমীয়াৰ কাৰণে আহিব তেওঁৰ আবিৰ্ভাৱ কামনা আমি প্ৰত্যেক বিহুতে কৰিম আৰু এইটোৱেই আমাৰ প্ৰত্যেক বিহুৰে সকলোলৈকে ডাঙৰ শুভ-ইচ্ছা হওক। যি সৃষ্টিকৰ্ত্তাৰ এনেকুৱা ডাঙৰ ক্ষমতা থকা স্বত্বেও তেওঁৰ মনৰ কেমেৰা'ত সদাই পুৰণি চিত্ৰ আৰু কেৱল আদৰ্শ আৰু কল্পনাৰহে তেওঁ সাধক তেওঁৰ বিহু-সাহিত্যৰ অষ্টনিধিৰ ভাণ্ডাৰৰ পৰা এটি সৰু মুকুতা মনি বুটলি আনি তাৰ ৰূপটি আজি চাব খোজোঁ। গীতটিৰ নাম বিহুৱান।

যদিও সাহিত্যত এইটো কথাই প্ৰধান নহয় যে আমাৰ বাস্তৱ জীৱনৰ ঘটনা বা সমস্যা যি লেখাৰ ভিতৰেদি অধিক সত্য হৈ প্ৰকাশিত হয় সেয়ে ওখ সৃষ্টি। সৃষ্টিৰ বিচাৰ প্ৰধানকৈ তাৰ ৰূপত, তাৰ কলাফলত বা সমস্যাৰ সমাধানত নহয়। কিন্তু পিচৰ বোৰত বুলি আমি ভ্ৰমত পৰোঁ আৰু এই ভ্ৰম কৰিয়েই সাহিত্যত প্ৰকৃতত্ত্ব নিবিশ বিচাৰি যাওঁ। অৱশ্যে এই তৰ্ক বা মত ভেদ এতিয়াও খণ্ডিত হৈছে বুলি কব নোৱাৰোঁ, যদিও হোৱা নাই তাক কৰাৰ ভাৰ পণ্ডিতৰহে। ডাৱৰ আমি দেখিছোঁ, চেৰাপুঞ্জিৰ দেশৰ প্ৰজা আমি, অন্ততঃ আমাৰ মানত ডাৱৰৰ উপমাটোহে সচৰাচৰ বৰকৈ জাগে। প্ৰকৃতিৰ এইবিধ বস্তুৰ উদ্দেশ্য বৰষুণ। এই ডাৱৰ বিশ্বপ্ৰকৃতিৰ সৃষ্টিৰ উপকৰণ। ডাৱৰৰ আকাৰ, বৰণ বা চলাচল হোৱাৰ ভঙ্গিমাত যি ৰূপ-সৃষ্টি সি বিশ্ব-সৃষ্টিৰ উপকৰণ নহয়, কিন্তু বৰষুণ সেই বিশ্ব-সৃষ্টিৰ উপকৰণ। খেতিয়ক আৰু সাহি-ত্যিকৰ এই খিনিতে দন্দ। ডাৱৰৰ লীলা দেখি খেতিয়কৰ চকু জুৰ নপৰে, পৰিব তেওঁৰ পথাৰ বৰষুণত শস্য শ্যামল হলে বা জেঠত তাত। পানীৰ ঢল বলে। সাহিত্যিকৰ চকুত নৱ জলধৰত। বিজুলী ৰেখাটিৰ সৃষ্টি ক্ষণিক আৰু অপূৰ্ব্ব। বিহুৰ উপমাও তেনে। বিহুৰ ৰূপটি সাহিত্যিকে ধৰি দিব তেওঁ সেই ৰূপৰ সৃষ্টি কৰি, কিন্তু জীৱনত, বাস্তৱত সেই ৰূপ কিমান সত্য বা সফল তেওঁ নাভাবে। সাহিত্যিকৰ এই 'মেণ্টেলিটি' নিভুল বুলি নেভাবোঁ। কিন্তু যিয়েই হওক এই কাৰণেই বিহুৰ উপকৰণ বা তাৰ উৎসৱবোৰ জীৱনৰ কাৰণে সাৰ্থকেই হওক বা অসাৰ্থকেই হওক তাৰ বিচাৰ সাহিত্যিকে নকৰে, তেওঁ কৰিব বিহুক উপলব্ধি কৰাৰ সাৰ্থকতা যি সাৰ্থকতাৰ চিন তেওঁৰ সৃষ্টিত এটা বিশেষ ৰূপত মূৰ্ত্ত হৈ উঠে। সাহিত্যিক সেই কাৰণে ৰূপকাৰ, ৰসিক বা স্ৰষ্টা। উদ্দেশ্য, ফলাফল বা গুনৰ কথা ভাবি তেওঁ মূৰ নঘমায়, তেওঁ প্ৰাণপাত কৰিব ৰূপৰ কথা ভাবি। কিন্তু আমি ভাবোঁ, এই ৰূপ লৈ আমি কি ধুই খাম। বিহু

যদি আমাৰ জীৱনৰে এটা অঙ্গ হয় তেনেহলে জীৱনক অস্বীকাৰ কৰি তাক লৈ আমি কি যজ্ঞ সাধিম? যি জীৱন মৰুভূমিত আমি কাল কটাইছোঁ 'যাৰ কালি সততে ধুৰঁলি-কুৰঁলিকৈ উড়ি ঠাই সলনা সলনি কৰি ফুৰিব লাগিছে'—তাত নিৰন্তৰ যি পৰিৱৰ্ত্তন তাৰ পৰিণামত বিহু-উৎসৱ 'ওৰেচিচ'ৰ ৰূপ আৰু লগে লগে সাহিত্যৰ ৰূপ সলনি হৈ গলেও বাস্তৱ বৰ্ত্তমান লগত যোগ নথাকিলেও ৰূপ অমৰ হৈ থাকিব যদি তাৰ সম্বন্ধ কেৱল আদৰ্শৰ লগত, এইটোৱেই যি বৰ কথা।

'কোন সৰগৰে বিহুৱা কোৱৰ ঐ
কোন সিপুৰীৰে বৰা
কোনে আঙুডালিলে কোনে নমাই দিলে
আদৰি আনিলে প্ৰজা॥

প্ৰজাই আদৰ সাদৰকৈ আগবঢ়াই অনা এই কোৱঁৰ জন কোন? অসমীয়াৰ কোৱঁৰ বহুত। ফুল কোৱঁৰ, জল কোৱঁৰ বাৰী কোৱঁৰৰ আৰম্ভ কৰি কোৱঁৰ, পুৰৰ অজলা কোৱঁৰলৈকে সকলো কোৱঁৰ। বিহুৰ আদি উৎসৱ কেতিয়া? বসন্তৰ প্ৰথম কুলিৰ মাততনে? অসমীয়াৰ প্ৰাণৰ ৰাজ্যলৈ এই বিহু উৎসৱৰ সোঁত যিদিনা প্ৰথম বৈ আহিল সেই দিনটো অসমীয়াৰ শ্ৰেষ্ঠ। কিন্তু সেই দিনৰ সম্ভেদ অসমীয়াই নেজানে। অসমীয়াক দক্ষ কৰা এই বিহুৱা কোৱঁৰ জন কোন? কোন সৰগৰ? আৰু কোনে নমাই দিলে? এইবোৰ প্ৰশ্নৰ অনন্ত জুমুৰি যাৰ উত্তৰ নাই। বাৰু প্ৰজাই আদৰ সাদৰকৈ আগবঢ়াই অনা এই বিহুৱা কোৱঁৰ জনে কৰিলে কি? তেওঁ কৰিলে:—

কেতেকী ফুলতে বেণু ভৰাই দিলা
গছতে মেলালা কুঁহি।
কুলিটিৰ ডিঙিটি নিমজ কৰি দিলা।
গাভৰুৰ ফুটালা হাঁহি।

মায়া! ভ্ৰান্ত! কাৰণ অকস্মাৎ প্ৰকৃতিৰ সলনি ঘটি গল। পকা, শুকান, বুঢ়া পাতৰ ঠাইত কোমল কুঁহিপাতে হাঁহিলে গাভৰুৰ হাঁহিৰ দৰে, নিৰ্মেঘ আকাশত মেঘোদয় হল, বৰষুণত নাম-গোন্ধ-নজনা পাতৰ মাজৰ পৰা, ঠালৰ মাজৰ পৰা অসংখ্য ফুলে, মলে, কলিয়ে বৰষুণ বতাহত নিজৰ সুৰভি এৰিলে। কুলিৰ ডিঙিটি নিমজ, কাৰণ মাতটি তাৰ চিকুণ! ডেকা-ডেকেৰীৰ জীৱনৰ ধৰ্ম্মৰ লগত প্ৰকৃতিৰ ধৰ্ম্ম মিলি গলত মিলনৰ হাঁহি সিহঁতৰ মুখত বিহুৱা কোৱঁৰ জাদুকৰে ফুটালে। তেওঁৰ এই জাদুক লক্ষ্য কৰি গোৱা হল:—

কিনো খেতৰ সাইজে জানানো কোৱঁৰ ঐ
কিনো খেতৰ সাইজে আনা,
পখিলাৰ পাখিটিত বন্দুলিৰ পাহিটিত
ধুনীয়া ৰহণ বোৰ সানা।
মকৰা মধাইকে ফুলালা জাংৰি
ধুতুৰাৰ মেলালা থুৰি,
ঢেপাইতিতাৰ দিলা কপালৰ তিলকটি
ভোমোৰাক ফুৰালা উড়ি।

স্ৰষ্টাৰ কল্পনাৰ হেন্দোলনিত ৰূপ যেন বতাহৰ দৰে হিল্লোলিত। কোৱঁৰ সৃষ্টিকৰ সঁচা, কিন্তু তেওঁৰ জো-সোণ যেন বৰণৰ ৰঙ্গুৱেন কোমল হাতৰ লগত কাম আৰু এখন হাত লগে লগে চলিছে, নামিছে, উঠিছে আৰু পৰিছে। তেওঁৰ হাতে ধুতুৰাক ফুলাব খুজিলে, কিন্তু শুকুলিল, যি শৰৎ কালৰ শৰৎ কোৱঁৰৰ কাৰণে বাট চাই ৰল। বাৰু, মলয়া বতাহে কি কৈছে শুনা। সেই মলয়া ফাগুন মাহৰ পৰা বোৱা মলয়া, ফাগুন মাহৰ চঞ্চল বাটকৰা যি লুইতৰ বগাবালি, ফটিক পানী ন-ফুল আৰু কুঁহি-পাতৰ সখি আৰু শুকান পাতৰ মুকুতি-দিওঁতা।

তোমাৰে লগত আহে ওপৰৰ মলয়া
লুইতৰ সুঁতিৰে বলে।

কাল্পনিক স্ৰষ্টাই ইয়াৰ পাচত আৰু এটি ভুল কৰি বহিল:—

তোমাৰে কাণতে পছমে দেলিটিক
মনৰে কথাটি কলে।

মিছা। শৰতকুৱঁৰী পদুমকুৱঁৰী পাহি সৰি খৰ্ব্ব পৰা বহুতদিন হল। 'জীৱন সন্ধিয়া'ৰ পিচত পদুকুৱঁৰীৰ 'দেহাৰ প্ৰণয়ো' ঘটি গল বসন্তত পদুম নাই বাৰিষা ওকণ্দি উঠা বিলৰ বুকুত পদুম কলিয়ে দেখা দিব, কিন্তু সেই সময়ত কদম-কলিয়েও মনৰ আনন্দত শিহৰি উঠিব। গতিকে দেলিয়ে কাক এৰি কাক প্ৰণয়ৰ প্ৰত্যুত্তৰ দিব।



কিন্তু যি হওক, শেষত বিহুৱা কোৱঁৰৰ বৰ সুন্দৰ অভ্যৰ্থনা। মন্দযোগী নহলে এই প্ৰলোভনে সকলোকে পৰমানন্দিত কৰিব:—

আঠা মোৰ কোৱঁৰ ঐ বহাঁ মোৰ কোৱঁৰ ঐ
থইছোঁ বৰ-পীৰা পাৰি।
সান্দহ চিৰা-পিঠা তিলৰ লাড়ু খোৱাঁ
সোনকালে নাযাবা এৰি।
কপৰে বটাতে থুৰীয়া তামোলে
ফুলাম পাটি থৈছোঁ শুৱা,
বিহু দিনাখন দৈ-পইতা খাই
বিছনিৰ বা লৈ যাবা।

এই মুকুতা মণিটিৰ মালিক অসমীয়াৰ চাৰ্লচ ডিকেন্স বেজবৰুৱাই এই বিহুক আৰু তাৰ সাহিত্যিক ৰূপটোক সাহিত্যত চিৰকাললৈ অমৰ কৰি গল।

শ্ৰীকমলেশ্বৰ চলিহা
চ'ত ১৮৫১

---

# পুনৰ্জ্জন্ম।

পুৰ্ণজন্ম বাদটো এটা বৰ চকুমকীয়া তত্ত্ব যি মানৱ হৃদয়ক চিৰকাল আকৰ্ষণ কৰি আহিছে আৰু কৰিব। পৃথিৱীৰ সৰহ ভাগ জাতিয়ে এই তত্ত্বক বিশ্বাস কৰে। মানৱী জীৱনৰ অসামঞ্জস্য বিলাক, খুটি নাটি বিলাক, দোষ গুণ বিলাক, দুখ চাপৰ হোৱাৰ কাৰণ বিলাক এই তত্ত্বই যি দৰে পৰিষ্কাৰকৈ বুজাব পাৰে অইন কোনো দিপৰীয়া বিদ্যা বা জ্ঞানে নোৱাৰে এই তত্ত্বৰ প্ৰধান মন্ত্ৰ হৈছে "যেনে গছ কৰা, তেনে ফল খাবা"। কাৰো ককালি কৰি তোমাৰ নিজ কামৰ ফল দাবিব নোৱাৰা। আজি কালিৰ, যিমানেই ডাঙৰ হওক, কোনো হাইকোৰ্টৰ ৰুলিঙে (ruling) এই মীমাংসাক ওফৰাবলৈ সাহ কৰিব নোৱাৰে। ই মানুহৰ ন্যায়বোধ (sense of justice) সন্তুষ্ট কৰে আৰু জীৱনৰ দুখ দুদিনক বুকু পাতি লবলৈ সাহ দিছে। কাৰণ সেইবিলাক আমাৰ প্ৰাপ্য। তদুপৰি ভবিষ্যতলৈ যাতে দুখ কষ্ট আৰু অনুতাপ নহয় তাৰ নিমিত্তে বৰ্ত্তমানত সদুপায়েৰে চলিবলৈ এটা প্ৰেৰণা দিয়ে। পুৰ্ণজন্ম টো কেৱল এটা দাৰ্শনিক মত বুলি উড়ুৱাই দিব নোৱাৰি। এতিয়াও বহুত মানুহ আছে যি নিজৰ পূৰ্ব্ব জন্ম মাজে মাজে ভালকৈ সোঁৱৰে। অষ্ট্ৰেলীয়া দেশৰ এজন পল্টনীয়া চাহাবে সৰুৰে-পৰা ইজীপ্ত দেশৰ কথা সুঁৱৰি সেই দেশ চাবলৈ ধাউতি কৰিছিল। যোৱা জৰ্ম্মান যুদ্ধত তেওঁ সেই দেশলৈ যাব লগাত পৰিল। গৈ দেখে যে আগৰ জন্মত দেখাতকৈ নিল নৈয়ে এতিয়া তাৰ সুঁতি ঠায়ে ঠায়ে সলালে। তেওঁ ইজীপ্ত দেশৰ কি ক'ত আছে এনে বহুত কথা সুঁৱৰি সুঁৱৰি কব পাৰিছিল। Filding Hall নামেৰে এজন উপন্যাস লিখোঁতাই এই সম্বন্ধে অনুসন্ধান কৰিপাইছিল যে ব্ৰহ্মদেশত বহুত লৰাই আগৰ জন্ম সুঁৱৰিব পাৰে।

জেনেভা নগৰৰ হেলেন্ স্মিথ্ নামেৰে এজন মানুহে মঙ্গল গ্ৰহত হোৱা পূৰ্ব্বৰ জন্ম সুঁৱৰি সেই গ্ৰহৰ অৱস্থা বৰ্ণনা কৰি বহুতক আচৰিত কৰিছিল। অকল সেয়ে নহয়, সেই গ্ৰহত চলা মাত কথা আৰু আখৰ বিলাক এখন কাগজত লেখি দিছিল। বিশেষজ্ঞ

বিলাকে পৰীক্ষা কৰি সেই কথা বোৰক ব্যাকৰণ যুক্ত এটা ভাষা বুলি কবলৈ বাধ্য হৈছিল। মনোবিৎ সকলে উত্তৰ দিয়ে যে কোনো মানুহে কেতিয়াবা তাৰপূৰ্ব্ব পুৰুষবিলাকৰ জীৱনত ঘটা ঘটনা বিলাক সুঁৱৰিব পাৰে। তাকে সি নিজৰ পূৰ্ব্ব জীৱনৰ বুলি ভাবে। অৰ্থাৎ এটা মানুহৰ পূৰ্ব্ব পুৰুষ বিলাকেই পূৰ্ব্ব জন্ম আৰু পো নাতি বিলাকেই পুনৰ্জ্জন্ম। বহুতে এই ব্যাখ্যা গ্ৰহণ নকৰে। দৈহিক মৃত্যুৰ পাচত আত্মাৰ সত্তা থাকে বুলি যিবিলাকে বিশ্বাস কৰে তেওঁ বিলাকৰ মাজত দুটা দল আছে। কিছুমানে ভাবে যে আত্মাৰ পুনৰ্জ্জন্ম নাই। সি অবিকৃত হৈ থাকে। কিছুমানে কয় আত্মাই পঞ্চভূতৰ লগত মিলি আকৌ জন্ম গ্ৰহন কৰে। চাৰ অলিভাৰ লজে ( Sir Oliver Lodge ) কয় যে মৃত্যুৰ পাচত আত্মা জীয়াই থকাৰ তেওঁ বহুত প্ৰমাণ আৰু সাক্ষ্য পাইছে আৰু সেই আত্মাই কেতিয়াবা কেতিয়াবা অইন জীবিত বস্তুৰ ওপৰত আধিপত্য চলোৱাৰো প্ৰমাণ পাইছে। কিন্তু এবাৰ দেহ চ্যুত হোৱা আত্মাই পুনৰ নতুন দেহ গঠন কৰাৰ একো প্ৰমাণ পোৱা নাই। আৰু বাস্তৱিকতে তেনে ঘটনা হলেও তাক ধৰা পেলোৱা অসম্ভৱ। দ্বিতীয় প্ৰশ্ন হৈছে, পুনৰ্জ্জন্মৰ উদ্দেশ্য কি? চাৰ অলিভাৰ লজ আৰু তেওঁৰ কিছুমান লগৰীয়াই ভাবে যে প্ৰত্যেক আত্মাৰ এটি ব্যক্তিত্ব ( individuality ) বা স্বভাৱ আছে সেই ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশ নহয় মানে পুনৰ্জ্জন্ম হৈ থাকে। দেহচ্যুত অৱস্থাত আত্মাই চাৰিওফালৰ পৰা নানা ভাব আৰু স্পন্দনৰ অধীন হয় কিন্তু দেহ যুক্ত হলে সেই আত্মাক শৰীৰে বাহিক নানা প্ৰভাৱৰ পৰা ৰক্ষা কৰে। গতিকে নিজৰ ব্যক্তিত্ব বিকাশ হবলৈ সুবিধা পায়। পাৰ্থিব জীৱনত আমি যিবোৰ কাম কৰোঁ সেই কামৰ প্ৰতিঘাত আমাৰ স্মৃতি পটত পৰে; তাৰ দ্বাৰাই আমাৰ স্বভাৱ গঠন হয়। স্মৃতি আৰু এই স্বভাৱ গোট খাই ব্যক্তিত্ব ( individuality ) হয়। কিন্তু আন কিছুমানৰ মতে ( আৰু সেইটো প্ৰায় সকলো হিন্দুৰ মত ) আমি এটা ডাঙৰ আত্মা সত্তাৰ অংশ মাত্ৰ। বাকী ডোখৰ কিন্তু হিন্দুৰবোৰ লগত নিমিলে। সেই বাকী ডোখৰ হৈছে, এই ডাঙৰ আত্মাৰ এক এক ক্ষুদ্ৰ অংশই পাৰ্থিব জন্ম গ্ৰহণ কৰি কিছুমান জ্ঞান উপাৰ্জ্জন কৰি নি আকৌ ডাঙৰ আত্মাক দিয়েগৈ। এইদৰে সেই ডাঙৰ আত্মা জ্ঞানৰ ভঁৰাল স্বৰূপ হৈছে। কেতিয়াবা তাৰ ডাঙৰ একো অংশ প্ৰতিভাপন্ন মানুহ হৈ ওপজে। জন্ম গ্ৰহন কৰা সৰু সৰু অংশ বোৰে নিজৰ ব্যক্তিত্ব ৰাখি থাকে আৰু পুনৰ্জ্জন্ম গ্ৰহন কৰি; জ্ঞান উপাৰ্জ্জন কৰি ডাঙৰ আত্মাত থই গৈ। এই মতটোক মৌ-বিছনীয়া মত বুলিলে বেয়া হবনে? প্ৰত্যেকটো আত্মা জানিব এটা মৌ মাখি, মৌ গোটাই নি ৰহ ঘৰতে থয়গৈ। Sir Oliver Lodge এ কয় "This doctrine I venture to think may be some approximation to truth" কিন্তু আমাৰ বোধেৰে আত্মাক ডাঙৰ সৰু কৰি ভাগ কৰাৰ পৰা এই মতটো দূষণীয় হৈছে। যদি 'ডাঙৰ' মানে দীঘে পুতলে ডাঙৰ তেনেহলে মতটো বুজিব পাৰি। এই মতে হলে ঈশ্বৰ নৌ অৰ্থো, এটিয়া সেকটৰীত পৰাপত লৈছেহে; কিছু কালৰ পাচত ওলাৰ।

---

# ফুলনি বাৰী।

## সংসাৰ ফুলনি।

ফুলিছিল কতফুল মোৰ ফুলনিত।
সৰি গল সকলোটি এটি এটি কৈ।
ফুলকা মনেৰে কথা সুঁৱৰি অতীত
কথমপি এপাহি গোলাপ আছে বৈ॥

চাপিছে সময়, সিয়ো, অলপতে তাৰ
ঠাৰি ছিগি, ভূতলত পৰিব বাগৰি।
ৰূপ গুণ সৌৰভ সকলো যাব মাৰ
জগতেও দুদিনতে পেলাব পাহৰি॥

যতনেৰে পতা মোৰ ফুলনি সপোন
লেৰেলি শুকালে! নাই কৰোঁতা আদৰ।
এটি এটি কৰি মোৰ সুহৃদ আপোন
গুচি গল ছিঙ্গিভাঙ্গি ডোল চেনেহৰ॥

আগফালে অন্ধকাৰ আহিছে ঘনাই।
অলপতে যাম মযো। ইহলোক সাৰি
মৰম চেনেহ যদি দূৰ হল, হায়,
মৰুতুল্য সংসাৰত থাকিব কি পাৰি?

শ্ৰীদেৱানন্দ ভৰালি।

## অৰ্থ।

উষাৰ সহস্ৰ ফুল
প্ৰতি উষাতেই
হাঁহি হাঁহি আহি পুনি
পাচি সৰি যায়;

নিশাৰ অজস্ৰ তৰা
প্ৰতি নিশাতেই
লাহে লাহে জলি পুনি
অলেখ নুমায়।

শব্দ আদি পঞ্চভূতে
এই পৃথিৱীৰ,
হাঁহি কান্দে জীৱনত
ব্যৰ্থ-কাম হৈ,

ভাবিছো সি ফুল, তৰা
জীৱৰ লগত
আছেনেকি কিবা এটা
অৰ্থ মাৰ গৈ?

শ্ৰীৰত্নকান্ত বৰকাকতি।

## অচিনাকি।

তুমি মোৰ উদাসীন লগৰীয়া এটি বাটকৰা
ক্ষমাৰ ঈশ্বৰ;
চলিছো একেটি বাটে যদিওবা তোমাৰ ধকৰা
অৰ্থ অনৰ্থৰ।

তোমাৰ হাতৰ হেৰা কোনোকালে নাই কৰা দাবী
ৰজত কাঞ্চন।
তুমিতো চলিছা কাটি সমুখৰ পৰৱত হানি
মই অকিঞ্চন॥

ধূলি হক, বালি হক, যি গঢ়িছোঁ নাই কৰা তাত
শক্তিৰ হুঙ্কাৰ;
প্ৰলয়ৰ অন্ধকাৰে নাই কৰা তাত ছায়াপাত
দুঃসহ শঙ্কাৰ।

জহত সি তৰুমূল, জাৰকালি সুৰুযৰ ভাতি
মোৰ, মোৰ বাবে;
তোমাৰ উজ্জ্বল দিন, নাই হেৰা নাই হোৱা ৰাতি,
তোমাক নেলাগে॥

বিছাৰি ফুৰিছোঁ যাক তেওঁ যদি দিয়ে দৰিশন
মূৰ্ত্তি এটি ধৰি,
হ.উত বাঁহীটি লই মৃদুহাস্য কৰি বৰিষণ
চিত্ত মোৰ হৰি,

সহজ প্ৰাৰ্থনা মোৰ থাকিব তেওঁত, এই এটি মাগোঁ,
দূৰ কৰা মায়া,
তোমাৰ চৰণ চিন্তি বৰণৰ মালা মই গাঁথো
ধৰা বিশ্ব কায়া॥

যিদিনা চিনাকী হব বিশ্ব-পিতা বিশ্ব-পুত্ৰ সতে
শুনিবা সঙ্গীত।
সেই দিনা ধৰণীৰ মৃত্তিকাৰ শূন্য-কুম্ভ ঘটে
ঢালিব অমৃত।

খোৰা, কণা, কৰি যাক চৰজিলে ক্ৰূৰ সংসাৰত
নিঠুৰ বিধিয়ে।
আনন্দৰ ৰশ্মি অৰ্পি ৰচি দিব সোনোৱালী ৰথ
সেই চিনাকিয়ে॥

শ্ৰীকমলেশ্বৰ চলিহা।

## নীৰৱ বীণা।

চাওঁতে চাওঁতে বীণা কিয় মোৰ
নীৰৱ হলি?
হৃদয়ৰ অত অকথিত বাণী, অগীত গান
সামৰি থলি।
কাক হেৰুৱাই কোন বিৰহত
মূৰ্চ্ছা গলি
বীণা কিয় মোৰ নীৰৱ হলি?

আজিও দেখোন
আগৰ দৰেই
জোন বেলি তৰা, সেউজীয়া ধৰা
উঠিছে জ্বলি,
বিশ্ব বীণাৰে সুৰত গলি ;—
বীণা কিয় মোৰ নীৰৱ হলি?

আজিও তো সেই
আগৰ দৰেই,
ছয়োটা ঋতুৰ অৰ্ঘ্য সজাই
পুষ্প পত্ৰ ধৰিছে ধৰাই
নিতৌ নতুন ৰহণ ঢালি।

বিশ্ব বীণাৰ কোনটো সুৰত
সুৰ হেৰুৱাই
বীণা মোৰ তই নীৰৱ হলি।
অকথিত বাণী অগীত গান।
সামৰি থলি
কোন বিৰহত মূৰ্চ্ছা গলি?
বীণা কিয় মোৰ নীৰৱ হলি?

শ্ৰীৰত্নকান্ত বৰকাকতি

## পখিলা।

দূৰলৈ নেযাবি পখিলা ধুনীয়া
থাক ওচৰতে উড়ি।
তোক চাই কথা পুৰণিকলীয়া
মনত পৰিছে ঘূৰি॥

পিতৃ গৃহৰ পবিত্ৰ ছবিটি
চাঁৎ কৈ মনত পৰে।
খেমালিৰ চলেৰে তোক যে ভনীটি
পাচে পাচে খেদি ধৰে।

পাখি ত্ৰখনিত বিচিত্ৰ বৰণ
কোন দেৱতাই দিলে।
তল ওপৰ তোৰ অপিৰ নাচোন
(মোৰ) ভাগ্যৰ কগত মিলে।



এখন্তেক মোৰ ওচৰতে থাক
ৰেহ ৰূপ চাওঁ তোৰ।
ক'ত পালি এনে ধুনীয়া পোছাক
ভাবিয়ে নেপাওঁ ওৰ॥

নহৰ পতঙ্গ নহৰ চৰাই
উড়ি ফুৰা এটি ফুল।
তুপতীয়া কৰি কৰা বিধতাই
কি যে কৰিলে ভুল!

শ্ৰীদেৱানন্দ ভৰালি।

---

# স্ত্ৰীজাতিৰ সমাজত ঠাই আৰু শিক্ষা

মনুষ্যজাতি বিধতাৰ সৃষ্টিৰ শ্ৰেষ্ঠ প্ৰাণী। বিধতাই তেওঁক নিজৰ গঢ়েৰে গঢ়িলে আৰু শাস্ত্ৰকাৰ সকলেও কয় যে জীবাত্মা পৰমাত্মাৰেই অংশ, পৰমাত্মাত লীন হোৱাই জীবাত্মাৰ সকলো সাধনাৰ মূল লক্ষ্য। সৃষ্টিৰ মূলতে প্ৰকৃতি, পৰিদৃশ্যমান প্ৰকৃতিৰ মাজতেই পুৰুষ ওতঃপ্ৰোত ভাবে অৰ্থাৎ কুঁহিয়াৰত গুড় বা পানীত লোণ থকাদৰে অন্তৰ্নিহিত বুলি দৰ্শনকাৰ সকলে কয়। সৃষ্টিৰ পাতনিতেই বিশ্ববিধতাই দুইঅংশে জীৱৰ আত্মাক ভাগ কৰি সৃষ্টিলীলা আৰু জীৱপ্ৰবাহ বংশপৰম্পৰাই চলিবৰ দিহা কৰি দিছে। সেই দেখি পুৰুষ স্ত্ৰী প্ৰত্যেকে অসম্পূৰ্ণ আৰু দুয়ো মিলিহে সম্পূৰ্ণ বুলিছে। সৃষ্টিৰ আদি কালৰে পৰা তাৰ সমানে আধা দুৰ্ব্বল আৰু অইন আধা বলী, টান বুলি ধৰি আহিছে তাৰ প্ৰমাণ আদি অকল মানৱ সমাজতেহে সম্প্ৰতি দেখুওৱা শক্তিৰ আলোচ্য। সৃষ্টিৰ অন্যান্য জীৱ স্বাভাবিক মনোবৃত্তিৰ ভিতৰতেহে সীমাবদ্ধ। আহাৰ, নিদ্ৰা, আত্মৰক্ষা, আৰু বংশৰক্ষা বা বংশবিস্তাৰ চেষ্টাত বাজে নিজৰ অৱস্থাৰ প্ৰাকৃতিক সীমা পাৰ হৈ লৰচৰ কৰিব পৰা ক্ষমতা সিহঁতৰ নাই। মানুহৰ প্ৰাকৃতিক মহাদান জ্ঞানৰ বলত অন্যান্য সৃষ্টি জীৱৰ ওপৰত শ্ৰেষ্ঠত্ব আৰু মানুহ মাত্ৰৰে অন্যৰ ওপৰত শ্ৰেষ্ঠত্ব লাভৰ সৰ্ব্বতোমুখী চেষ্টা প্ৰকৃতিগত স্বভাৱ, তাৰ ফলতেই জগতত কাব্য, কলা, দৰ্শন, বিজ্ঞান, অৰ্থশাস্ত্ৰ আৰু ধৰ্ম্মশাস্ত্ৰৰ সৃষ্টি।

মই কোন? ইয়াক বুজিবলৈ চেষ্টা আৰু সেই উপযোগী শিক্ষাকেইহে আচল শিক্ষাও বোলে। পিচে আবহমান কালৰ পৰা আজিলৈকে গোটেই জগতত যত শিক্ষা যত আন্দোলন তাত কেৱল পুৰুষৰেই জগতত প্ৰতিষ্ঠা লাভ আৰু প্ৰাধান্য স্থাপনৰ চেষ্টা দেখা গৈছে। পুৰুষৰ লগতে মাত্ৰ সাহায্যকাৰী স্বৰূপেৰে স্ত্ৰী জাতিৰ উল্লেখ কৰা হয়। তিৰোতাৰো ব্যক্তিগত ভাবে বা অকল স্ত্ৰী জাতিৰ স্বত্বস্থাপনৰ নিমিত্তে কেতিয়াবা কিবা এটা বিশেষ উন্নতিৰ চেষ্টা কৰা নেদেখি। অইন কি ধৰ্ম্মশাস্ত্ৰতো কৰ্ম্মফলত পুৰুষৰ এনে হয়, তেনে হয় ইত্যাদি উল্লেখ হে। পুৰুষক পৰিচৰ্য্যা নকৰিলে পুৰুষৰ কাৰ্য্যত সহায় নকৰিলে কি কি পাপ হব আৰু নৰকৰ কোন কোন ঠাইত কেনে নিকাৰ ভুঞ্জিব তাৰহে বিবৰণ। আত্মাৰ উন্নতি অৱনতিত কৰ্ম্মফলত তিৰোতাৰ বৰ লেখ নাই। এই উপেক্ষাৰ ভাব ভালকৈ মন কৰিলে সাংসাৰিক সকলো বিষয়তে গম ধৰিব পাৰি।

মানৱ সমাজত তেনেহলে নাৰীৰ নাৰীত্বনো ক'ত? নাৰীৰ প্ৰভাই পুৰুষৰ অন্তৰত জেউতি চৰায়, প্ৰতিভাত ৰহন আৰু পুৰুষৰ মানসিক বৃত্তিৰ ওপৰত এটা উদগনি দিয়ে। সৃষ্টি পুৰুষৰ, তিৰোতাৰ ভাৰ তাৰে লালন পালন। প্ৰতিভা আৰু স্থায়ী উদ্ভাৱনী শক্তি বেলেগ। উদ্ভাৱনী শক্তিৰ বিকাশ বহুদিনৰ স্বাধীন চিন্তা আৰু কঠোৰ সাধনাৰ ফল তাৰ মূৰত ("ন স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি") অৰ্থাৎ

গুৰিত তেওঁৰ মাতৃদেৱী লেটিটিয়া। সেই দৰে চাৰু গুৰু দাস বানাৰ্জ্জী আৰু ৺ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ ভবিষ্যৎ উন্নতিৰ বীজ মাকেহে সৰুকালতে হৃদয়ত ৰোপণ কৰিছিল, অসমীয়াত কয় "মাক ভালেই জীয়েক জাতি" এই দেখিয়েই বহুকালৰ আগেয়ে বঙ্গৰ কবিয়ে বৰ দুখেৰে নিজৰ মাতৃ কুলত জনাইছিল "না জাগিলে সব ভাৰত ললনা, এ ভাৰত বুজি জাগে না জাগে না।"

আমিও সেই মততে হয় ভৰ দি কওঁ যে, আমাৰ স্ত্ৰী জাতিৰ সজ শিক্ষা আৰু জাগৰণ নহলে আমাৰ ভবিষ্যৎ ঘুৰ্যোৰ আন্ধাৰ। স্ত্ৰী জাতিৰ উদ্বোধন নোহোৱালৈকে আমাৰ সভা সমিতিৰ বাহ্যিক আড়ম্বৰ সকলো মিছা।

নিৰলে বাহ্যিক আড়ম্বৰ এৰি দি ক্ৰমশঃ যাতে পুৰুষ কুলৰ অৰ্দ্ধাঙ্গিনী সহধৰ্ম্মচাৰিণী আদি নামৰ যথাৰ্থতে উপযুক্তা হব পাৰে, তাকে চেষ্টা কৰাহে স্ত্ৰী সমাজৰো উচিত। তাৰ কাৰণে নিজে যত্ন কৰা, নিজৰ আত্মীয়-বৰ্গক সৰলভাবে বুজাই নিজৰ উন্নতি পথ মুকলি কৰি লোৱা। পুৰুষৰ দৰে অনৰ্থক সভা সমিতি Conference, Council আদি পাতি বাহ্যিক আড়ম্বৰ কৰি প্ৰস্তাব কৰা, ৰচনা পাঠ কৰা, গান গোৱা, আৰু কিছুমান কাগজপত্ৰ লিখি কাগজ কলম আৰু সময়ৰ অপব্যৱহাৰ কৰি চেপাত মৰাই বিলালেই দেশৰ, সমাজৰ বা নিজৰ অৱস্থাৰ উন্নতি কৰিব পৰা নহব।

আমাৰ দেশৰ পুৰুষৰ ধৰফৰণিৰ মূলতে বিজেতৃ বিজিতৰ সংঘৰ। আমাৰ সকলো ধৰফৰণিয়ে সজাত থকা চৰাইৰ চট্‌ফট্‌নিৰ দৰে মুঠেই শৰীৰত অৱসাদ, আৰু মনত গ্লানিত বাজে একো সুফল ধৰাব নোৱাৰে। আমাৰ ললনা বা অবলাসকলৰ লগত আমাৰ সম্বন্ধ বিজেতৃ বিজিত বুলি ধৰিব নালাগে। পুৰুষ সমাজৰ প্ৰস্তাবাদি ৰাইজে বা ৰজাই সাদৰ বা অনাদৰ কৰাৰ গৰাকী। আমাৰ গৃহলক্ষ্মী সকলে কৰা প্ৰস্তাব গ্ৰহণ বা নাকচ কৰাৰ গৰাকী কৰলৈ গলে তেওঁবিলাক নিজেই। প্ৰত্যেক ঘৰৰে ঘৰ, সমাজ, লক্ষ্মী তেওঁবিলাক নিজেই। প্ৰত্যেক ঘৰৰে একোজনা গৃহিণী বা ঘৰৰ সকলোৰে গৰাকী। নিজে ভালকৈ গুৰি ধৰিলেই নাও ঠিক ঘাটত উঠিবগৈ।

অৱৰোধ প্ৰথাৰ বিষয়ে দুআষাৰমান লিখিয়েই আমাৰ বক্তব্যৰ সামৰণি মাৰিম।

অতি আদি কালৰ পৰা আজিলৈকে সকলো সভ্য দেশত স্ত্ৰী সমাজ দুই ৰকম। এবিধে পুৰুষৰ দৰে অবাধে ফুৰা চকা কৰে, কথাবাৰ্ত্তা হয়, কাৰো আগত বৰ ভয় আৰু সঙ্কোচ নকৰে। আৰু এক শ্ৰেণীয়ে গুৰুজন বা স্বামীপুত্ৰ আদি আত্মীয়ৰ লগতহে বহু সমাজলৈ অহা যোৱা কৰে; আৰু ঘৰে পৰে কথা বাৰ্ত্তায় সংযত। আমাৰ দেশতো পূৰ্ব্বৰ ৰাজকুমাৰী সকলৰে পৰা আৰম্ভ কৰি ভদ্ৰ শ্ৰেণীৰ সকলো তিৰোতাই নিজ নিজ অৱস্থা অনুসৰি যান বাহনাদিৰে এঠাইৰ পৰা আন ঠাইলৈ যোৱা-অহা প্ৰথা আছিল। মুখত সৰুকৈ জাপি লৈ বা ৰবজাপি ধৰাই ইঘৰে সিঘৰে অহা যোৱা কৰা নিয়মো বে-পৰদা বুলি নধৰিছিল। অইন কি যুদ্ধক্ষেত্ৰতো মূলাগাভৰু, ৰাধা ৰুক্মিণী আদিক দেখা পোৱা হৈছিল।

অৱৰোধ বোলোঁতে গোটেই গা ঢাকি মাত্ৰ দুটা উলিয়াই বাঞ্ছি-ছাটি ডাকত দিবলৈ নিয়া ডিঃ পাছেলটোৰ দৰে লৈ যোৱা প্ৰথা আমাৰ পূৰ্ব্বকাৰ প্ৰথা নহয়, আমি তাৰ পক্ষপাতীও নহওঁ। গৰু গাড়ীত অহ কালি দহমাইল দূৰলৈ এগৰাকী দেখা যাব লাগে লগত দুজনী জীয়াৰী দুটা নাতি, এটা চাকৰ, গাৰোৱান নেৰে সাতোটা প্ৰাণী; চাৰিহাত দীঘল আঢ়ৈহাত বহল গাড়ীৰ মাজ ডোখৰত পাঁচ, ছটি প্ৰাণী বহুৱাই তাৰ দুই মূৰ দুখন কম্বলৰ ঢাকনী দি নিয়াটো নিষ্ঠুৰ অৱৰোধ, তাক উঠাই দিয়াত হানি নাই। জীয়াৰী মাকৰ ঘৰলৈ আহি গাড়ীৰ পৰা নামি বাটৰ পৰা ঘৰলৈ দুই নল যাব লাগে তাত দুইদাঁতিয়ে দুখন কাপোৰ ধৰি তাৰ মাজে মাজে চাপৰি যাব লগা প্ৰথাও আমাৰ দেশৰ প্ৰথা নহয় এতিয়াও তাক অতিৰঞ্জিত প্ৰথা বুলিব লাগে।

ৰেল জাহাজত তুলিবলৈ নিওঁতে গাড়ীৰে ৰেল গাড়ীৰ দুৱাৰ মুখলৈকে নি ধৰাধৰি কৰি মাল বোজাই কৰাৰ দৰে গাড়ীত তিৰোতা তুলি দিয়া নিয়মকো নিষ্ঠুৰ অৱৰোধ বুলিব লাগে। তাৰ পৰা স্বাস্থ্যৰ হানি মনৰ সঙ্কোচ



আৰু দেখা শুনা জ্ঞান বুলি যে এটা আছে তাৰ পৰা স্ত্ৰী জাতিক বঞ্চিত কৰা হয়। এই অৱৰোধৰ দোষতেই আমাৰ দেশৰ ভিতৰত থকা তিৰুতাই নাতিয়েকৰ বয়সৰ পুৰুষ দেখিলেও কথা কবলৈ কোঁচ খায়, মুনিহ নালাগে ভাল সাজ পিন্ধি ওলাই সোমাই ফুৰা বিলাতী আদি বিদেশী তিৰুতা দেখিলেও ওৰণী দীঘলাই লয়, তাৰ ভয়তে কুৰিতে বুঢ়ীও হয়। ৰেলগাড়ী, জাহাজ, মটৰ, ঘোৰাগাড়ী আদিত ফুৰাচকা কৰোঁতে মুকলি মুখেৰে বা কম মাত্ৰাৰে ওৰণী অৰ্থাৎ মুখত কাপোৰ লৈ গছ-গছনি, ঘৰ-দুৱাৰ, মানুহ, প্ৰাকৃতিক সৌন্দৰ্য্য এই বিলাকত চকু দিবলৈ সুবিধা দিয়াটো বে-পৰদা বা মৰ্য্যাদা নথকাৰ চিন নহয়।

এইবুলি একেবাৰেই ওৰণীও উঠাই দি অকলশৰে পাশ্চাত্যদেশৰ বা ভাৰতৰে অন্যান্য দেশৰ ইতৰ শ্ৰেণীৰ মহিলা সকলৰ দৰে ফুৰি পুৰুষৰ দৰে জীৱন যাত্ৰা চলাওঁ, এনেকুৱা আগবাঢ়িবও নালাগে। সামাজিক নানা উৎসৱ বা বহুলোকৰ সমাগম হোৱা অনেক ঠাইলৈ বন্ধুবৰ্গৰ লগত আমাৰ দেশৰ কোনো কোনো শ্ৰেণীৰ গাভৰু তিৰুতা অহা-যোৱা কৰে। অনেকে মন কৰিব পায়, অশিক্ষিত হে নালাগে শিক্ষিত নামধাৰী কোনো কোনো পুৰুষে সেইবিলাক তিৰুতাক দেখি অশ্লীল ভাব-ভঙ্গী আৰু কুৰুচিপূৰ্ণ সমালোচনা কৰে। নিজৰ মাতৃ-ভগিনীৰ সন্মান ৰক্ষা কৰা যেনে নিজৰ কৰ্ত্তব্য, লোকৰো তেনে। তাৰ ঠাইত পাহৰি কু-ৰসিকতা কৰি নিজৰ পশুবৃত্তিৰ প্ৰাবল্যৰ চিনাকি দিয়ে আৰু আনন্দ বোধ কৰে। কিন্তু যেতিয়ালৈকে আমাৰ দেশত পুৰুষ স্ত্ৰী দুয়ো সুৰুচিপূৰ্ণ সুশিক্ষিত নহব, আত্মসন্মান জ্ঞান নহব আৰু আমাৰ মাতৃ ভগিনীসকলে নিজৰ পুত্ৰ-ভাতৃ, স্বামী আদি পুৰুষ কুলৰ অন্তৰত তেওঁ-বিলাকৰ মাতৃ জাতিলৈ সন্মান জন্মাই দিব নোৱাৰিব, তেতিয়ালৈকে অৱৰোধ প্ৰথা উঠাই দিয়াত সংযত হব লাগিব।

শ্ৰীচন্দ্ৰকান্ত বৰপূজাৰী,
যোৰহাট।

---

# সম্পাদকৰ সঁফুৰা।

ইং ১৯২৭।২৮ (বাং ১৩৩৪) চনত বহা নিখিল গোৱালপাড় সমিতিৰ সভাপতি শ্ৰীযুত প্ৰভাত চন্দ্ৰ বৰুৱা ডাঙৰৰ অভিভাষণ এখন আমাৰ হাতত পৰিছেহি। ...ই অভিভাষণত জানিব লগীয়া এনে কোনো কথা নাই ...ৰ এই ২।৩ বছৰ পাৰ হৈ যোৱাৰ পাচতো সি উল্লেখ ...যোগ্য: কিন্তু কিছুমান মিছা যুক্তি আৰু ভুল ...ধাৰে বঙ্গবাসীসকলে গোৱালপাড়াৰ মানুহৰ মনত ...য়তো বহুত ধাৰণা এই অভিভাষণৰ দ্বাৰাই জন্মালে। ...ই কথা বিলাকৰ অসাৰতা প্ৰমাণ কৰিবলৈ বুলিহে ...দি তাৰ কথা উলিওৱা হল।

...বৰুৱা বাহাদুৰে কৈছে—"আমাদেৰ ভাষা কি? ...মীয়া না অসমীয়া? এই প্ৰশ্ন আজ কাল প্ৰায়ই শোনা ...যাইতেছে"। ইয়াৰ পাচত গোৱালপাড়ৰ ভাষা যে বঙ্গলা ...ই কথাৰ সমৰ্থনত গোটাচেৰেক যুক্তি দৰ্শাইছে।

প্ৰথম যুক্তি—"পূৰ্ব্বে আসাম দেশ আমাদিগেৰ সহিত একই হিন্দুৰাজ্য ভুক্ত ছিল। এই সত্যকে অৱলম্বন কৰিয়া আমাদেৰ ভাষা অসমীয়া বলিয়া প্ৰতিপন্ন কৰিবাৰ চেষ্টা হইতেছে। কিন্তু উক্ত আসামবাসীগণ একটি কথা ভুলিয়া গিয়াছেন বলিয়া মনে হয়—যে ভূভাগেৰ নৃপতিগণ আসাম দেশকেও নিজ অধিকাৰে আনিয়াছিলেন কোচ বিহাৰ প্ৰমুখ তাহাৰ অধিকাংশ এক্ষণে বাংলা দেশ অন্তৰ্ভুক্ত। কেৱল মাত্ৰ গোৱালপাড়া জেলাটুকু ঘটনা ক্ৰমে আসাম প্ৰদেশ যুক্ত"। এতেকে, তেখেতে কব খোজে, গোৱালপাড়াবাসী বঙ্গালী আৰু তাৰ ভাষাও বঙ্গালী। "দ্বিতীয় কথা এই যে আসামবাসীগণ এই দেশ জয় কৰেন নাই। আসামই এই দেশ কৰ্ত্তৃক বিজিত হইয়াছিল"। এক খণ্ড ভূভাগৰ ৰজাৰ ৰাজ্যখন এতিয়া দুই খণ্ড হৈ এক খণ্ড বঙ্গদেশত ভুক্ত হল আৰু

বাকী খণ্ড অৰ্থাৎ গোৱালপাড়া আসামত ভুক্ত হল। গতিকেই গোৱালপাড়াৰ মানুহ বিলাক বঙ্গালী। ইয়াত কি যুক্তি বা সাৰ মৰ্ম্ম আছে পাঠক সকলে ভাবি চাওক। অইন ছোৱা বাদ দি গোৱালপাড়াক কিয় আসাম প্ৰদেশত ভুক্ত কৰিলে? সেইটোৱেই যথেষ্ট প্ৰমাণ নহয়নে গোৱালপাড়াবাসী যে অসমীয়া এই কথাৰ, যদি ধৰা হয় যে সেই পুৰণি ৰাজ্যৰ বাকী অংশৰ মানুহ বঙ্গালী কাৰণেহে সেই অংশ বঙ্গদেশ ভুক্ত হল? ৰজাই কয় যে "ঘটনাক্ৰমেহে গোৱালপাড়া আসামদেশ ভুক্ত হল"। আমি কওঁ ঘটনাক্ৰমেহে সেই পুৰণি ৰাজ্য দুইখণ্ড হল আৰু ঘটনা ক্ৰমেহে শ্ৰীযুত প্ৰভাত চন্দ্ৰ বৰুৱা বাহাদুৰে আজি বঙ্গালী বোলাৰ লগাত পৰিল।

কিন্তু আজি কালি ইংৰাজ গৱৰ্ণমেণ্টে পতা প্ৰাদেশিক সীমাৰ ওপৰত জাতীয়তা আৰু ভাষা নিৰ্ভৰ কৰে বুলি ৰজা বাহাদুৰে ভাবিব পাৰে, আমি নেভাবোঁ; আৰু ভাষাবো সীমা স্বাভাৱিক হোৱাই দেখা যায়। পূৰ্ব্বে আসাম গোৱালপাড়া আৰু ৰংপুৰ জিলা একেখন কামৰূপ বা প্ৰাগজ্যোতিষপুৰ দেশৰে মাথ বেলেগ ২ খণ্ড। সেই পুৰণি দেশৰ পচিম সীমা আছিল কৰতোৱা, একালত এখন ডাঙৰ নৈ। সেই কামৰূপ দেশৰ মানুহক কামৰূপীয়া বোলে আগেয়েও বুলিছিল। যেনেকৈ চিনদেশৰ মানুহক চীনা, জৰ্ম্মেন দেশৰ মানুহক জৰ্ম্মান, ফ্ৰান্স দেশৰ মানুহক ফ্ৰেঞ্চ বোলে। কামৰূপীয়া মানুহৰ এটা স্বকীয় জাতীয়তা আছিল, আৰু এতিয়াও আছে। সেইতৰ ভাষাও স্বকীয়া আছিল, এতিয়া ইংৰাজৰ আমোলত নানা ঘাত প্ৰতিঘাতত পৰি ঠায়ে ঠায়ে ভাষা লৰচৰ হৈছে আৰু আমাৰ ৰজা বাহাদুৰৰ নিচিনা মানুহে তাৰ চেষ্টাতেই আছে। সেই পুৰণি কামৰূপৰ ভাষা যে পৃথক সেই কথা ৭ম শতিকাতে চীনা পৰিব্ৰাজকে কৈ গৈছে। কামৰূপত **কলিতা** বুলি এটা জাতি আছে, আসামত আছে, গোৱালপাড়াত আছে ৰংপুৰতো আছে; কিন্তু বঙ্গ প্ৰদেশৰ অইন ঠাইত নাই। শ্ৰীযুত প্ৰভাত চন্দ্ৰ বৰুৱা ৰজা বাহাদুৰো কলিতা*। তেওঁ যদি বঙ্গালী, তেন্তে বঙ্গ দেশত কলিতা নাই কিয়? সেইদৰে কামৰূপত বিশেষকৈ গোৱালপাড়া আৰু ৰংপুৰত অনেক ৰাজবংশী অৰ্থাৎ কোচ মানুহ আছে, বঙ্গদেশত অতি বিৰল। এই জাতি বিলাক লৈয়েই জাতীয়তা গঠন হয়। এতেকে যদি শ্ৰীযুত ৰজা বাহাদুৰে আৰু কোনো কোনো গোৱালপৰীয়াই অসমীয়া বুলি চিনাকি দিবলৈ অপমান বোধ কৰে কামৰূপীয়া বুলি চিনাকি দিবলৈ কোনো আপত্তি কৰিব নোৱাৰে।

বঙ্গদেশ নামটো আগেয়ে ঢাকা আৰু তাৰ চাৰিওকাষে অলপীয়া ঠাইতে আবদ্ধ আছিল। সেই ঠাইৰ মানুহকে বঙ্গালী বোলে। নবাবৰ আমোলত সেই নামটোৰ এলেকা কিছু বিস্তৃত হল। কিন্তু বঙ্গদেশ মুছলমানে দখল কৰাৰ বহুদিন পাছলৈকে কমতাপুৰ অৰ্থাৎ কামৰূপদেশৰ পচিমাংশ স্বাধীন হৈয়ে আছিল। ৰংপুৰৰ মানুহে যে নিজক বঙ্গালী বুলা নাছিল সেই কথা সেই দেশত ৰচা ময়নামতীৰ গানতে পোৱা যায়, যেনে—

" দক্ষিণ হৈতে আইল বাঙ্গাল লম্বা লম্বা দাড়ি
সেই বাঙ্গাল আসিয়া মুলুকং কৈল বড়ি
দেওৱান গিৰি চাকৰি ৰাজা সেই বাঙ্গালক দিল।"

তাৰ পাচত ৰজা বাহাদুৰে কৈছে:—

"কোচ ৰাজাদেৰ প্ৰধান শাখাদ্বয় বৰ্ত্তমান কোচবিহাৰ ও বিজনীতে অদ্যাপিও আছে। উক্ত শাখাদ্বয় আপনাদিগে বঙ্গভাষী বলিয়াই পৰিচয় দিয়া থাকেন ও পূৰ্ব্বাপৰ হইতেই বঙ্গ ভাষাতেই লেখা পড়াৰ চেষ্টা কৰিয়া আসিতেছেন" কোচবিহাৰৰ ৰজাই নিজক বঙ্গালী বুলি পৰিচয় দিব খোজে সঁচা কিন্তু সেইটো একো গৌৰৱৰ কথা নহয়। সেই ৰজা নিজ ধৰ্ম্মত থকা হলে তেনে নকৰিলেহেঁতেন। তেওঁৰ পূৰ্ব্বপুৰুষ হাজো কোচৰ নাতিয়েক নৰনাৰায়ণ ৰজাই নিজক বঙ্গালী বুলি পৰিচয় দিছিলনে বা তেওঁৰ ৰাজ্যত বঙ্গভাষা চলাইছিলনে? কিয় তেওঁ শঙ্কৰ মাধৱ ৰামসৰস্বতী আদি অসমীয়া কবি সকলক ৰাজসভালৈ নি তেওঁবিলাকৰ হতুৱাই অসমীয়া ভাষালৈ মহাভাৰত আদি পুথি তৰ্জ্জমা কৰাইছিল? কোচবিহাৰত বঙ্গভাষা চলা হলে সেই কাৰ্য্য কৰাবলৈ সেই সময়ত বঙ্গালী পণ্ডিতৰ অভাব আছিলনে? এতেকে "পূৰ্ব্বাপৰ হইতেই বঙ্গভাষাতে লেখা পড়াৰ চৰ্চ্চা কৰিয়া আসিতেছেন" এই কথাষাৰ ভুল। বঙ্গদেশৰ পৰা দেৱান আহিবৰ পৰা তেওঁবিলাকে বঙ্গভাষাক court language কৰি লৈছে সঁচা। আসামতো এসময়ত বঙ্গভাষা court language আছিল, কিন্তু অসমীয়াৰ আত্মসন্মান আৰু আত্মবোধ জন্মিল।

ৰজা বাহাদুৰে কৈছে "ৰাজধানীৰ ভাষাই ৰাজ্যৰ সৰ্ব্বত্ৰ ব্যৱহৃত হয়।" কথা সঁচা আৰু সেই ভাষাতেই নৰনাৰায়ণ ৰজাই অসমীয়া কবিৰ হতুৱাই ভাগৱত, মহাভাৰত আদি গ্ৰন্থ অসমীয়ালৈ ভঙাইছিলে। আৰু সেই ভাষাই এতিয়া অসমীয়া ভাষা স্বৰূপে কলধোপ লধোপ কৰি জীয়াই আছে। যদি 'অসমীয়া' বোলাত বেয়া পাইছা গুৱলিৱা; 'কামৰূপীয়া' বোলা, তাত আমাৰ আপত্তি নাই। ৰজাবাহাদুৰৰ দ্বিতীয় যুক্তি হৈছে "আমাদেৰ ৺শঙ্কৰদেৱ ৺মাধৱদেৱ ৺অনন্ত কন্দলী, ৺ভট্টদেৱ প্ৰভৃতি স্ব নামখ্যাত গ্ৰন্থ কৰ্ত্তাগণ যে ভাষাই গ্ৰন্থ ৰচনা কৰিয়া গিয়াছেন, সেই ভাষা হইতেই আধুনিক আসমীয়া ভাষা উদ্ভূত বলিয়া আধুনিক আসামীয়া ভাষাতাই আমাদেৰ মাতৃ ভাষা এইৰূপ তৰ্ক কৰা হয়"—সঁচা কথা, ইয়াত অলপো ভুল নাই। এই কথা কৈ আকৌ তাকে খণ্ডাবলৈ বুলি ৰজাবাহাদুৰে কয় "প্ৰাচীন কামৰূপী ও তৎকালীন প্ৰাচীন বঙ্গ বা গৌড়েৰ ভাষা একই ছিল বলিলেও অত্যুক্তি হয় না।" এই কথাটো সৰহ ভাগ সঁচা, যদিও দুইটা ভাষা প্ৰায় একে আছিল। দুটাৰ ভিতৰত কিছুমান পাৰ্থক্য আছিল। যেনে বঙ্গ বা গৌড়দেশৰ ভাষাত অপাদানত "পৰা" ব্যৱহাৰ নাই। ৺শঙ্কৰদেৱ আদি গ্ৰন্থকাৰকৰ কামৰূপীয়া ভাষাত "পৰা" আছে। গোৱালপাড়াটো "পৰা" ব্যৱহৃত হয়। কামৰূপীয়াৰ ভাষাত অধিকৰণত 'ত' ব্যৱহাৰ আছে। বঙ্গদেশৰ পুৰণি ভাষাত যদিও এই 'ত' আছিল পাচলৈ তাৰ ঠাইত 'এ' চলিল। কামৰূপীয়া ভাষাত সম্বন্ধ পদত 'অৰ' আছিল বঙ্গদেশৰ পুৰণি ভাষাতো আছিল; পাচলৈ কিন্তু সেই দেশত তাৰ ঠাইত 'এৰ' হল। কামৰূপীয়া আৰু অসমীয়া ভাষাত এতিয়াও 'অৰ' আছে। ইত্যাদি আৰু কিছুমান বিশেষত্ব কামৰূপীয়া ভাষাৰ আছে যি বিলাক আধুনিক অসমীয়া ভাষাতো আছে, কিন্তু যিবিলাক যদিও আগেয়ে বঙ্গদেশত আছিল সেই বিলাকক এৰি দি নতুন কিছুমান ব্যাকৰণ গঢ় লৈ বঙ্গ ভাষাৰ উৎপত্তি হল। ৰজা বাহাদুৰে কব খোজে যে আসাম খণ্ডৰ ভাষা আহোম আদি জাতিৰ তলত পৰি বেলেগ আকৃতি ধাৰণ কৰিলে আৰু বঙ্গদেশ আৰু গোৱালপাড়া মছলমানৰ আমোলত পৰি বেলেগ ৰকমে গঢ় ললে। "মোগল শাসনাধীনে আমাদেৰ অংশ ও আমাদেৰ সমভাষা ভাষী গৌড় একই সভ্যতাৰ প্ৰভাবে একত্ৰ শিক্ষিত হওয়ায় আমাদেৰ ভাষাৰ ক্ৰম পৰিণতি হইতে হইতে বৰ্ত্তমান বঙ্গভাষাৰ আকাৰ ধাৰণ কৰিয়াছে।" এই কথাৰ সৰহ ভাগ ভুল অলপ মাত্ৰ সঁচা; কাৰণ, মোগল বঙ্গদেশৰে সৈতে একে শাসনাধীনত থকাৰ বাবে কিছুমান সেই দেশত চলা বিশেষকৈ ৰাজকীয় বিভাগৰ শব্দ গোৱালপাড়াৰ ভাষাত সোমাব পাৰে সঁচা; কিন্তু তাৰ দ্বাৰাই যি বিলাক জাতিগত প্ৰভেদ (যেনে, উচ্চাৰণৰ) সেই বিলাক সিমান সহজে লৰচৰ নহয়। আৰু বিশেষকৈ শিক্ষিত সম্প্ৰদায়ৰ কিছুমান মানুহে এই বাবে শাসন কাৰ্য্যৰ সম্পৰ্কত আহি বঙ্গভাষা গ্ৰহণ কৰাটো খুব সম্ভৱ; কিন্তু জন সাধাৰণৰ ভাষা বিশেষকৈ ব্যাকৰণ সহজে সলনি নহয়, তাৰ প্ৰমাণ স্বৰূপে এতিয়াও পৰ্গনাত অসমীয়া ভাষা বা কামৰূপীয়া ভাষা আছে।

এই সম্বন্ধে কোৱা থাওক যে যিটো প্ৰাচীন কামৰূপীয়া ভাষা ৰজা বাহাদুৰে বঙ্গদেশৰ প্ৰাচীন ভাষাৰ লগত একে আছিল বুলি কৈছে সেই প্ৰাচীন ভাষাৰ ক্ৰম পৰিণতি **অসমীয়া ভাষাহে, বঙ্গলা ভাষা নহয়।** অলপ পৰীক্ষা কৰি চালে এই কথাৰ প্ৰমাণ পোৱা যায়। বঙ্গলা ভাষাত

* "These (Kalitas) possessed some learning etc. According to tradition the ancestor of the Bhoo... one of this sacred order, and now one of the chief Zamindars of the district procured this Sanc... * * *"—Martins Eastern India Vol. III page 5..

যাক 'গৰম জল' বোলে অসমীয়াই তাক 'তপত পানী' বোলে। বঙ্গদেশৰ প্ৰাচীন ভাষাত তাক কি বুলিছিল? মাণিক চন্দ্ৰৰ গাণত আৰু শ্ৰীকৃষ্ণ কীৰ্ত্তনত "তপত পানী" ব্যৱহাৰ কৰিছিল। এই "তপত পানী" শব্দ কোনো মতেই পৰিবৰ্ত্তিত, বিকৃত বা ক্ৰমপৰিণত হৈ 'গৰম জল' বাক্য সিদ্ধ হব নোৱাৰে। 'গৰম জল' যদি বঙ্গলা ভাষা তেন্তে 'তপত পানী' বঙ্গলা ভাষা নহয়। কাৰণ 'তপত পানীৰ' লগত 'গৰম জলৰ' একো সম্বন্ধ নাই।

মুছলমান আৰু সংস্কৃত ভাষা মিহলি হৈ হোৱা [illegible] বাবে এটা নতুন ভাষা আৰু এয়ে হৈছে আধুনিক [illegible] ভাষা। পুৰণি অসমীয়া পুথিত 'বিছনী' শব্দ আছে বঙ্গদেশৰ প্ৰাচীন পুথিতো আছে। আধুনিক অসমীয়া[illegible] আছে, কিন্তু সেই শব্দক তল পেলাই এতিয়া বঙ্গদেশ[illegible] হৈছে 'পাংখা' শব্দ—এয়ে আধুনিক বঙ্গলা [illegible] তেনেহলে ভাবিচাওক সেই প্ৰাচিন ভাষাৰ কথাবিল[illegible] অসমীয়া ভাষা নে বঙ্গলা ভাষা।

---

# ভৱভূতি

জগতৰ সকলো প্ৰাণীতকৈ মানুহ শ্ৰেষ্ঠ তাৰে ভিতৰত আকৌ কবি সকলৰ আসন অতি উচ্চ, জীৱনী নানা বৈচিত্ৰ্য পূৰ্ণ।

আমি আজি ইয়াত তেনেকুৱা শ্ৰেষ্ঠ কবি এজনৰ কাল আৰু চমু জীৱনী আলোচনা কৰিবলৈ আগ বাঢ়িছো। বিষয় বৰ টান। কব নোৱাৰো কিমান দূৰ কৃতকাৰ্য্য হব পাৰিম। ইয়াৰ বিচাৰৰ ভাৰ সুধী সমাজৰ হাতত।

আলোচনা কৰিব খোজা কবিৰ নাম 'ভৱভূতি'। এওঁৰ নাম নজনা মানুহ অতি কম। বহুতে জানে, আমিও জানো। কিন্তু কোন শতাব্দীত কবি বৰ্ত্তমান আছিল, তাক কোৱাটো সহজ নহয়। পুৰণি কবি সকলৰ জীৱনী পাবলৈ নাই। আগৰ দিনত জীৱনী লেখা কথাটোত মানুহৰ আগ্ৰহ বৰ নাছিল, অকল ভাৰতৰ ২ ৰজা কিছুমানৰ পুৰাণ আদি গ্ৰন্থত জীৱনী আছে, সিও আশানুৰূপ নহয়। কবি সকলৰ কোনো এজনৰো জীৱনী নাই। কোনো কোনো কবিৰ কাব্য পঢ়ি সেই বিষয়ে অলপ অচৰপ জানিব পাৰি। কিন্তু কালিদাস আদি বিছুমান কবিৰ জীৱনী সম্বন্ধে তেওঁলোকৰ কাব্যত বিন্দুমাত্ৰও উল্লেখ নাই। ভৱভূতিৰো প্ৰায় তেনেকুৱাই।

এতেকে এতিয়া আমি তেওঁৰ কাব্য আৰু অন্য[illegible] গ্ৰন্থৰ পৰা কি কি গোটাব পাৰো তাৰেহে [illegible] কৰিম। কালৰ বিষয়ে সকলো কবি নিমাত। [illegible] দেখি সমসাময়িক ঘটনা আদিৰ আশ্ৰয় নললে কো[illegible] মতেই নচলিব। কাল নিৰূপণ কৰিবলৈ প্ৰধানকৈ [illegible] ঘটনা বোৰকে অবলম্বন কৰি লোৱা হৈছে।

কবিৰ জন্মভূমি, পদ্মপুৰ নগৰ। ই দক্ষিণাপ[illegible] বিদৰ্ভ ৰাজ্যৰ ভিতৰত অৱস্থিত। যোন্দ—দক্ষিণ[illegible] বুন্দেল খণ্ডত পাৰা আৰু সিন্ধু নৈৰ সঙ্গম স্থানৰ [illegible] আজিও পদ্মপুৰ বা পদ্মাৱতী নামেৰে ঠাই এডোখৰ আ[illegible] এয়ে সেই পদ্মপুৰ নগৰ বুলি বহুতে বিশ্বাস ক[illegible] বিশ্বাস কৰিবৰ কাৰণো যথেষ্ট আছে। কিয়নো 'মাল[illegible] মাধৱ' নাটকত এই পাৰা আৰু সিন্ধু নৈৰ সম্মিলন [illegible] বৰ্ণনা আছে, বিদৰ্ভৰাজ্য আৰু পদ্মপুৰ নগৰৰ [illegible] আছে। "মহাবীৰ চৰিত" আৰু "মালতী-মাধৱ" [illegible] কাব্যতে পদ্মপুৰক জন্মভূমি বুলি কোৱা হৈছে। এ[illegible] তেনে বিশ্বাস ভিত্তিহীন নহয়।

সেই পদ্মপুৰ নগৰত কেইঘৰমান কাশ্যপ [illegible] বামুণ বাস কৰিছিল। তেওঁলোক সাত্বিক আৰু কৃষ্ণযজু[illegible] আছিল। কৃষ্ণযজুৰ্ব্বেদৰ আন নাম তৈত্তিৰীয়-সংহি[illegible]



যি সকলে সেই বেদ অধ্যয়ন কৰে তেওঁলোকক তৈত্তিৰীয়িন্ বোলে। এই বামুণ সকলৰ বিশেষণত 'তৈত্তিৰীয়িনঃ' পদ ব্যৱহাৰ কৰা দেখি তেওঁলোক কৃষ্ণযজুৰ্ব্বেদী বুলি বুলি জনা গৈছে। তেওঁলোক ব্ৰহ্মবাদী, আৰু শ্ৰুতি স্মৃতি বিহিত সকলো কাৰ্য্যৰ অনুষ্ঠানকাৰী আছিল। কালোপযোগ্য সময়ত দশ সংস্কাৰ কৰা হৈছিল। মুঠতে তেওঁলোক এনে ক্ৰিয়াপূত আছিল যে গোটেই সমাজ-খনকে তেওঁলোকে পবিত্ৰ কৰি তুলিছিল। "পঙ্ক্তি পাবনাঃ" বিশেষণটিয়ে তাৰ সাক্ষী।

সেই বামুণ বংশত মহাকবি ৺ ভট্ট গোপালে জন্ম গ্ৰহণ কৰে, তেওঁ বাজপেয় যজ্ঞ কৰি আৰু কবিত্ব শক্তিৰ বলত অতিশয় বিখ্যাত হয়। তেওঁৰ পুতেক নীলকণ্ঠ। এই মহাকবি ৺ভৱভূতিৰ জনক। কবিৰ মাতৃৰ নাম জাতুকৰ্ণী দেৱী। পুৰুষনামা এনেকুৱা হয়:—

১। মহাকবি ৺ ভট্টগোপাল।
|
২। নীলকণ্ঠ—ভাৰ্য্যা জাতুকৰ্ণী দেৱী )।
|
৩। ভৱভূতি।

কবিৰ 'মহাবীৰ চৰিত' নাটকৰ যি গদ্যাংশৰ পৰা এই কথা পালো, তাক 'ফুট নোট'ত তুলি দিলো।*

কোনো ২ পণ্ডিতে সেই গদ্যাংশৰ বেলেগ ব্যাখ্যা কৰি কবিৰ পুৰুষনামা তলত দিয়া মতে বুলি হে কয়।—

১। মহাকবি
|
২। 0 ( অজ্ঞাত )
|
৩। ভট্টগোপাল
|
৪। নীলকণ্ঠ
|
৫। ভৱভূতি।

এওঁ লোকৰ মতে 'পঞ্চমঃ' পদটো পাঁচৰ বাচক বিশেষণ। মহাকবি আৰু ভট্টগোপাল একেজনে নহয়, দুজন। আমি 'মহাকবেঃ' পদটো 'ভট্টগোপালস্য' পদৰ বিশেষণ, আৰু 'পঞ্চমঃ' পদ 'পৌত্ৰঃ' পদৰ বিশেষণ বুলি হে ধৰিছো। কাৰণ—

তেওঁলোকৰ পুৰুষনামাত যিটো অজ্ঞাত নাম আছে, সি তেনেকুৱা হবৰ কোনো বিশেষ কাৰণ নাই। কবিৰ নিজ হাতৰ লেখাৰ পৰা পুৰুষনামা ঠিক কৰা হৈছে। কবিয়ে এটা নাম বাদ দিয়াত কথাখিনি সংক্ষেপ হোৱা নাই। সেই নামটোৰ পৰা নো কিমান বাহুল্য হ'ল হেঁতেন? কবিয়ে নাজানি বাদ দিয়া বুলিও কব নোৱাৰি। যাৰ নাম অজ্ঞাত তেওঁ কবিৰ প্ৰপিতামহ হয়। হিন্দুৰ প্ৰায় বিবাহ সংস্কাৰাদি বিশেষ ২ কাৰ্য্য বিলাকত সাত পুৰুষলৈকে নাম লাগে। বিশেষতঃ কবি নিজে বামুণ তাতে আকৌ তেওঁলোকৰ বংশটো কেনে ক্ৰিয়াপূত আছিল সেই কথালৈ মন কৰিলে, নাজানিছিল বুলি বিশ্বাস কৰাটো বৰ টান হৈ পৰে। কবিৰ বংশৰ বিৱৰণত এনেকুৱা কথাৰ উল্লেখ আছে।—

"তেওঁলোকে উপযুক্ত কালে ২ দশ সংস্কাৰ কৰিছিল, তেওঁলোক যজুৰ্ব্বেদী আছিল, যদিও বাকী কেইখন বেদো বিধিমতে অধ্যয়ন কৰিছিল। তেওঁলোকৰ ব্ৰহ্মজ্ঞান অতুলনীয় আছিল, ব্ৰহ্মতত্ত্ব নিৰূপণ কৰিবলৈ হে বেদ বেদাঙ্গ আদি নানা শাস্ত্ৰ পঢ়িছিল, সমাজত পাণ্ডিত্য প্ৰকাশ কৰি গৌৰৱান্বিত হবলৈ নহয়। নানা ভোগ বিলা-সৰ সামগ্ৰী আদি আত্মতুষ্টি সাধন কৰিবলৈ ধনৰ আদৰ কৰা নাছিল, আত্মশুদ্ধি আৰু ভগৱৎপ্ৰীতিৰ উদ্দেশ্যে যাগ-যজ্ঞ কৰিবলৈ দুখীয়া দৰিদ্ৰক সহায় কৰিবলৈ আৰু যত পানীৰ অভাৱ তেনেকুৱা ঠাইত পুখুৰি আদি খনাবলৈ হে ধনৰ সমাদৰ কৰিছিল। বংশ ৰক্ষাৰ কাৰণে বিবাহ কৰাইছিল, ইন্দ্ৰিয় বৃত্তি চৰিতাৰ্থৰ বাবে নহয়।

---

*অস্তি দক্ষিণাপথে পদ্মপুৰং নাম নগৰম। তত্ৰ কেচিৎ তৈত্তি- ৰী য়ঃ পঙ্‌ক্তি পাবনাঃ পঞ্চাগ্নয়ো ধৃতব্ৰতাঃ সোম পীথিনো ব্ৰহ্মবাদীনঃ প্ৰতিৱসন্তি। তদামুষ্যায়ণস্য তত্ৰ ভৱতো বাজপেয়, যাজিনো মহাকবেঃ পঞ্চমঃ সুগৃহীত নাম্না ভট্ট গোপালস্য পৌত্ৰঃ পবিত্ৰ কীৰ্ত্তেঃ নীল-কণ্ঠাস্য সম্ভৱঃ শ্ৰীকণ্ঠ পদলাঞ্ছনো ভৱভূতি নাম জাতুকৰ্ণী পুত্ৰঃ। মহাবীৰ চৰিতম্।

আৰু তেওঁলোকে দীঘজীবী হবলৈ আগ্ৰহ কৰিছিল অকণ তপস্যা আচৰণ কৰিবলৈ হে, সাধাৰণ লোকৰ দৰে নাতিৰ মুখ চাবলৈ নহয়।”*

এনে স্থলত বোধ কৰো, কবিয়ে তেওঁৰ প্ৰাপিতামহৰ নাম পাহৰা বা নজনা নাছিল বুলি সকলোৱে স্বীকাৰ কৰিব আন পক্ষে,—পুৰুষনামাত মতান্তৰ থাকিলেও আৱশ্য-কীয়খিনি একে হৈয়ে থাকে, তাত কোনো বাদ বিসম্বাদ নাই।

যি কি পুৰণি কথাই নহক, তাৰ যদি এটা নিঃসন্দেহে বুজিব পৰা কোনো প্ৰমাণ নাথাকে তেনেহলে তাত মতান্তৰ হোৱাটো স্বাভাৱিক। নতুন কথাৰ বহুত তথ্য অতি কম আয়াসতে পোৱা যায় বা তাৰ প্ৰমাণ উদ ঘাটন কৰিব পাৰি কিন্তু পুৰণি সি চুক্তৰ, ঘটনা বিশেষত একেবাৰে অসম্ভৱো হয়।

আগতে এষাৰ কথা কবলৈ বৈ গ'ল। কবিৰ আন কাব্য 'মালতী মাধৱ'ত পুৰুষনামাৰ একো গোলমাল দেখা নাযায়। তাত 'কশ্যপ-কবেঃ' আৰু 'পঞ্চমঃ' এই পদ দুটাৰ এটাও নাই। কবি, সহোদৰ বিলাকৰ মাজত পঞ্চম আছিল বুলি ধৰি আগৰ কথাত সামঞ্জস্য ৰখা হৈছে। মালতী মাধৱ পৰ কবিৰ শেষ কাব্য। ইয়াৰ কথাখিনিলৈ চকু দিয়ক। (১)

পুৰণি কথাৰ মতান্তৰৰ বিষয়ে আৰু এটি ভাগ উদাহৰণলৈ মন কৰক। আন নালাগে, এই হেন জগৎ বিখ্যাত কবিৰ নামটিতো মত ভেদ আছে।

কিছুমান পণ্ডিতৰ মতে কবিৰ পিতাকে তেওঁৰ শ্ৰীকণ্ঠ নাম ৰাখে। পাচত নানা শাস্ত্ৰ পঢ়ি পৰম জ্ঞানী হৈ যেতিয়া কবিয়ে কবিতা (২) লেখিবলৈ আৰম্ভ কৰি তলত দেখুওৱা কবিতা ৰচনা কৰে তেতিয়াহে ভৱভূতি নাম পায়। আন পক্ষৰ মতে, কবিৰ নাম ভৱভূতি আৰু উপাধি শ্ৰীকণ্ঠ। আমি শেষৰ মত হে সমৰ্থন কৰিছোঁ। পিতাকৰ নাম নীলকণ্ঠ দেখি, অন্তভাগৰ মিলৰ বাবে শ্ৰীকণ্ঠ নাম বুলি ধৰাৰ বিশেষ মূল্য নাই বুলি ভাবো। এনে বিপৰ্য্যয় সকলোতে দেখি। আগত কোন শ্লোক ৰচনা কৰা বাবে তেনে নাম পোৱা বুলি কোনো পুথিত উল্লেখ নাই, মনেৰে ধৰি লোৱাৰ বাহিৰে আন প্ৰমাণৰো অভাৱ। কবিৰ নিজা পুথিৰ পৰা পোৱা যায়:—'শ্ৰীকণ্ঠ পদলাঞ্ছনো ভৱভূতি নাম।” ইয়াৰ প্ৰথমটো মহাবীৰ চৰিতৰ দ্বিতীয়টো মালতী মাধৱৰ দুয়ো ঠাইতে কবিয়ে নিজে ভৱভূতি নাম বুলি কৈছে। অৱশ্যে আগৰ বাক্যাংশৰ এনে অৰ্থ কৰা হৈছে “শ্ৰীকণ্ঠ এই পদ অৰ্থাৎ উপাধয়ে লাঞ্ছন চিহ্ন বা বিশেষত্ব যাৰ' আৰু ভৱভূতি+নাম যাৰ=ভৱভূতি নাম। এনে অৰ্থত কবিৰ নিজ উক্তিয়েও দ্বিতীয় পক্ষকে সমৰ্থন কৰিছে। কবিৰ নামৰ বিষয়ে ইমান দুৰ তৰ্ক বিতৰ্ক নকৰি এই খিনি কলেও বোধ কৰোঁ যথেষ্ট হব পাৰে যে যাক ভৱভূতি বুলিয়েই জগতবাসীয়ে জানে, আৰু নিজৰ পুথিয়েও তাকেই কয় তেওঁক বেলেগ নামেৰে বিভূষিত কৰাৰ একো সকাম নাই। কবিৰ ভৱভূতি নামেই হওক বা উপাধিয়েই হওক আজি তেওঁক সকলোৱে ভৱভূতি বুলিহে জানে, শ্ৰীকণ্ঠ কবি বুলিলে মহাবীৰ চৰিত, উত্তৰ ৰাম চৰিত আৰু মালতী মাধৱ প্ৰণেতা কবিৰ কথা কোনো বুজি কোনেও বুজি নাপায়। কবিৰ পিতৃকৃত নামটো কোনটো? প্ৰমাণেৰে সৈতে তাক জানিব পাৰিলে এটা সত্য নিৰূপণ কৰা হয়, যদিও ফলাফল প্ৰায় একেই। এই আলোচনা দেখি কোনোবা বিজ্ঞলোকে কি জানি কিবা এটা যুক্তি

---

*তে শোত্ৰিয়াত্ৰ বিনিশ্চয়ায়, ভূৰি শ্ৰুতং শাশ্বতমাদ্ৰিয়ন্তে। ইষ্টায় পূৰ্ত্তায় চ কৰ্ম্মণেৰ্থান দাৰানপত্যায় তপসেৰ্থ মায়ুঃ।

মালতী মাধৱ।

(১) অস্তি দক্ষিণাপথে বিদৰ্ভেষু পদ্মপুৰং নাম নগৰম্। * * * * তত্ৰ ভৱতঃ সুগৃহীত নাম্নো ভট্ট গোপালস্য পৌত্ৰ পবিত্ৰকীৰ্ত্তে নীলকণ্ঠস্যাত্ম সম্ভৱঃ শ্ৰীকণ্ঠ পদলাঞ্ছনঃ ভৱভূতি নামা জাতূকৰ্ণী পুত্ৰঃ।

(২) “সাম্বা পুনাতু ভৱভূতি পবিত্ৰ মূৰ্ত্তিঃ।” “তপস্বী কাং গতোঽৱস্থা মিতি স্মেৰাননাবিৰ। গিৰিজায়াঃ স্তনৌ বন্দে ভৱভূতি সিতাননৌ।”



নাইবা প্ৰমাণ পোৱা থাকিলে উল্লেখ কৰে, এই ভাবিহে দুটামান কথা লেখা হল।

এতিয়া কাল নিৰূপণৰ চেষ্টা কৰিম। প্ৰণালী আগেয়ে কৈ অহাটোৱেই। কবিৰ কাব্য কেইখনৰ এখ-নতো সেই সম্পৰ্কে একো নাই।

বামনাচাৰ্য্যৰ 'অলঙ্কাৰ সূত্ৰবৃত্তি' নামৰ গ্ৰন্থত ভৱভূতিৰ নাম পোৱা যায়। ইয়াৰ নিৰ্দ্ধাৰিত শক নাই। খৃঃ ১১শ শতিকাত লেখা 'কাব্য প্ৰকাশ' নামেৰে গ্ৰন্থত আকৌ বামনাচাৰ্য্যৰ নাম আছে। এতেকে দেখা গ'ল যে ১১শ শতিকাৰো আগৰ পণ্ডিত বামনাচাৰ্য্যৰ আৰু তেওঁৰ গ্ৰন্থত নাম থকা ভৱভূতি তাৰো আগৰ হল। ১০ম শতিকাত 'অলঙ্কাৰ সূত্ৰবৃত্তি' লেখা বুলি ধৰি ললে আমাৰ কবি এই শতিকাৰ আদি ভাগ না ৯ম শতিকা মানত পৰে।

'প্ৰবন্ধ কোষ' ৰচোঁতা ৰাজশেখৰৰ লেখাতো কবিৰ নাম আছে। ৰাজশেখৰ কবি, কান্যকুব্জৰ ৰজা মহেন্দ্ৰ পালৰ সভা পণ্ডিত আছিল। পালৰ ৰাজত্বকাল ৮৯৩ খৃঃ। এই কথাৰ পৰা কবিৰ কাল আৰু কিছু আগলৈ গ'ল। এতিয়া ১০ম শতিকা বাদ পৰি ৯ম শতিকা না তাৰো আগ, এনেকুৱা ধাৰণা জন্মিল।

এতিয়া আমি বাণভট্টৰ ওচৰ চাপোঁ। যেতিয়া আমাৰ কামৰূপ ৰাজ্যৰ (পুৰণি আসামৰ) কুমাৰ ভাস্কৰ বৰ্ম্মা ৰজা আছিল, ঠিক সেই সময়ত কনৌজত ৰজা আছিল হৰ্ষবৰ্দ্ধন। এওঁৰে সভাপণ্ডিত আছিল বাণ ভট্ট। ৭ম শতিকাৰ মাজ ভাগতো উক্ত ৰজা দুজনে ৰাজ্য চলাই আছিল। ই বুৰঞ্জী সিদ্ধ কথা। চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ অমণবৃত্তত সি শিলৰ বেখাৰ দৰে স্থায়ী হৈ আছে। বাণ ভট্টই 'হৰ্ষচৰিত' আৰু 'কাদম্বৰী' এই দুখন গ্ৰন্থ লেখে। তাৰে প্ৰথম খনত বহুত পুৰণি কবিৰ সাংক্ষিপ্ত তালিকা দিয়া আছে। তাত সুবন্ধু ভট্টাৰ হৰিশ্চন্দ্ৰ, সাতবাহন, প্ৰবৰ সেন, ভাস, কালিদাস আদিৰ নাম আছে, নাই আমাৰ আলোচ্য কবি ভৱভূতিৰ *। আন আন বিখ্যাত কবি সকলৰ লগত সমানে আসন পাবৰ যোগ্য কবিৰ নাম বাদ দিয়া দেখি অনুমান হয়, যে কবি নিশ্চয় পৰবৰ্ত্তী।

এতিয়া এই দুই সীমাৰ মাজৰ কাল খিনিৰ অনু-সন্ধান কৰিব লাগিব। ( ৬৪০ খৃঃ আৰু ৯ম শতিকাৰ মাজ ডোখৰ )। 'ৰাজ তৰঙ্গিণী' এখন সংস্কৃত কাব্য। ই কাশ্মীৰৰ ৰাজ বংশৰ ইতিহাস। ইয়াৰ ৰচক ৺কহ্লন কবি। এই গ্ৰন্থৰ পৰা পোৱা যায় যে,

কান্যকুব্জৰ ৰজা যশো বৰ্ম্মাৰ ভৱভূতি সভাপণ্ডিত আছিল, আৰু তেওঁৰে অন্যতম সভাপণ্ডিত আছিল কবি বাকপতি ৰাজ (১) যশোবৰ্ম্মা বৰ পৰাক্ৰমী ৰজা আছিল। তেওঁ গৌড় ৰাজ্য জয় কৰে। এই বিজয়-কাহিনী স্থায়ী কৰিবলৈ অন্যতম পণ্ডিত কবি বাকপতি ৰাজে 'গৌড়বহ' নামেৰে এখন প্ৰাকৃত ভাষাত গ্ৰন্থ লেখে। তাত তেওঁ নিজক ভৱভূতিৰ শিষ্য বুলি চিনাকি দিছে (২)। ইয়াৰ পৰা তেওঁলোক দুজনেই উক্ত ৰজাৰ সভাপণ্ডিত থকা কথাৰ প্ৰমাণৰ উপৰিও আন কথা এটি আমাৰ চকুত পৰে যে কবি বাক্‌পতি ৰাজতকৈ ভৱভূতি জ্ঞান আৰু বয়স দুয়ো বিধতে ডাঙৰ।

যশোবৰ্ম্মা যদিও শক্তিশালী ৰজা আছিল, তথাপি প্ৰবল পৰাক্ৰমী কাশ্মীৰৰ ৰজা ললিতাদিত্যাই তেওঁক যুদ্ধত পৰাস্ত কৰে। এই যুদ্ধৰ শক খৃঃ ৭২৩ বা ৭২৪। এই যুদ্ধৰ সময়ত ভৱভূতি জীয়াই আছিল। মহাৰাজ ললিতা-দিত্যাই যুদ্ধৰ শেষত যশোবৰ্ম্মালৈ এই বুলি কৈ পঠিয়াই-

---

* “কবীনামগলদৰ্পো নূনং বাসৱ-দত্তয়া।” “ভট্টাৰ হৰি চন্দ্ৰস্য গদ্যবন্ধো নৃপায়তে।” “কীৰ্ত্তিঃ প্ৰবৰসেনস্য প্ৰযাতা কুমুদোজ্জ্বলা”। “অবিনাশিনমগ্ৰাম্যমকৰোৎ সাতবাহনঃ। সপত্ৰাকৈৰ্যশো লেভে ভাসো দেবকুলৈৰিব।” “নিৰ্গতাসুনবা কস্য কালিদাসস্য সূক্তিষু। ইত্যাদি

হৰ্ষচৰিতম।

(১) “কবি ৰাক্‌পতিৰাজ শ্ৰীভৱভূত্যাদি সেবিতঃ। জিতো যযৌ যশোবৰ্ম্মা তদ্‌গুণ স্তুতি বন্দিতাম্‌”॥

ৰাজ তৰঙ্গিণী।

(২) “ভৱভূতি-জলধি-নিৰ্গত-কাব্যামৃতৰস কণাইৱ স্ফুৰন্তি। যস্য বিশেষা অদ্যাপি বিকটেষু কথা নিবন্ধেষু”॥

'গৌড়বহ'ৰ সংস্কৃত অনুবাদ।

ছিল যে যদি তোমাৰ প্ৰধান সভাপণ্ডিত ভৱভূতি কবিক মোৰ সভাত সভাপণ্ডিত, কৰি দিয়া তেন্তে বিনাক্ষতিপুৰণে তোমাৰ লগত সন্ধি কৰা হব আৰু তুমি তোমাৰ ৰাজ্য ঘূৰাই পাবা। এই কথা মতে সন্ধি হৈ যায়। পাশ্চাত্য ঐতিহাসিক পণ্ডিত সকলৰ মতেও ললিতাদিত্যৰ ৰাজত্বকাল খৃঃ ৬৯৩ পৰা ৭২৯ খৃষ্টাব্দ। এতিয়া জনা গ'ল যে কবি দক্ষিণাত্যতে ডাঙৰ দীঘল হয়, আৰু লেখা পঢ়া শিকি বিদ্যাত পণ্ডিত হৈ উঠে। তেওঁৰ নাম আৰু পাণ্ডিত্য দেশ বিদেশ ছানি যোৱাত কান্যকুব্জৰ ৰজা যশোবৰ্ম্মাই বিদ্যানুৰাগিতাৰ বাবে কবিক আদৰ-সাদৰকৈ নি সভাপণ্ডিত কৰি লয়। শেষত গুণজ্ঞ কাশ্মীৰাধিপতিয়ে কবিক কাশ্মীৰলৈ নিয়ে। কোনো কোনো পণ্ডিতে কিছুমান দিনৰ মূৰত কবি আকৌ কান্যকুব্জলৈ আহে বুলি কয়।

যুদ্ধৰ সময়ত কবিক ৪০।৪১ বছৰীয়া ডেকা বুলি অনুমান কৰোঁ। আগৰ দিনত আজি কালিৰ দৰে পৰীক্ষা প্ৰথা নাছিল। বিদ্যাৰ্থী সকলে যি বিষয় পঢ়ে সেই বিষয়ত পৰিপক্ক হলে হে তাক শেষ কৰি আন বিষয় এটা ধৰি আকৌ পঢ়িবলৈ আৰম্ভ কৰে। পঢ়া শেষ হলে ছাত্ৰক পঢ়াই আৰু পণ্ডিত সমাজত শাস্ত্ৰ-বিচাৰ কৰি পাণ্ডিত্য প্ৰকাশ কৰে। এনেকৈ ক্ৰমে ক্ৰমে ভাল পণ্ডিতৰ নাম আৰু বিদ্যা বুদ্ধিৰ কথা সমাজত জনাজাত হয়। ৰাজ-পণ্ডিতসকল আছিল, তেনেকুৱা বিখ্যাত পণ্ডিতবিলাকৰ ভিতৰতে আকৌ বছা বছা। কবিৰ সম্বন্ধে আমাৰ অনুমান এইদৰে সঙ্গত হোৱা বুলি ভাবিছোঁ যে—কবি যুদ্ধৰ সময়ত যশোবৰ্ম্মাৰ তাতৈ অহা নাই আগেয়ে আহিছিল, আৰু সভাপণ্ডিত হৈ থাকি ছাত্ৰকো ইফালে শিক্ষা দিছিল। তাৰ প্ৰমাণ কৰি ৰাখ পৰিবাজেই। যাৰ ছাত্ৰও ৰজাৰ সভা পণ্ডিত হব পাৰিছিল, তেনেকুৱা ছাত্ৰৰ শিক্ষাত অতি কমেও ৪।৫ বছৰ অতিবাহিত হৈছিল, (যদিহে আগেয়ে পঢ়ি পণ্ডিতকল্প হৈ আছিল, নহলেতো ১০।১২ বছৰৰ কম নহব) আৰু যশোবৰ্ম্মাই অনাৰ আগেয়ে কবি নানা শাস্ত্ৰত সুপণ্ডিত হৈ আগত কৈ অহা প্ৰণালীৰে বিখ্যাত হৈ উঠোঁতে উঠোঁতে ৩০।৩৫ বছৰমান লগাটো অসম্ভৱ নহয়। কবি কিকি শাস্ত্ৰত সুপণ্ডিত আছিল তাক পাচত কোৱা হব। এনেকে দেখা যায় কবিৰ জন্ম ৭ম শতিকাৰ শেষ ভাগত নহৈ নোৱাৰে।

কবিয়ে তেওঁৰ গুৰু জ্ঞাননিধিৰ ওচৰত বেদ, বেদান্ত দৰ্শন স্মৃতি, সাংখ্য ব্যাকৰণ, আৰু সাহিত্য এই কেইটি বিষয় ভালদৰে অধ্যয়ন কৰে। আৰু লগে লগে যোগী গুৰুৰ পৰা তন্ত্ৰ আদি যোগ শাস্ত্ৰতো উত্তম জ্ঞান পায়। কবিয়ে নিজে এই কথা কৈ গৈছে :—"মই যে বেদ, উপনিষদ্ বা বেদান্ত, সাংখ্য, পাতঞ্জল দৰ্শন আদি শাস্ত্ৰ পঢ়িছিলোঁ আৰু তাৰ জ্ঞান লাভ কৰিছিলোঁ তাক কাৰোত সুমাই দিয়াৰ পৰা কিবা লাভ আছে জানো? একো নাই। ইয়াৰ দ্বাৰা নাটকৰ কোনো এটা বিশেষ ফল নধৰে। যদি সৰল সুমধুৰ ভাষাৰে ভাব ভালকৈ ফুটাই তুলিব পাৰোঁ আৰু অৰ্থৰ গুৰুত্ব থাকে তেনেহলে হে পণ্ডিতালি আৰু বিচক্ষণতাৰ পৰিচয় এপাব।" (১)

তন্ত্ৰ আদি শাস্ত্ৰতো কবিৰ বিশেষ ব্যুৎপত্তি আছিল। মালতী মাধব নাটকৰ ৫ম অঙ্কত কবিয়ে কপাল কুণ্ডলাৰ মুখেদি ষটচক্ৰ ভেদ আদি বিষয়ৰ কি দৰে বৰ্ণনা দিছে, চাওক (২)।

(২) "ষড়ধিক দশনাড়ী চক্ৰ মধ্যস্থিতাত্মন, হৃদি বিনিহিতৰূপঃ সিদ্ধিদস্তদ্বিদাংযঃ।
অবিচলিত মনোভিঃ সাধকৈ মৃগ্যমানঃ স জয়তি পৰিণদ্ধঃ শক্তিভিঃ শক্তিনাথ ॥"
"নিত্যংনাস্থ ষড়ঙ্গ চক্ৰ নিহিতং হৃৎপদ্ম মধ্যোদিতং, পশ্যন্তী শিৱৰূপিণং লয়বশাদাত্মান মভ্যাগতা।" ইত্যাদি।

(১) "যদ্বেদাধ্যয়নং তথোপনিষদাং সাংখ্যস্য যোগস্য চ, জ্ঞানং তৎ কথনেন কিং নহি ততঃ কশ্চিদ্ গুণো নাটকে।
যৎ প্ৰৌঢ়ত্ব মুদাৰতা চ বচসাং যচ্চাৰ্থতো গৌৰৱম্, তচ্চেদস্তি ততস্তদেৱ গমকং পাণ্ডিত্য বৈদগ্ধ্যয়োঃ ॥"
মালতী মাধৱম্।



ব্যাকৰণ, ছন্দ, আৰু অলঙ্কাৰ আদিত কবি যে কেনে পাৰদৰ্শী আছিল তাক কোৱাৰ আৱশ্যক নাই, তেওঁৰ গ্ৰন্থ নালাগে যি এখন মাথোন কাব্য পঢ়িছে তেওঁ অকাতৰে কবিলৈ শ্ৰেষ্ঠ আসন আগ বঢ়াই দিব। এতেকে ইমানবোৰ শাস্ত্ৰত পাৰদৰ্শী হবলৈ অতিকম পক্ষেও কবিক কুৰি বছৰীয়া নধৰি নোৱাৰি। তাৰ পাচত, বিচাৰ আৰু অধ্যাপনা আদিৰে নামজলা হৈ উঠাৰ পাচত যশোবৰ্ম্মাৰ সাদৰ আহ্বানত কান্যকুব্জ পায়হি। আৰু তাত সভাপণ্ডিতৰ আসন শুৱনি কৰি বাক্‌পতিৰাজ আদিক নানা শাস্ত্ৰ শিক্ষা দি কিছুকাল থকাৰ পাচতহে আগত কৈ অহা ললিতাদিত্য আৰু যশোবৰ্ম্মাৰ কোনো বিশেষ কাৰণত যুদ্ধ চলে। এই যুদ্ধৰ শক যদি ৭২১ বা ৭২৪ হয় তেন্তে এই শকৰ পৰা ৭০০ বাদ দি ২১।২৪ বছৰ পোৱা যায়। এই কালৰ ভিতৰত কবিৰ কাৰ্য্য তালিকা নিদিলে, তাৰ আগলৈ যায়, অৰ্থাৎ ৭ম শতিকাৰ ভিতৰত পৰে। এতিয়া সুঠতে কবিক আমি ৭ম শতিকাৰ শেষ ভাগত দেখা পাওঁ। এতেকে কবিৰ জন্ম কাল সেয়ে।

৭৫৩ খৃষ্টাব্দত কান্যকুব্জৰ সিংহাসনত অমৰ ৰাজক ৰজাৰূপে দেখা পাওঁ। এওঁ যশোবৰ্ম্মাৰ পুতেক। তেতিয়া যশোবৰ্ম্মা পৰলোকত। কবিৰ বিষয়েও তেতিয়া কোনো উল্লেখ পোৱা নাযায়, উক্ত শকত জৈন সন্ন্যাসী বপ্পভট্টিয়ে অমৰৰাজক জৈনধৰ্ম্মত দীক্ষা দিয়ে। তেনেকুৱা বিখ্যাত পণ্ডিত বিদ্যমান থাকোঁতে নৈষ্ঠিক হিন্দু যশোবৰ্ম্মাৰ পুতেক অমৰৰাজক জৈনধৰ্ম্মৰ দীক্ষিত কৰা কথাটো আচৰিত ধৰণৰ হৈ উঠে। এতেকে তেতিয়া কবিও পৰলোকত বুলি অনুমান কৰিবৰ সাধাৰণ কাৰণ পোৱা যায়। জন্ম আৰু মৃত্যু সম্বন্ধে কৰা অনুমান সত্য হলে কবিৰ জীৱন ভোগ কাল ৭০।৭১ বছৰ হয়।

কোনো কোনো পণ্ডিতে কবিৰ গুৰু জ্ঞাননিধিকে কুমাৰিল ভট্ট পাতে। তেওঁলোকৰ মতে ভট্টৰ উপাধি জ্ঞাননিধি, এই কথা আমাৰ মনত ঠিক যেন লগা নাই। কবিয়ে তেওঁৰ গুৰুৰ বিষয়ে মহাবীৰ চৰিতত কৈছে যে—তেওঁৰ গুৰু জ্ঞাননিধি। মহৰ্ষি সকলৰ মাজত অঙ্গিৰা যেনেকুৱা প্ৰধান, জ্ঞাননিধি ও পৰম হংস যোগীসকলৰ মাজত তেনেকুৱা বিখ্যাত। আৰু তেওঁৰ নামটোও সম্পূৰ্ণ অৰ্থযুক্ত হৈছে ; অৰ্থাৎ জ্ঞাননিধি শব্দৰ অৰ্থ জ্ঞানৰ ভঁড়াল বা সাগৰ, তেওঁ জ্ঞানৰ সাগৰ স্বৰূপ, কাৰণ তেওঁৰ জ্ঞান অসীম অনন্ত। কবিয়ে অকল এইজনা গুৰুৰ ওচৰতে আগত কৈ অহা সকলো শাস্ত্ৰ অধ্যয়ন কৰি বিদগ্ধ পণ্ডিত আৰু কবি হয়, জ্ঞাননিধি আৰু কুমাৰিলভট্ট একে জন লোক নহয়। বেলেগ বেলেগ দুজন বিখ্যাত পণ্ডিত।

ভট্টৰ জ্ঞাননিধি উপাধি বা উপনাম আছিল নে নাই কব নোৱাৰোঁ। শাস্ত্ৰ অসীম অনন্ত, নিজে পঢ়া কেই খনত কোনো এটা কথা নাপালেই নাই বুলি কোৱাটো টান। দুজন বুলি কোৱাৰ কাৰণ তলত দেখুৱালোঁ।

ভাৰতত যেতিয়া বৌদ্ধ ধৰ্ম্মৰ প্ৰবল সোঁত বয় তেতিয়া ভাৰতৰ সৰহ ভাগ হিন্দুলোকেই নিজ ধৰ্ম্ম এৰি বৌদ্ধ ধৰ্ম্ম গ্ৰহণ কৰে। তেনে সময়ত ভাৰতৰ জ্ঞানৰবি শ্ৰীশ্ৰীমৎ শঙ্কৰাচাৰ্য্য দেৱৰ অবিৰ্ভাব হয়। তেওঁ হিন্দুধৰ্ম্মৰ বিজয়-দুন্দুভি বজাই হিন্দুধৰ্ম্মৰ সাৰৱত্তা বুজাই দি ধৰ্ম্মত্যাগী লোক সকলক নিজধৰ্ম্মলৈ ঘূৰাই আনিবলৈ সমৰ্থ হৈছিল। তেওঁ শূন্যবাদী বৌদ্ধ সকলক বিচাৰত পৰাস্ত কৰি গোটেই ভাৰত ভ্ৰমণ কৰিছিল। আন কি কাশ্মীৰ তিব্বতলৈকো গৈছিল। এই ভ্ৰমণৰ মাজতে প্ৰয়াগ তীৰ্থত মীমাংসক প্ৰধান কুমাৰিল ভট্টক লগ পায়। ভট্টৰ এটা ভীষণ প্ৰতিজ্ঞা আছিল এই, তেওঁ বৌদ্ধ সকলক বিচাৰত পৰাস্ত কৰি ভাৰতত বৈদিক ধৰ্ম্ম স্থাপন কৰিব, নিজে পৰাস্ত হলে তুষত জাহ দিব। এই প্ৰতিজ্ঞা মতে কাম কৰি বহুত ঠাইত কৃতকাৰ্য্য হৈছিল যদিও, এদিন নিজে পৰাস্ত হৈ প্ৰতিজ্ঞা পালন কৰিবলৈ ওলোৱা সময়তে আচাৰ্য্যৰ লগত সাক্ষাৎ হয়। আচাৰ্য্য দেৱে তেওঁৰ বেদান্তৰ শাৰীৰ ভাষ্য চাই দিবলৈ আৰু তাৰ ব্যাখ্যা কৰিবলৈ অনুৰোধ কৰাতো ভট্টদেৱে মণ্ডন মিশ্ৰক ভাষ্য

* "শ্ৰেষ্ঠঃ পৰম হংসানাং মহৰ্ষীণামিবাঙ্গিৰা।
যথাৰ্থ নামা ভগবান্ যস্য জ্ঞাননিধি গুৰুঃ ॥"
মহাবীৰ চৰিতম্।

দেখুৱাবলৈ কৈ প্ৰতিজ্ঞা পালন কৰে আৰু লগে লগে ভাৰতৰ এটি উজ্বল ৰত্ন কালত নিমগ্ন হয়। আচাৰ্য্যৰ জন্ম ৭৮৫ খৃষ্টাব্দত, আৰু ৮১৮ খৃঃ ত মৃত্যু হয়, জীৱিত কাল মুঠেই ৩৩ বছৰ। কুমাৰিল ভট্টক লগপোৱা চন ৮১০।১২ খৃষ্টাব্দ। কুমাৰিল ভট্ট সেই সময়ত একেবাৰে বুঢ়া নহয়, তেওঁ নানা ঠাইত ভ্ৰমি বিচাৰ কৰি ফুৰিছে, এনে স্থলত উৰ্দ্ধসংখ্যাই তেওঁৰ বয়স ৮০ বছৰৰ অধিক হব নোৱাৰে। একে বাবেই অসম্ভৱৰূপে ১০০ বছৰ ধৰিও যদি চোৱা যায় তেন্তে আমি ভট্টৰ জন্মৰ বছৰ পাওঁ ৭১০।১২ খৃষ্টাব্দ। ইয়াৰ পৰা দেখি, যেতিয়া ভট্ট ওপজে তেতিয়া ভৱভূতি এজন বিখ্যাত কবি। এতেকে ভট্ট, কবি ভৱভূতিৰ গুৰু নহয়। আগতে কোৱা জ্ঞাননিধিহে।

ভৱভূতি এজন বিখ্যাত কবি, তেওঁৰ নিচিনা সংস্কৃত ভাষাবিৎ আৰু নানা শাস্ত্ৰত সুপণ্ডিত কবি অতি বিৰল। তেওঁৰ কবিত্ব শক্তিও আচৰিত ধৰণৰ। বৰ্ত্তমান তেওঁৰ দ্বাৰাই ৰ'চিত তিনি খন কাব্য পোৱা গৈছে।

## ১। 'মহাবীৰ চৰিতম্'

ইয়াত শ্ৰীৰামচন্দ্ৰৰ বিয়াৰ পৰা সীতাদেৱীক উদ্ধাৰ কৰি আনি অযোধ্যাৰ ৰাজপাটত উঠালৈকে, বিৱৰণ আছে।

## ২। উত্তৰ ৰাম চৰিতম্।

এই কাব্যত সীতাদেৱীক বনবাস দিয়াৰ পৰা অশ্বমেধ যজ্ঞৰ শেষত বাল্মীকি মুনি পৃথিৱী দেৱী আৰু গঙ্গা দেৱীৰ কথা আৰু যুক্তি মতে সীতাদেৱীৰ সতীত্ব আৰু নিৰ্দ্দোষ প্ৰমাণ হোৱাত শ্ৰীৰাম চন্দ্ৰৰ লগত মিলন হোৱালৈকে বৰ্ণোৱা আছে।

এই উপ্যোগন নাটক ৰামায়ণৰ পৰা মূলভাগ লৈ লেখা তথাপি ৰামায়ণৰ লগত একেবাৰে মিলি যোৱাকৈ নেলেখি কবিয়ে অভিনৱ প্ৰণালীৰে অতি মনমোহাকৈ লেখিছে।

## ৩। মালতী মাধৱম্।

ইয়ো এখন অতি সুমধুৰ কাব্য। অলঙ্কাৰ শাস্ত্ৰৰ শাসন মতে ইয়াৰ নাম "প্ৰকৰণ"। প্ৰকৰণে নাটকে একে বিধৰ। পৌৰাণিক কি কোনো এটা মূল কথা লৈ নাটকৰ আকাৰে লেখিলে পুথিয়ে নাটক নাম পায়। লৌকিক বা কবিকল্পিত বিষয় লৈ তেনেকুৱা (ভাওনা কৰিব পৰা) নাটক লেখিলে সি প্ৰকৰণ নাম পায়। ইয়াৰ বাজে নাটক আৰু প্ৰকৰণৰ একো প্ৰভেদ নাই।

ইয়াত মালতী-মাধৱৰ বিয়াৰ কথা বৰ্ণোৱা হৈছে। কুণ্ডিল নগৰৰ ৰাজমন্ত্ৰীৰ পুতেক মাধৱ। মালতী হৈছে পদ্মাৱতী নগৰৰ ৰাজমন্ত্ৰীৰ জীয়াৰী। এই দুইৰ বৰ্ণোৱাৰ লগতে মাধৱৰ পৰম বন্ধু মকৰন্দৰ বিয়াৰ কথাও বৰ্ণাইছে। এই খনেই কবিৰ শেষ কাব্য।

প্ৰবাদ আছে, কবিয়ে **বাল চৰিতম** নামৰ আৰু এখন নাটক ৰচিছিল। তাত শ্ৰীৰাম চন্দ্ৰৰ বাল্যকালৰ বিৱৰণ আছিল। কিন্তু বালচৰিতম' কতো নাই। কোনোৱেঃ দেখিছিল বুলিও কতো লেখা নাই। তথাপি প্ৰমাণ দিব নোৱাৰিলেও সেই প্ৰবাদৰ মূলত সত্য নিহিত আছিল বুলি বিশ্বাস হয় এই বাবে, যে কবিয়ে শ্ৰীৰাম চন্দ্ৰৰ পূত চৰিত্ৰ নাটকৰ আকাৰে সমাজৰ আগত দাঙি ধৰি সমাজৰ মাজত যি মহান আদৰ্শৰ গুটি সিঁচিব খুজিছিল তাত বাল্যকালৰ নিৰুপম আদৰ্শ বাদ দিব লগা নাছিল, আৰু ইয়াতে মহাকবি ৰামায়ণৰ এটি মনোমুগ্ধকৰ দৃশ্য সংস্কৰণ উলিয়াইছে গৈ কবিয়ে মাজৰ পৰা আৰম্ভ কৰি শেষলৈকে তাক সুমাই ললে; কিন্তু এৰি দিলে পৌনঃপ্ৰথমৰ ভাগটো। ই খাপ নোখোৱা কথা যেন লাগে। সেইহে যদিও তাক এতিয়া নাপাওঁ; আগলৈকো পাবৰ আশা নাই যেতিয়া তাৰ কথা এৰি দিয়াই উচিত।

কবিৰ নাটকৰ বিষয়ে ইয়াত সৰহ কথা কোৱা নহব। বেলেগ ২ প্ৰবন্ধত একো ২ খন নাটকৰ সাক্ষ্য আলোচনা কৰা হব। ভৱভূতিৰ এটা বিশেষত্ব এয়ে তেওঁ য'ত যি ভাবে যি কথা প্ৰকাশ কৰিব খুজিছে তাত তেনে ভাবেই প্ৰকাশ পাইছে, শব্দৰ নাটনি নাইবা বলেৰে কোনো শব্দ অনুপযুক্ত ঠাইত সুমোৱা নাই। সংস্কৃত ভাষা যেন তেওঁৰ অন্তৰৰ ভাৱৰাশি লৈ নৈৰ সোঁতৰ দৰে অবিৰল বৈ যাব ধৰিছে, তাত যেন কোনো ভেটা বা আংশিক প্ৰতিবন্ধকো নাই। ভাব, ৰস, অলঙ্কাৰ, ছন্দ, আদি কবিতাৰ সকলো সম্ভাৰ যেন তেওঁৰ হাতৰ মুঠিত; লালিত্য, পৰিপাটি আৰু উপযুক্ত শব্দ যোগ্য ঠাইত সমাবেশৰ শক্তি যেন তেওঁৰ অন্তৰৰ। এই বাবে তেওঁ লেখি যাওঁতে ধাৰাবাহিক শব্দৰ স্ৰোত এনে নিৰৱচ্ছিন্ন আৰু সুসংলগ্ন ভাবে নিৰন্তৰ হৈছে যে তাৰ ফলত সমাসবহুল কমনীয় ধ্বন্যাত্মক শব্দতৰঙ্গৰ সৃষ্টি হৈ উঠিছে। সাহিত্য হিচাপে সমাসবহুল ৰচনাৰ বৰ আদৰ নাই সঁচা, কিন্তু সি কবিৰ বাধা দিব নোৱৰা শব্দসমষ্টিৰ নিঃসৰণ মাত্ৰ। তেওঁৰ কাব্য আদৰ্শ পূৰ্ণ আৰু অনুপম। সেইহে কবিয়ে নিজে কোৱা কথাটি আত্ম-প্ৰসংসা বা অহঙ্কাৰ নহয়।* তেওঁৰ কথাটি এই :——"যি সকলে মোৰ এই অনুপম কাব্যলৈ অৱজ্ঞা প্ৰকাশ কৰে, তেওঁলোকে কিবা জানে হবলা? কাব্যৰ মোল পায় জানো? একো নাজানে; মই তেওঁলোকৰ কাৰণে এই পৰিশ্ৰম কৰা নাই। এই কাল অসীম, অনন্ত, গতিকে, মোৰ নিচিনা কাব্যৰ মোল বুজা কোনো জন্মিব পাৰে নাইবা এই বিশাল পৃথিৱীত কতো কোনোবা কাব্য ৰসিক থাকিব পাৰে, তেওঁলোকৰ নিমিত্তেহে মই এই যত্ন কৰিছোঁ।" কবিয়ে এই বাক্যৰ সাৰ্থকতা ৰক্ষা কৰি গৈছে। তাক তেওঁৰ অমৰ কাব্য পঢ়োঁতা সকলে নিশ্চয় স্বীকাৰ কৰিব।

মুঠতে কবিৰ প্ৰত্যেকখন কাব্যই একোটি মহামূল্য ৰত্ন, সমাজ-শিক্ষাৰ জ্বলন্ত উদাহৰণ, চৰিত্ৰ গঠনৰ সুন্দৰ চানেকী, ধৈৰ্য্যৰ সাগৰ, আৰু দৃঢ়তাৰ হিমাচল, বেয়া বুলিবলৈ একোৱেই নাই, সকলো ৰসাল, সকলো মধুৰ, সকলো সুন্দৰ। প্ৰবন্ধৰ কলেৱৰ বৰ বিস্তৃত নকৰোঁ। কবিৰ এটি আদৰ্শৰ কথা উল্লেখ কৰি প্ৰবন্ধৰ সামৰণি মাৰিম।

মালতী নায়িকা, মাধৱ নায়ক, ৰূপ গুণ বয়স আদি সকলো বিষয়তে নায়ক নায়িকাৰ সামঞ্জস্য আৰু অনুৰাগ আছে। দুয়োৰো মাক বাপেকো এই মিলনৰ পক্ষপাতী। কিন্তু ৰজাৰ প্ৰতিকূলতাচৰণৰ বাবে অভিভাৱকৰ মনোবাঞ্ছা পূৰণ অসম্ভৱ হ'ল। এনে সময়ত নায়িকা গোপনে গোপনে নায়কৰ লগত মিলিবলৈ লগৰীয়ানীয়ে উপদেশ দিয়াত নায়িকাই কি বুলি সমিধান দিছিল চাওঁক চোন :—

নায়িকাৰ উক্তি—"প্ৰতি নিতে ৰাতি ৰাতি আকাশত পূৰ্ণ চন্দ্ৰৰ উদয় হওক। লাগিলে মদনে পুৰি পুৰি একেবাৰে মোক ছাই কৰি পেলাওক, নাইবা মোক মাৰি পেলাওক, মৃত্যুতকৈ তো আৰু বিশেষ একো শাস্তি দিব নোৱাৰে! মই হলে তথাপি তেনেকুৱা গৰ্হিত কাম কৰিব নোৱাৰিম। মই মোৰ সকলোৱে মান্য পিতাক বৰ ভাল পাওঁ, তাতোকৈ ভাল পাওঁ মোৰ পবিত্ৰ আৰু উচ্চ বংশত ওপজা জননীক, আৰু আটাইতকৈ মোৰ ভাল পোৱা বস্তু নিৰ্ম্মল নিষ্কলঙ্ক কুল (বংশ মৰ্য্যাদা) এই বিলাকৰ তুলনাত, মোৰ প্ৰাণ-প্ৰিয়তম নায়ক আন নালাগে মোৰ জীৱনো তুচ্ছ। তেনেকুৱা ভাল পোৱা অসম্ভৱ"।* ধন্য কবি! ধন্য তোমাৰ আদৰ্শ!

সহৃদয় পাঠক পাঠিকা সকল! আন আন নায়ক নায়িকাৰ লগত ৰিজাই চাওক। কবিৰ আৰু এটা কথাই মন আকৰ্ষণ কৰে সি হৈছে, দৃষ্টিবিজ্ঞান, চকুৰ চাওন্ বৰ্ণনা আন কোনো কবিৰ কাব্যত যে ইমান সূক্ষ্মৰূপে থাকিব পাৰে তাক মনে নামানিব খোজে। কবিৰ চাওন বৰ্ণনাৰ অনুৰূপ বৰ্ণনা সংস্কৃত কাব্যত ক'তো পোৱা নাযায়। সাহিত্য সম্পদত সমৃদ্ধ কবিৰ কথা যিমানে লেখো সিমানে বাঢ়ি যায়, আজিলৈ ইমানতে সামৰিলোঁ।

(ক্ৰমশঃ)

শ্ৰীউমাকান্ত মিশ্ৰ।

---

* "যে নাম কেচিদিহ নঃ প্ৰথয়ন্ত্যবজ্ঞাং
জানন্তি তে কিমপি তান্ প্ৰতি নৈষ যত্নঃ।
উৎপৎস্যতে হস্তি মম কোঽপি সমানধৰ্ম্মা
কালো হ্যয়ং নিৰৱধিৰ্বিপুলা চ পৃথ্বী॥"
মালতী মাধৱম্।

* "জ্বলতু গগনে ৰাত্ৰৌ ৰাত্ৰাবখণ্ডকলা শশী,
দহতু মদনঃ কিম্বা মৃত্যোঃ পৰেণ বিধাস্যতঃ।
মম তু দয়িতঃ শ্লাঘ্যস্তাতো জনন্যমলান্বয়া,
কুলমমলিনং, নত্বেবায়ং জনো নচ জীৱিতম্॥"
মালতী মাধৱম্।

# ভাষাতত্ত্ব আৰু ব্যাকৰণ।

**পাচ, পিচ, পচিম** এইকিটা শব্দ কোনো কোনোৱে **'ছ'** দি লেখে। হেমকোষত 'চ' আছে। কিন্তু গত বছৰত এজনে আশ্বাস দি পত্ৰিকাত লেখিছিল যে যি বিলাকে 'পাছ' 'পিছ' আৰু পছিম লেখে তেওঁবিলাকো কম হেমভক্ত নহয়। এতেকে দেখা যায়, ভক্তিৰ কথাটো একৰকম মীমাংসা হৈ গৈছে। কেৱল যুক্তিৰ কথাটোহে বাকী ৰৈছে। এইকিটা শব্দ যে সং—**পশ্চাৎ** আৰু **পশ্চিম** শব্দৰ পৰা হৈছে, সেইটোও বোধ কৰোঁ কোনেও দুই নকৰে। সংস্কৃত শব্দৰ 'শ' টো বাদ দিলে কেৱল 'চ' থাকে। কিন্তু কি ৰসায়নিক প্ৰক্ৰিয়াৰ দ্বাৰাহে 'শ' আৰু 'চ' গোট খাই 'ছ' হল, সেইটো আমি বুজিব পৰা নাই। অসমীয়াত 'ছ' আৰু 'চ' দুইৰো উচ্চাৰণ একে। 'পাছ' আৰু 'পাচ' দুয়োটাকে একে দৰেই উচ্চাৰণ কৰে, এই কথাতো বোধ হয় মতদ্বৈধ নাই।

সংস্কৃত শব্দ অসমীয়ালৈ পৰিবৰ্ত্তন হোৱাৰ কিছুমান বহল ধাৰা আছে। তাৰে এটা হৈছে—সংস্কৃত যুক্ত বৰ্ণৰ প্ৰথম আখৰটো শ, ষ, স আৰু হ হলে তদ্ভৱ অসমীয়া শব্দত সেইকিটা আখৰ লুপ্ত হয়। যেনে

| সং | অং |
|---|---|
| শুষ্ক | শুকান |
| স্ফূৰ্ত্তি | ফুৰ্ত্তি |
| স্তুতি | তুত |
| স্থালী | থালী |
| বহ্নি | বনি |
| ব্ৰাহ্মণ | বামুণ |
| আশ্চৰ্য্য | আচৰিত |
| কশ্চিৎ | কাচিৎ |
| নিশ্চয় | নিচয় |

এনেস্থলত 'পশ্চিম,' আৰু 'পশ্চাৎ' শব্দৰ নিমিত্তে এটা সুকীয়া নিয়ম কৰা নিষ্প্ৰয়োজন।—

**পাচনী** ক্ৰিয়াৰ কৃদন্ত বিশেষ্য ( Verbal noun ) ৰূপটো লেখাত আজি কালি বহুত বেমেজালি দেখা গৈছে। অসমীয়া ব্যাকৰণ বিলাকে এই বিষয়ে একেটা নিয়ম বান্ধি দিয়া স্বত্বেও বহুতে সেই নিয়ম উলঙ্ঘা কৰা দেখি। অৱশ্যে তেওঁলোকৰ 'হেমভক্তি' কম বুলি আমি কব খোজা নাই। গোটাচেৰেক উদাহৰণ দিয়া হওক। সাধাৰন বা পাচনী ধাতুত 'আ' যোগ দি কৃদন্ত বিশেষ্য পদ ( Verbal noun ) গঢ়া হয়; যেনে, আন+আ=অনা ( act of bringing), দি+আ=দিয়া ( act of giving) খা+আ=খোৱা ( act of eating ) কান্দ+আ=কন্দা ( act of crying )। পাচনী ধাতুতো আ যোগ দি কৃদন্ত পদ কৰা হয়; যেনে কন্দুৱা ( to cause to cry) +আ=কন্দুওৱা ( act of causing to cry )। কিন্তু আজি কালি বহুতে 'কন্দুওৱা' নেলেখি 'কন্দুৱা' লেখে; অৰ্থাৎ তেওঁবিলাকৰ মতে পাচনী ধাতুটো আৰু তাৰ কৃদন্ত বিশেষ্য ৰূপটো একে। এটাৰ পৰা আনটো বুজিবৰ উপায় নাই। সেইদৰে 'পঠিয়া' ( to cause to go) +আ=পঠিওৱা ( act of causing to go or act of sending )। কিন্তু তেওঁবিলাকে 'পঠিওৱা' নেলেখি 'পঠিৱা' লেখে। 'পঠিৱা' শব্দটো অসমীয়া জিভাত উচ্চাৰণ হোৱাই টান। সি অসমীয়া ভাষাৰ ধাতুৰ বিৰোধী কাৰণ, অসমীয়াত 'ই' কাৰৰ পাচত 'য়' হে হয়, 'ৱ' নহয়। 'উ' বা 'ও' ৰ পাচতহে 'ৱ' হব পাৰে। সেই দেখি, 'পঠিয়া' বা 'পঠিওৱা' শব্দ অসমীয়া হব পাৰে; 'পঠিৱা' শব্দ অসমীয়া নহয়। এইটো বঙালী 'যাওয়া' ৰ নিচিনা হৈছে।